www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মই পৰিপূৰ্ণ জীৱন নিবিচাৰোঁ। মই মাত্ৰ সুখী হ'ব বিচাৰোঁ সেইসকল বন্ধু-বান্ধৱীৰ সৈতে যিসকলে মোক ভাল পায় মোৰ গুণৰ কাৰণে। —- স্পিৰিট চায়েন্স

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৩৮ ❑ সোমবাৰ ❑ ২ মাৰ্চ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 138 ❑ Monday ❑ 2nd March, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

### নিৰ্বাচনৰ পূৰ্বে পুনৰ বিপিএফলৈ উভতি যোৱাৰ সম্ভাৱনা

## ইউপিপিএল ত্যাগ খাম্পা বৰগয়াৰীৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১ মাৰ্চ ঃ** প্ৰমোদ বড়োৰ নেতৃত্বাধীন ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল) দলত অসমৰ বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত এটা গুৰুতৰ ৰাজনৈতিক আঘাত আহি পৰিছে। দলৰ পৰা পদত্যাগ কৰিছে বড়োলেণ্ড টেৰিট'ৰিয়েল কাউঞ্চিল (বিটিচি)ৰ পৰিষদীয় বিধানসভাৰ বিৰোধী দলৰ নেতা তথা চিৰাং দুৱাৰ সমষ্টিৰ বিধায়ক খাম্পা ❑ ৬ পৃষ্ঠাত

## বিমান বাতিল; ডুবাইত আবদ্ধ পি ভি সিন্ধু



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১ মাৰ্চ ঃ** মধ্যপ্ৰাচ্যত চলি থকা তীব্ৰ সংঘৰ্ষৰ ফলত উপসাগৰীয় দেশসমূহত বিমান পৰিবহণ সম্পূৰ্ণৰূপে বিঘ্নিত হৈ পৰিছে। আমেৰিকা আৰু ইজৰাইলৰ যৌথ আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰাণৰ পক্ষৰ পৰা মিছাইল আৰু ড্ৰোন আক্ৰমণৰ ফলত ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰকে ধৰি অঞ্চলটোৰ বহু বিমানবন্দৰ ❑ ৫ পৃষ্ঠাত

### ■ 'এ আই ইমপেক্ট' সন্মিলনৰ সময়ত কংগ্ৰেছৰ প্ৰতিবাদৰ ফল ■

## যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু চিবক তিহাৰ কাৰাগাৰলৈ প্ৰেৰণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ মাৰ্চ ঃ** ভাৰতীয় যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি উদয় ভানু চিবক দেওবাৰে তিহাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে। ভাৰত মণ্ডপমত অনুষ্ঠিত 'এ আই ইমপেক্ট' সন্মিলনৰ সময়ত কংগ্ৰেছৰ প্ৰতিবাদত অংশগ্ৰহণ কৰাৰ অভিযোগত ❑ ৬ পৃষ্ঠাত




## কুমাৰ ভাস্কৰ বৰ্মা সেতুত পথচাৰীৰ সুবিধা ৭ মাৰ্চলৈ বৃদ্ধি; ৮ মাৰ্চৰ পৰা যান-বাহন চলাচল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ মাৰ্চ ঃ** গুৱাহাটী আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰা কুমাৰ ভাস্কৰ বৰ্মা সেতুখনত যান-বাহনৰ চলাচল ৭ মাৰ্চলৈকে বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু কামৰূপ মহানগৰ আৰক্ষী প্ৰশাসনে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰাৰ পিছত প্ৰথমতে ১ মাৰ্চলৈকে সেতুখন কেৱল পথচাৰীৰ বাবে মুকলি ৰখাৰ কথা ❑ ৬ পৃষ্ঠাত

### ■ চাইপ্ৰাছৰ যুক্তৰাজ্যৰ সামৰিক ঘাঁটিৰ দিশে মিছাইল নিক্ষেপ ইৰানৰ ■

# প্ৰতিশোধমূলক হৈ পৰিছে ইৰান; আকাশমাৰ্গ বন্ধ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১ মাৰ্চ ঃ** মধ্যপ্ৰাচ্যত চলি থকা তীব্ৰ উত্তেজনাৰ মাজতে ইৰাণে পুনৰ এটা ভয়াৱহ পদক্ষেপ গ্ৰহণ কৰিছে। যুক্তৰাজ্যৰ সামৰিক ঘাঁটিসমূহ থকা চাইপ্ৰাছ দ্বীপৰ দিশে ইৰাণে দুটা বেলিষ্টিক মিছাইল নিক্ষেপ কৰিছে। যুক্তৰাজ্যৰ প্ৰতিৰক্ষা সচিবজন হিলিয়ে এই কথা নিশ্চিত কৰি কয় যে, এই মিছাইলসমূহ চাইপ্ৰাছৰ দিশে নিক্ষেপ কৰা হৈছে যদিও তেওঁলোকে বিশ্বাস কৰে যে ইয়াক চাইপ্ৰাছ বা যুক্তৰাজ্যৰ ঘাঁটিসমূহক পোনপটীয়াকৈ লক্ষ্য কৰি নকৰা হৈছিল। তথাপি এই ঘটনাই ইৰাণৰ প্ৰতিশোধমূলক কাৰ্যকলাপৰ অব্যাহত আৰু অসংযত স্বৰূপক প্ৰকাশ কৰিছে। যুক্তৰাজ্যৰ প্ৰতিৰক্ষা বিভাগৰ মতে, এই মিছাইলসমূহ পূব ভূমধ্যসাগৰত ❑ ৬ পৃষ্ঠাত

## চাহ শ্ৰমিকৰ মজুৰি মাত্ৰ ৩০ টকা বৃদ্ধি; আছা-আইছাৰ প্ৰতিবাদ

### অন্তৰ্বৰ্তীকালীন বৃদ্ধি অপৰ্যাপ্ত বুলি অভিহিত; দাবী ৫০০-৫৫১ টকাৰ দৈনিক মজুৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ মাৰ্চ ঃ** অসম চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকসকলৰ দৈনিক মজুৰি ৩০ টকাকৈ বৃদ্ধি ❑ ৬ পৃষ্ঠাত



### বুথ-মণ্ডল পৰ্যায়ৰ কৰ্মীসকলক দিলে আৰ্থিক সহায়

## কংগ্ৰেছৰ ৰাজ্যজুৰি সাংগঠনিক বৈঠক আৰু নিৰ্বাচনী পুঁজি বিতৰণ

দিছপুৰত গৌৰৱ গগৈৰ নেতৃত্বত চৰকাৰ গঠনৰ সংকল্প

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে দেওবাৰে ৰাজ্যৰ সমগ্ৰ অঞ্চলত একেলগে সাংগঠনিক ❑ ৬ পৃষ্ঠাত

যাত্ৰীসকলৰ সুৰক্ষা আৰু সহায়ৰ বাবে বিশেষ ব্যৱস্থা

## ইৰাণ-ইজৰাইল সংঘৰ্ষৰ প্ৰভাৱত ৪০০ৰো অধিক আন্তঃৰাষ্ট্ৰীয় বিমান বাতিলৰ সম্ভাৱনা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১ মাৰ্চ ঃ** ইৰাণ আৰু ইজৰাইলৰ মাজত চলি থকা তীব্ৰ সংঘৰ্ষ আৰু আমেৰিকা-ইজৰাইলৰ যৌথ আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰাণৰ পক্ষৰ পৰা ডুবাই, ❑ ৬ পৃষ্ঠাত



'জন আশীৰ্বাদ যাত্ৰা'ৰ দ্বিতীয় দিনা জাগীৰোডত বিশাল সমৰ্থন

## গজৰাজৰ আশীৰ্বাদ লৈ মৰিগাঁৱত 'জন আশীৰ্বাদ যাত্ৰা' আৰম্ভ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ ৰাজ্যব্যাপী গণসংযোগ অভিযান ❑ ৬ পৃষ্ঠাত

### ❑ মধ্য গুৱাহাটীত অসম গণ পৰিষদৰ সংকল্প সমাৰোহ ❑

## অগপ শক্তিশালী মানে আঞ্চলিকতাবাদ শক্তিশালী ঃ অগপ সভাপতি অতুল বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ বাবে সময় কম হোৱাৰ মাজতে মিত্ৰদল বিজেপিৰ সৈতে আসন বুজাবুজি চূড়ান্ত নোহোৱাৰ পূৰ্বেই মধ্য গুৱাহাটী বিধানসভা সমষ্টিত নিৰ্বাচনী ৰণশিঙা বজাই দিলে অসম গণ ❑ ৬ পৃষ্ঠাত



### হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ যাত্ৰাক নকল কৰিছে ঃ গৌৰৱ গগৈ

## টিংখাঙত সেৱা লৈ ৰাইজৰ আশীৰ্বাদ বিচাৰিলে গৌৰৱ গগৈয়ে

অসমীয়া সংস্কৃতি ৰক্ষাৰ প্ৰতিশ্ৰুতি

**অসম বাৰ্তা, গুৱাহাটী, ১ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰস্তুতি তীব্ৰতৰ হৈ পৰাৰ মাজতে বিৰোধী কংগ্ৰেছে ৰাইজৰ সৈতে সংযোগ স্থাপনৰ বাবে 'সময় পৰিৱৰ্তন যাত্ৰা'ৰ অধীনত ৰাজ্যজুৰি কাৰ্যসূচী ❑ ৬ পৃষ্ঠাত



## বিৰোধীৰ আসন ভাগ-বতৰাত অসন্তোষ; ক্ষোভিত কংগ্ৰেছ কৰ্মী

সভাপতি গৌৰৱ গগৈয়ে দিলে আশ্বাস

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ মাৰ্চ ঃ** অসমত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে বিৰোধী দলসমূহৰ মাজত গঠন হোৱা সম্ভাব্য ঐক্যৰ মাজতে আসন ভাগ-বতৰাৰ বিষয়টোৱে এতিয়াও স্থিতিশীলতা লাভ কৰা নাই। বিজেপিৰ বিৰুদ্ধে একত্ৰিত হৈ ❑ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ অহংকাৰ বিনাশ কৰি এইবাৰ অসমত বিৰোধীয়ে চৰকাৰ গঠন কৰিব ঃ গৌৰৱ গগৈ

**অসম বাৰ্তা, নাহৰকটীয়া, ১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰীৰ অহংকাৰ বিনাশ কৰি এইবাৰ অসমত বিৰোধীয়ে ❑ ৬ পৃষ্ঠাত

বিৰোধী ঐক্যক কটাক্ষ

## মাজুলীত বিশাল যুৱ সন্মিলন কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা

**অসম বাৰ্তা, উজনী মাজুলী, ১ মাৰ্চ ঃ** ভাৰতীয় জনতা যুৱ মৰ্চা মাজুলী ❑ ৬ পৃষ্ঠাত

ASBM®

Founded and led by Prof. Biswajeet Pattanayak, former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855

গোলাপ বৰাৰ গল্প সংকলন "বংশধৰ" উন্মোচন

# গহপুৰৰ চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ বিশেষ গ্ৰন্থ উন্মোচনী সভা



**অসম বাৰ্তা, গহপুৰ, ১ মাৰ্চ ঃ** অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা হিচাপে সুপৰিচিত গহপুৰ সমজিলাৰ অন্তৰ্গত চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ উদ্যোগত আজি এখন বিশেষ গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত বিশ্বনাথ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট লেখক গোলাপ বৰাৰ "বংশধৰ" শীৰ্ষক গল্প সংকলনখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰা হয়। এই উপলক্ষে আজি পুৱা ১১ বজাৰ পৰা গ্ৰন্থকাৰ গোলাপ বৰাৰ ব্ৰহ্মাজানস্থিত বাসগৃহৰ প্ৰাঙ্গণত অনুষ্ঠিত হোৱা বিশেষ গ্ৰন্থ উন্মোচনী সভা খনত সভাপতিত্ব কৰে চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ সভাপতি বীৰেন কাথ হাজৰিকাই। বিশ্বনাথ জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা বিশিষ্ট লেখিকা সবিতা কোঁৱৰে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা সভা খনৰ কাৰ্যসূচীৰ আৰম্ভণীতে অসম সাহিত্য সভাৰ শীৰ্ষ গীত "চিৰ চেনেহী মোৰ ভাষা জননী" পৰিবেশন কৰে ব্ৰহ্মাজানৰ সৃষ্টি শাখা লেখিকা সমাৰোহ সমিতিৰ সদস্যা সকলে। চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ সম্পাদক শৰৎ দাসে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সামগ্ৰিক ভাৱে আঁত ধৰা সভা খনত গ্ৰন্থকাৰ গৰাকীৰ পৰিয়াল বৰ্গই আমন্ত্ৰিত অতিথি সকলক ফুলাম গামোচা আৰু চেলেঙেৰে সম্বৰ্ধনা জ্ঞাপন কৰে। গ্ৰন্থকাৰ গোলাপ বৰাৰ সহধৰ্মিনী তথা বিশিষ্ট লেখিকা ৰেণু শইকীয়া বৰাই আদৰণী ভাষণ প্ৰদান কৰি উপস্থিত সকলোকে সাদৰ সম্ভাষণ জ্ঞাপন কৰা সভাখন উদ্বোধন কৰে ছয়দুৱাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা বিশিষ্ট লেখক সৌমিত্ৰ বৰুৱাই। চমু উদ্বোধনী ভাষণ প্ৰদান কৰি সৌমিত্ৰ বৰুৱাই চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাই নিৰালস্য ভাৱে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি শাখাটোৰ এলেকাত সাহিত্য চৰ্চা আৰু সৃষ্টিৰ এক সজীৱ পৰিবেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। শতাধিক সাহিত্যানুৰাগী ৰাইজ উপস্থিত থকা সভা খনত বিশিষ্ট অতিথিৰ আসনৰ পৰা চমু বক্তব্য প্ৰদান কৰি পূব ব্ৰহ্মাজান হাইস্কুলৰ প্ৰধান শিক্ষক তথা নাট্য সাধক কুশল ভূঞা আৰু খাৰৈপৰীয়া স্বৰ্ণদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন চন্দ্ৰ পাঠকে চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাই গ্ৰন্থ প্ৰকাশৰ কৰ্মসূচীৰ অধীনত বিগত দুটা বৰ্ষত সৰ্বমুঠ ১৭খন গ্ৰন্থ প্ৰকাশ কৰি এক গ্ৰন্থ জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰে। বিশিষ্ট অতিথিদ্বয়ে এতিয়ালৈকে পাঁচখন গ্ৰন্থ প্ৰনয়ন কৰা গোলাপ বৰাৰ নিৰালস্য সাহিত্য সাধনাৰো শলাগ লয়। গাম্ভীৰ্যপূৰ্ণ সভা খনত আমন্ত্ৰিত অতিথিৰ আসনৰ পৰা মনোগ্ৰাহী বক্তব্য প্ৰদান কৰি খাৰৈপৰীয়া শাখা সাহিত্য সভাৰ সম্পাদক যজ্ঞেশ্বৰ হাজৰিকাই চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ গ্ৰন্থ প্ৰকাশৰ কৰ্মসূচী এক আদৰ্শনীয় আৰু অনুকৰণীয় পদক্ষেপ বুলি মন্তব্য কৰে। পৰৱৰ্তী কাৰ্য্যসূচী অনুসৰি চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাই শাখাটোৰ গ্ৰন্থ প্ৰকাশৰ কৰ্মসূচীৰ অধীনত প্ৰকাশ কৰা গল্পকাৰ, শিশু সাহিত্যিক তথা বিশিষ্ট শিক্ষাবিদ গোলাপ বৰাৰ "বংশধৰ" শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে বিশিষ্ট লেখক তথা পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিলীপ বৰাই। গুৰুত্বপূৰ্ণ উন্মোচনী বক্তব্য প্ৰদান কৰি দিলীপ বৰাই গোলাপ বৰাৰ সাহিত্যকৃতীৰ আলোকপাত কৰাৰ লগতে তেখেত এগৰাকী নিৰালস্য আৰু নিষ্ঠাবান সাহিত্যসেৱী বুলি মন্তব্য কৰে। ইয়াৰ পিছতে চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ পৰম্পৰা অনুসৰি গ্ৰন্থকাৰ গোলাপ বৰাক চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ তৰফৰ পৰা আটকধুনীয়া সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা, চেলেং আৰু কলম প্ৰদানেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। গ্ৰন্থকাৰৰ একাষাৰ কাৰ্যসূচীত চমু বক্তব্য প্ৰদান কৰি গোলাপ বৰাই চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ গ্ৰন্থ প্ৰকাশৰ কৰ্মসূচীয়ে শাখাটোৰ লেখক-লেখিকা সকলক সাহিত্যৰ সৃষ্টি আৰু চৰ্চাৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে উৎসাহিত কৰিছে বুলি মত প্ৰকাশ কৰে। পৰৱৰ্তী কাৰ্য্যসূচী অনুসৰি সমজুৱাৰ ফালৰ পৰা সুলেখক দ্বিজেন ভূঞা আৰু সুলেখিকা ৰুণুমাই বৰাই চমু বক্তব্য প্ৰদান কৰে। শিশু শিল্পী অৰ্পণ দিহিঙীয়া, শ্ৰেয়াস সমীৰ শইকীয়া আৰু বিশিষ্ট সংগীত শিল্পী বিজয় বৰাই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰা সভা খনত ৰেণু শইকীয়া বৰা, শংকৰ জ্যোতি বৰা, কবিতা শইকীয়া, ৰশ্মিৰেখা গোহাঁই, মীনা দিহিঙীয়া, শৰৎ দাসে কবিতা পাঠ কৰি পৰিবেশ অধিক সজীৱ কৰি তোলে। সভাপতিৰ মন্তব্যত বীৰেন কাথ হাজৰিকাই সাহিত্যক জনমুখী কৰি তোলাৰ পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে সকলোকে আহ্বান জনায়। বৌদ্ধিক আলোচনাৰে সমৃদ্ধ সভা খনত অসম সাহিত্য সভাৰ বিজ্ঞান আৰু পৰিবেশ বিজ্ঞান উপ সমিতিৰ উপ সভাপতি তৰুণ বৰুৱা, বিশ্বনাথ জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য মহিম দাস, চিত্ৰবন স্বৰ্ণদল শাখা সাহিত্য সভাৰ উপ সভাপতি খগেন সন্দিকৈ, সাংস্কৃতিক সম্পাদিকা ৰশ্মিৰেখা গোহাঁই, সাংগঠনিক সম্পাদক লেখনাথ মিশ্ৰ, অসম সাহিত্য সভাৰ আজীৱন সভ্য বীণা ৰাজখোৱা, প্ৰফুল্ল দাস, সাহিত্যসেৱী সিদ্ধেশ্বৰ হাজৰিকা, কংকনা বৰা, তাপসী হাজৰিকা, নিৰ্জুমণি দত্ত বৰুৱা, ভাৰতী বৰা, পৰীক্ষি ৰাজখোৱা, নিৰুমাই বৰাসহ বহু সংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়াই সম্পাদক শৰৎ দাসে সভা খনত অতি সন্তোষজনক ভাবে আতিথ্য প্ৰদান কৰাৰ বাবে গ্ৰন্থকাৰ গোলাপ বৰাৰ পৰিয়াল বৰ্গক কৃতজ্ঞতা সহকাৰে ধন্যবাদ জ্ঞাপন কৰে। শেষত জাতীয় সংগীত পৰিবেশনৰে সভাৰ সফল সামৰণি ঘোষণা কৰা হয়।

# অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ উদ্যোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ মাৰ্চ ঃ** অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰ উদ্যোগত আৰু বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডুমডুমাৰ সহযোগত শনিবাৰে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদযাপন কৰা হয়। বিজ্ঞান দিৱসৰ লগতে শাখাৰ মধ্যকালীন অধিৱেশনখনিও অনুষ্ঠিত কৰা হয়। এই উপলক্ষে পুৱা শাখাৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱাই অসম বিজ্ঞান সমিতিৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ২৩ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ পালন কৰা বিজ্ঞান সপ্তাহৰ অংশ হিচাপে এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ডুমডুমা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা শতাব্দী দত্ত আৰু মহৰ্ষি কলিতাই কুইজ মাষ্টাৰ হিচাপে কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে। প্ৰতি বছৰে ২৮ ফেব্ৰুৱাৰীত উদযাপন কৰা ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মুখ্য অনুষ্ঠান শাখাৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। ১৯২৮ চনৰ ২৮ ফেব্ৰুৱাৰীত নোবেল বঁটা বিজয়ী ভাৰতীয় বিজ্ঞানী চি ভি ৰমণে আৱিষ্কাৰ কৰা 'ৰমণ প্ৰভাৱ'(Raman Effect)ৰ স্মৃতিত এই দিৱস পালন কৰা হয়। বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই নোবেল বঁটা বিজয়ী ছাৰ চি. ভি. ৰমণৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰুনুমণি দত্ত ভূঞা আৰু তেওঁৰ দলে অসম বিজ্ঞান সমিতিৰ শীৰ্ষক গীতটি পৰিৱেশন কৰে। শাখাৰ সাধাৰণ সম্পাদক ধীৰেন ডেকাই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি মুখ্য বক্তা নামৰূপ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপিকা ড° ৰঞ্জনা বৰা বৰদলৈক চিনাকি কৰাই দিয়ে। ড° বৰদলৈয়ে এইবাৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল বিষয়বস্তু 'বিকশিত ভাৰত গঢ়াত মহিলা বিজ্ঞানীৰ ভূমিকা''ৰ ওপৰত ভাষণ প্ৰদান কৰি পাৱাৰ পইণ্ট উপস্থাপনৰ জৰিয়তে ছাৰ চি. ভি. ৰমণৰ জীৱন কথা বৰ্ণনা কৰে আৰু প্ৰায় তিনিশ টকাৰ ভিতৰত প্ৰস্তুত কৰা সৰল সঁজুলিৰে তেওঁ কেনেদৰে নোবেল বঁটা অৰ্জন কৰিছিল সেই বিষয়েও আলোকপাত কৰে। তেওঁ লগতে ঋতু কাৰিধাল শ্ৰীবাস্তৱ, কল্পনা চাওলা আৰু সুনীতা উইলিয়ামছ আদি শীৰ্ষস্থানীয় মহিলা বিজ্ঞানীৰ ছবি প্ৰদৰ্শন কৰি 'চন্দ্ৰযান -৩' চন্দ্ৰ অভিযানৰ সফলতাৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদানৰ কথা উল্লেখ কৰে। ভাৰতীয় মহিলা বিজ্ঞানীসকলে দিনে-নিশাই সাধাৰণ জীৱন-যাপন কৰি বিজ্ঞান সাধনাত আত্মনিয়োগ কৰাৰ দৃষ্টান্তও তেওঁ তুলি ধৰে। বৈজ্ঞানিক অগ্ৰগতিৰ শিখৰত উপনীত হ'লেও পৰিৱেশ প্ৰদূষণৰ দ্বাৰা যাতে আমাৰ অস্তিত্ব বিপন্ন নহয় তাৰ যত্ন ল'ব ল'বলৈ তেওঁ শেষত সকলোকে আহ্বান জনায়। আন এগৰাকী বক্তা তথা বস্ত্ৰ-বয়ন আৰু হস্তশিল্প উদ্যোগী আৰু ২০২৪ চনৰ শীৰ্ষ ৫০ 'তেজস্বিনী আইডিয়াথন' বঁটা বিজয়ী মন্দিৰা মৰাণে অনুষ্ঠানত ভাষণ দি, তেওঁ মুম্বাই, দিল্লী তথা থাইলেণ্ড আদিৰ দৰে বিদেশী দেশত চৰকাৰী প্ৰদৰ্শনীত অংশগ্ৰহণ কৰাৰ অভিজ্ঞতা বৰ্ণনা কৰে। থাইলেণ্ডৰ লোকসকলে উদ্ভাৱনী চিন্তাধাৰাৰ জৰিয়তে বিস্ময়কৰ সফলতা অৰ্জন কৰা বুলি উল্লেখ কৰি আমি দক্ষতা বিকাশ আৰু বিপণনত এতিয়াও বহু পিছ পৰি থকা বুলি কয়। কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক আমন্ত্ৰিত অতিথিসকলে পুৰস্কাৰ প্ৰদান কৰে। ইয়াৰ পাছতেই অনুষ্ঠিত অসম বিজ্ঞান সমিতিৰ ডুমডুমা শাখাৰ মধ্যকালীন অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই দক্ষতা বিকাশ আৰু চাকৰি-মুখী বৃত্তিমূলক শিক্ষাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। সভানেত্ৰী ডঃ মীনা দেৱী বৰুৱাই নিজৰ ভাষণত বৈজ্ঞানিক মনোভাৱ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শেষত অসম সংগীতেৰে সভাৰ সমাপ্তি ঘটে।

# আছুৰ উদ্যোগত গোলাঘাটত কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ মাৰ্চ ঃ** গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ শাখা ছাত্ৰ গোট ছাত্ৰ সন্থাৰ সহযোগত আজি প্ৰয়াত ছাত্ৰ নেতা মাধুৰ্যজিৎ বৰা সোঁৱৰণী সদৌ অসম কুইজ প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰতিযোগিতাখনি শুভ উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামীয়ে। প্ৰয়াত মাধুৰ্যজিৎ বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মাধুৰ্যৰ পিতৃ তিখেশ্বৰ বৰাই। গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিমাংশু শইকীয়াই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞা, জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, প্ৰাক্তন ছাত্ৰ নেতা অধিবক্তা অংশুমান বৰুৱা, ঋতুপল্লৱ শইকীয়া, যুগান্তৰ নাথ, জ্যেষ্ঠ সাংবাদিক সিদ্ধাৰ্থ সন্দিকৈ আদি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। স্নাতকোত্তৰ পৰ্যায়লৈকে অনুষ্ঠিত কৰা প্ৰতিযোগিতাত অসমৰ বিভিন্ন ঠাইৰ ২০টা দলে অংশগ্ৰহণ কৰিছে।

# সোণাপুৰত হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিমূৰ্ত্তি উন্মোচন



**অসম বাৰ্তা, সোণাপুৰ, ১ মাৰ্চ ঃ** সোণাপুৰ ভাদুড়ী ক্ষেত্ৰৰ সোণাপুৰ সাহিত্য সভাৰ চৌহদত সোণাপুৰস্থিত ষ্টাৰ চিমেণ্ট লিমিটেডৰ সহযোগত হিয়াৰ আমঠু জুবিন গাৰ্গৰ ১০ফুট উচ্চতাৰ পূৰ্ণাঙ্গ প্ৰতিমূৰ্ত্তি এটি আজি আনুষ্ঠানিক ভাৱে উন্মোচন কৰে বিশিষ্ট লোকশিল্পী পদ্মশ্ৰী পখিলা লেকথেপীয়ে। প্ৰতিমূৰ্ত্তি উন্মোচন কৰাৰ লগতে সমবেত লোকসকলৰ উপস্থিতিত জুবিন গাৰ্গৰ মায়াবিনী শীৰ্ষক গীতটো পৰিবেশনৰ পিছত নাহৰৰ পুলি ৰোপণ কৰা হয়। সোণাপুৰ শতদল শাখা সাহিত্য সভাৰ সভাপতি ৰূপেন কুমাৰ চৌধুৰীয়ে আদৰণি ভাষণ ৰখা অনুষ্ঠানটোত কাৰ্বি পাহাৰ আৰু ভৈয়ামৰ সমন্বয়ৰ বাৰ্তা কঢ়িওৱা বিশিষ্ট লোকশিল্পী পদ্মশ্ৰী পখিলা লেকথেপীয়ে জুবিন গাৰ্গৰ স'তে পাৰ কৰা সময়ক সুঁৱৰি আৱেগিক হৈ পৰে। জুবিন গাৰ্গে নিজৰ বাইদেউ বুলি মানি লোৱা লেকথেপীয়ে পাহাৰীয়া বননিত ফুলি থকা এপাহি ফুল যদিও জুবিনৰ জৰিয়তে জুবিনৰ দ্বাৰা অসমত এই পৰ্যায়ত উপনীত হৈছো বুলি উল্লেখ কৰে। লগতে জুবিন গাৰ্গে শিল্পীসকলৰ জীৱন সদায় উদাৰ হৈ থাকে বুলিও উল্লেখ কৰি জুবিন গাৰ্গৰ অনুপস্থিতিত জুবিন গাৰ্গৰ অমৰ আত্মাই এই পৃথিৱী মাতৃৰ কোলাত জিলিকি থাকি উঠি অহা শিল্পী, নৱপ্ৰজন্ম, যুৱক-যুৱতী সকলক সদায় সন্মানেৰে আগুৱাই লৈ যাব বুলি মত প্ৰকাশ কৰে। সোণাপুৰ কলেজৰ অৱসৰী অধ্যক্ষ ড° দেৱব্ৰত খনিকৰে জুবিন গাৰ্গক অধ্যাপনা কৰিব বিচৰাসকৰ বাবে জুবিন গাৰ্গৰ অন্তিম স্থলত গৱেষণা কেন্দ্ৰ স্থাপনত সহযোগিতা আগবঢ়াবলৈ ষ্টাৰ চিমেণ্ট লিমিটেডক পৰামৰ্শ দিয়ে। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল বৰ্মনে সোণাপুৰক সোণৰ লগত তুলনা কৰি সোণাপুৰত জুবিন গাৰ্গৰ পূৰ্ণাঙ্গ প্ৰতিমূৰ্ত্তি স্থাপন হোৱাত সোণত আকৌ সুৱগা চৰিল বুলি উল্লেখ কৰি জুবিন গাৰ্গৰ স্মৃতিসমূহ জীয়াই ৰাখিবলৈ তেওঁ নিজাববীয়াকৈ ২০ ছেপ্টেম্বৰ তাৰিখৰ পৰা প্ৰকাশিত মান্য ৯খন বাতৰি কাকতৰ লেখাসমূহ সংগ্ৰহ কৰি এক বৃহৎ কলেৱৰ প্ৰস্তুত কৰিছে বুলি মত প্ৰকাশ কৰে। সোণাপুৰ শতদল শাখা সাহিত্য সভাৰ সম্পাদক শোভন ফুকনে শলাগৰ শৰাই আগবঢ়োৱা সভাখনত সোণাপুৰ কলেজৰ অধ্যক্ষ ড° বেদব্ৰত শইকীয়া, কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ সম্পাদক অৰুণ কুমাৰ মহন্ত, ষ্টাৰ চিমেণ্ট লিমিটেড্ মুখ্য পৰিচালন সঞ্চালক বিশ্বজিৎ শইকীয়া, সহকাৰী মহাপ্ৰবন্ধক সুকন্যা গোস্বামী, কাৰবি আলং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দেৱেন কাকতি, অসম সাহিত্য সভাৰ ক্ষুদ্ৰ আলোচনীৰ কাৰ্যকৰী সভাপতি ডাঃ ব্ৰহ্মানন্দ বৰাৰ লগতে শতাধিক লোকে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত জাতীয় সংগীত পৰিৱেশনেৰে সামৰণি পৰে।

# গোলাঘাটৰ ঐতিহাসিক ত্ৰিশূল মন্দিৰত শ্ৰীশ্ৰী হৰ গৌৰী মহাযজ্ঞ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১ মাৰ্চ ঃ** গোলাঘাট জিলাৰ ঐতিহাসিক ত্ৰিশূল মন্দিৰ পৰিণত হৈছে তীৰ্থস্থানত। গোলাঘাটৰ ঐতিহ্যমণ্ডিত ত্ৰিশূল মন্দিৰত যোৱা ২৬ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা শ্ৰী শ্ৰী হৰ-গৌৰী মহাযজ্ঞত বিপুল সমাৱেশেৰে মুখৰিত হৈছে। আধ্যাত্মিক পৰিৱেশত বিলীন ৰাজ্যখনৰ বিভিন্ন ঠাইৰ পৰা সমাগম হোৱা শ-শ লোক। আজি আধ্যাত্মিক ৰীতি-নীতিৰ মাজেৰে যজ্ঞকৰ্ম সমাপন, পূৰ্ণাহুতি, শান্তি শুভাশিস, নিৰ্মালি প্ৰদান, কুমাৰী পূজা, প্ৰৰ্দশিন আদি মাংগলিক কাৰ্যসূচীৰ অন্ত পৰে চাৰিদিনীয়া শ্ৰীশ্ৰী হৰগৌৰী মহাযজ্ঞৰ। উল্লেখযোগ্য যে, গোলাঘাটৰ এই ত্ৰিশূল মন্দিৰত সেৱা আগবঢ়ালে নাইবা এনেধৰণে আয়োজন কৰা মহাযজ্ঞত অংশ লৈ সেৱা ল'লে মনোবাঞ্ছা পূৰণ হয় বুলি ৰাইজে বিশ্বাস আৰু আস্থা প্ৰকাশ কৰি আহিছে। বহুজনে ত্ৰিশূল মন্দিৰত সেৱা লৈ ইপ্সিত সুফলো লাভ কৰিছে। যাৰ বাবে প্ৰতিদিনেই সমাগম ঘটে বিভিন্ন ঠাইৰ ভক্তপ্ৰাণ ৰাইজৰ। মহিমামণ্ডিত মন্দিৰভাগিৰ এই যজ্ঞৰ সফল ৰূপায়ণত সকলোকে কৃতজ্ঞতা জনাইছে মন্দিৰ কৰ্তৃপক্ষই।

অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাক ডি লীট ডিগ্ৰী প্ৰদান

# নামচাইস্থিত অৰুণাচল ইউনিভাৰচিটি অৱ ষ্টাডিছৰ দশম সমাৱৰ্তন অনুষ্ঠান সম্পন্ন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ মাৰ্চ ঃ** অৰুণাচল প্ৰদেশৰ নামচাইস্থিত অৰুণাচল ইউনিভাৰচিটি অৱ ষ্টাডিছৰ দশম সমাৱৰ্তন অনুষ্ঠান শনিবাৰে অনুষ্ঠিত হৈ যায়। এই বাৰ বিশ্ববিদ্যালয়খনৰ মুঠ ১, ৮২১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰে, ইয়াৰে ৮৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে, য'ত আছিল ৩৫ গৰাকী পি.এইচ.ডি. আৰু ৪৭ গৰাকী স্বৰ্ণ পদক বিজয়ী। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক অজেয়া ঝাই আদৰণি ভাষণত স্নাতক উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক উৎকৰ্ষ, গৱেষণা আৰু নৈতিক মূল্যবোধৰ প্ৰতি দায়বদ্ধতাক দোহাৰে। তেওঁ স্নাতকসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকক পেছাদাৰী কেৰিয়াৰত নামি পৰাৰ সময়ত সততা আৰু সেৱাৰ মনোভাৱ বৰ্তাই ৰাখিবলৈ আহবান জনায়। সমাৱৰ্তনৰ মুখ্য অতিথি তথা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ ন্যায়াধীশ ভি ৰামাসুব্ৰমণিয়ামে নিজৰ ভাষণত উপনিষদৰ পৰা দাৰ্শনিক শিক্ষাৰ ওপৰত আলোকপাত কৰে। তেওঁ যুৱ স্নাতকসকলে নিজৰ কথা আৰু কৰ্মৰ প্ৰতি সচেতন হোৱাৰ উপৰিও নিজৰ দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ আহবান জনোৱাৰ লগতে ব্যক্তিগত আচৰণে সামূহিকভাৱে জাতিটোৰ নৈতিক আৰু নাগৰিক ভেটি গঢ় দিয়ে বুলি উল্লেখ কৰে। বিশ্ববিদ্যালয়খনৰ আচাৰ্য কমল লোচনে উদ্ভাৱনী কাৰ্যসূচী, আধুনিক আন্তঃগাঁথনি আৰু গৱেষণামুখী পদক্ষেপৰ জৰিয়তে শৈক্ষিক সুযোগ সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়খনৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ নামচাইৰ উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ নেতৃত্বৰ ভূমিকাৰ শলাগ লয়। 'ওৱৰ্ল্ড এডুকেশ্বন মিছন'ৰ অধ্যক্ষ ড° অশ্বিনী লোচনে বিশ্ববিদ্যালয়খনৰ অগ্ৰগতিৰ বিষয়ে উল্লেখ কৰে। এই অনুষ্ঠানতে বিশ্ববিদ্যালয়খনে লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা (অৱসৰপ্ৰাপ্ত) ক তেওঁৰ বিশিষ্ট সামৰিক সেৱা আৰু নেতৃত্বৰ স্বীকৃতি স্বৰূপে ড° অৱ লিটাৰেচাৰ (অনৰিছ কাউছা) উপাধি প্ৰদান কৰে। নিজৰ ভাষণত জেনেৰেল কলিতাই ৰাষ্ট্ৰীয় সেৱাৰ অৱদান আৰু ভাৰতীয় সেনাৰ পেছাদাৰী আৰু নৈতিক পৰম্পৰাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানটোৰ সামৰণিত পঞ্জীয়ক দিব্যাংশু গোৱেলে উপস্থিত আটাইকে ধন্যবাদ জ্ঞাপন কৰি গণ্য-মান্য ব্যক্তি, অধ্যাপক, সদস্য, ছাত্ৰ-ছাত্ৰী আৰু আয়োজকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানত নামচাই আৰু লোহিত জিলাৰ জ্যেষ্ঠ প্ৰশাসনিক বিষয়া, ওৱৰ্ল্ড এডুকেশ্বন মিছনৰ প্ৰতিনিধি, বিশ্ববিদ্যালয়খনৰ পৰিচালনাৰ সৈতে জড়িত কৰ্মকৰ্তা-সদস্যসকল উপস্থিত আছিল। ৰাষ্ট্ৰীয় সংগীতেৰে সমাপ্ত হোৱা অনুষ্ঠানৰ অন্তত ছাত্ৰ-ছাত্ৰী আৰু গণ্য-মান্য ব্যক্তিৰ মাজত এক আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়।

ভাগৱত শোভাযাত্ৰাত অংশ ল'লে অগণন ৰাইজে

# মাজুলীৰ আদৰ্শ বৰবাৰী গাঁৱত অখণ্ড ভাগৱত পাঠ আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ১ মাৰ্চ ঃ** মাজুলীৰ আদৰ্শ বৰবাৰী গাঁৱত গাঁও উন্নয়ন সমিতিৰ সৌজন্যত আজিৰ পৰা তিনিদিনীয়া ভাগৱত পাঠ আৰম্ভ হৈছে। আদৰ্শ বৰবাৰী গাঁৱৰ নামঘৰত আজি পুৱা ঊষা কীৰ্তন পৰিৱেশনৰে উক্ত আধ্যাত্মিক অনুষ্ঠান শুভাৰম্ভ কৰা হয়। গাঁও খনত প্ৰতি ঘৰতে উক্ত, ভাগৱত পাঠ উপলক্ষে এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে। আজি পুৱা গাঁৱৰ ৰাইজে ঊষা কীৰ্তন, সামূহিক চাফাইৰ পাছত এক বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত, গছপুলি ৰোপণ কাৰ্যসূচী শুভাৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী তথা প্ৰকৃতি প্ৰেমী অতুল চন্দ্ৰ হাজৰিকাই। উক্ত, অনুষ্ঠানত গাঁৱৰ যুৱ সমাজকৰ্মী প্ৰণৱ ভূঞাই যোগান ধৰা কুৰিটা মেহগনি গছপুলি ৰোপণ কৰা হয়। তাৰপিছত ধৰ্মধ্বজ উত্তোলন কৰে আদৰ্শ বৰবাৰী গাঁৱৰ উন্নয়ন সমিতিৰ সভাপতি অনিল শইকীয়াই। স্মৃতি তৰ্পণ কৰে পুতুল শইকীয়াই। পুৱা ন'বজাত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে ভাগৱত শোভাযাত্ৰা কৰা হয়। মূল নামঘৰৰ পৰা আৰম্ভ হোৱা উক্ত, ভাগৱত শোভাযাত্ৰাত অগণন ভক্তই অংশগ্ৰহণ কৰি নাম-কীৰ্তন পৰিৱেশন কৰে। সমগ্ৰ গাঁওখনত উক্ত ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। তাৰপিছত বন্তি প্ৰজ্বলন আৰু বেদীত ভাগৱত প্ৰতিষ্ঠা কৰা হয়। দুপৰীয়া হেমচন্দ্ৰ ভূঞাৰ পৰিচালনাৰে নাম প্ৰসংগৰ পাছতে ভাগৱত পাঠৰ শুভাৰম্ভ কৰা হয়। মূল পাঠক হিচাপে গোপাল ভূঞাই অংশগ্ৰহণ কৰে। তাৰপিছত ৰাতিলৈকে ভাগৱত পাঠ কৰা হয়। উক্ত, অখণ্ড ভাগৱত পাঠ অনুষ্ঠান উপলক্ষে কাইলৈ ২ মাৰ্চত অখণ্ড ভাগৱত পাঠৰ সমগ্ৰ দিন ৰাতি চলিব। ৩ মাৰ্চত বিয়লি অখণ্ড ভাগৱত পাঠৰ সামৰণী অনুষ্ঠান আৰু বেদী বিসৰ্জন দিয়া হ'ব। সেইদিনা সন্ধিয়া বৰবাৰী গাঁৱৰ যুৱকসকলে "শ্ৰী শ্ৰী ভগৱত দৰ্শন" ভাওনা প্ৰদৰ্শন কৰা হ'ব।

কোটি টকাৰ সম্পত্তি জাহ গ'ল জুইত; ক্ষয় -খতিৰ বুজ ল'লে বিধায়ক আমিনুল ইসলাম আৰু আব্দুল আজিজে

# ৰূপহীহাটৰ জ্ঞান বিকাশ বিদ্যাপীঠত ভয়ংকৰ অগ্নিকাণ্ড



**অসম বাৰ্তা, ৰূপহীহাট, ১ মাৰ্চ ঃ** ৰূপহীহাটৰ ব্যাক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান তথা শিক্ষাৰ নৱ জাগৰণ অনা জ্ঞান বিকাশ বিদ্যাপীঠত আজি পুৱাৰ ভাগত এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। ৰূপহীহাটৰ পুথিখাইটিস্থিত বিদ্যালয়খন আৱাসিক হোষ্টেলত বিদ্যুতৰ চৰ্ট ছাৰ্কিটৰ ফলত সূত্ৰপাত হোৱা জুইত নিমিষতে সকলো আচবাব, কিতাপ পত্ৰ জ্বলি ছাই হৈ পৰে। উল্লেখ্য যে মেট্ৰিক-হায়াৰ ছেকেণ্ডাৰীৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ মাজতে এই ঘটনাৰ সংঘটিত হোৱাৰ লগে লগে বিদ্যালয়খনত হুৱা-দুৱাৰ সৃষ্টি হয়। প্ৰায় আঢ়ৈ হাজাৰ ছাত্ৰ ছাত্ৰীয়ে অধ্যয়ন কৰা বিদ্যালয়খনত জুইৰ সূত্ৰপাত হোৱাত ৯০ শতাংশ সা-সামগ্ৰী জুইত জাহ যায়। অগ্নিকাণ্ডত ছাত্ৰ ছাত্ৰীৰ কিতাপ পত্ৰৰ পৰা আৰম্ভ কৰি নথি পত্ৰসহ কাপোৰ কানি আদি নিঃশেষ হৈ পৰে। অগ্নিকাণ্ডত আৱাসিক ছাত্ৰ-ছাত্ৰীক ৰাইজে উদ্ধাৰ কৰি আনে যদিও কিছু পৰিমাণে একাংশ শিক্ষাৰ্থী আঘাতপ্ৰাপ্ত হোৱা বুলি জানিব পৰা গৈছে। পুৱা ৭ বজাৰ পাছত সংঘটিত এই ভয়াৱহ অগ্নিকাণ্ডৰ সময়তে ৰাইজে অগ্নি নিৰ্বাপক বাহিনীক বাৰম্বাৰ যোগাযোগ কৰাৰ পাছতো ডেৰ ঘণ্টা পলমকৈ উপস্থিত হোৱাত উপস্থিত ৰাইজ আৰু ছাত্ৰ ছাত্ৰী ক্ষুব্ধ হৈ পৰে। বিদ্যালয় কৰ্তৃপক্ষই জনোৱা মতে অগ্নিকাণ্ডৰ ফলত নথিপত্ৰৰ লগতে কোটি টকাৰ সা সম্পত্তিৰ জুইত পুৰি বিনষ্ট হৈছে। অগ্নিকাণ্ডৰ খবৰ পাই ঘটনাস্থলীত বিধায়ক আমিনুল ইসলাম আৰু ৰূপহীহাটৰ প্ৰাক্তন বিধায়ক আব্দুল আজিজ উপস্থিত হৈ বিদ্যালয় খনৰ ক্ষয় খতিৰ বুজ লোৱাৰ লগতে ৰূপহীত এটা অগ্নিনিৰ্বাপক বাহিনী দিয়াৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। আনপিনে হাতীচোং কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক নেকিবুৰ ৰহমানে অগ্নিকাণ্ডৰ ফলত জ্ঞান বিকাশ বিদ্যালয়ত অধ্যায়ন কৰা পাঁচটাকৈ জিলাৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষতি হয় বুলি সংবাদ মাধ্যমৰ আগত জানিব দিয়ে। যিহেতু বৰ্তমান মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডাৰী পৰীক্ষা চলি আছে সেইকাৰণে সকলোৱে ক্ষতি হোৱা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক সহায়ৰ হাত আগবঢ়োৱাৰ আহ্বান জনায়।

# নাজিৰাৰ লখিমী আলিৰ গুণ গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, নামতি, ১ মাৰ্চ ঃ** নাজিৰা লখিমী আলিৰ ১০নং ৱাৰ্ডৰ নিবাসী অ' এন জি চিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী যাদৱ গগৈৰ সহধৰ্মিনী গুণ গগৈৰ যোৱা শুকুৰবাৰে দিনৰ ১১ মান বজাত ডিব্ৰুগড়ৰ অপেক্ষা হাস্পতালত হৃদযন্ত্ৰৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটে। নাজিৰাৰ বিভিন্ন ধৰণৰ সামাজিক ক্ষেত্ৰৰ লগত জড়িত হৈ থকা ধৰ্মপ্ৰাণ ব্যক্তি গৰাকীৰ মৃত্যুত শোকত ম্ৰিয়মাণ হৈ পৰে পৰিয়ালবৰ্গৰ লগতে নাজিৰা বাসী ৰাইজ। মৃত্যুৰ সময়ত তেওঁ স্বামী, দুই পুত্ৰ, এগৰাকী বোৱাৰী আৰু নাতিনীসহ পৰিয়ালক ইহ সংসাৰত এৰি থৈ যায়।

দুবছৰে শদিয়াত ৰাইজৰ দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাত লৈছিল বিশেষ ভূমিকা

# অখিলৰ সংগ এৰিব শদিয়াৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী যুধিষ্ঠিৰ গগৈয়ে

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১ মাৰ্চ ঃ** অচিৰেই ৰাইজৰ দল এৰিব পাৰে উপ-সভাপতি যুধিষ্ঠিৰ গগৈয়ে। বিজেপিৰ পৰা আহি প্ৰায় দুবছৰৰ পূৰ্বে ৰাইজৰ দলত যোগদান কৰা যুধিষ্ঠিৰ গগৈয়ে প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিয়েই দলত্যাগ কৰিবলৈ সাজু হোৱা বুলি এক নিৰ্ভৰযোগ্য সূত্ৰ যোগে জানিব পৰা গৈছে। জানিব পৰা মতে, কেইদিনমানৰ ভিতৰতে ৰাইজৰ দল ত্যাগ কৰিব উপ-সভাপতি যুধিষ্ঠিৰ গগৈয়ে। উল্লেখযোগ্য যে, সভাপতি অখিল গগৈয়ে '২৬ৰ বিধানসভা নিৰ্বাচনত শদিয়া সমষ্টিত দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ প্ৰতিশ্ৰুতিৰে ৰাইজৰ দলত যোগদান কৰাইছিল জ্যেষ্ঠ বিজেপি নেতা তথা উজনি অসমৰ অন্যতম প্ৰভাৱশালী ৰাজনীতিবিদ যুধিষ্ঠিৰ গগৈক। শদিয়াৰ বহু পুৰণি বিজেপি তথা আৰএছএছ নেতা যুধিষ্ঠিৰ গগৈয়ে বিজেপিৰ শীৰ্ষ নেতৃত্বৰ কাম-কাজ আৰু সিদ্ধান্তত অসন্তুষ্ট হৈয়ে ২০২৪ বৰ্ষৰ ১১ জুলাইত বিজেপি দল ত্যাগ কৰিছিল। ২০০৩ চনৰ পৰাই আৰএছএছৰ সৈতে জড়িত যুধিষ্ঠিৰ গগৈ বিজেপি দলৰ এগৰাকী অত্যন্ত প্ৰভাৱশালী নেতা হিচাপে পৰিচিত আছিল। ৰাজ্যৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী আৰু সাংস্কৃতিক কৰ্মী যুধিষ্ঠিৰ গগৈয়ে ২০০৩ চনৰ পৰাই বিজেপিত সক্ৰিয়তাৰে কাম-কাজ চলাই নিছিল। অসমত প্ৰথমবাৰলৈ বিজেপি চৰকাৰ শাসনলৈ অহাৰ পিছত ৰাজ্যিক বিজেপিৰ অন্যতম সাংগঠনিক জিলা সমিতি তথা বৰ্তমান বিলুপ্ত হোৱা শদিয়া জিলা সমিতিক দুবাৰকৈ সৱল ৰূপত নেতৃত্ব দিয়া যুধিষ্ঠিৰ গগৈয়ে ধেমাজি জিলাৰ প্ৰভাৰীৰ দায়িত্বতো কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৬ চনৰ পাছত শদিয়া জিলা সমিতিৰ দুটা কাৰ্যকালৰ সভাপতি যুধিষ্ঠিৰ গগৈ এসময়ত তিনিচুকীয়া জিলা যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক, বুথ তথা সমষ্টি প্ৰভাৰী, জিলাৰ উপ-সভাপতি, দলৰ সংস্কৃতি কোষৰ জিলা আহ্বায়কৰ লগতে ২০২১ৰ বিধানসভা নিৰ্বাচনত সমষ্টি পৰ্যবেক্ষক পদতো কাৰ্যনিৰ্বাহ কৰিছিল। ২০১৬ আৰু ২০২১ৰ বিধানসভা নিৰ্বাচনত শদিয়া সমষ্টিত দলীয় টিকটৰ প্ৰবল দাবীদাৰ হৈও মূৰকত টিকটৰ পৰা বঞ্চিত হোৱা যুধিষ্ঠিৰ গগৈ ২০২৪ৰ লোকসভা নিৰ্বাচনত লখিমপুৰ লোকসভা সমষ্টিৰ এগৰাকী শক্তিশালী দাবীদাৰ আছিল। 'অসম জনসংঘ' নামৰ সংগঠনৰ অন্যতম প্ৰতিষ্ঠাতা যুধিষ্ঠিৰ গগৈয়ে মূলত বিজেপিৰ শীৰ্ষ নেতৃত্বৰ কাম-কাজত অসন্তুষ্ট হৈ বিজেপি দল ত্যাগ কৰি ৰাইজৰ দলত যোগদান কৰিয়েই উপ-সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিছিল। যোৱা প্ৰায় দুটা বছৰে শদিয়া সমষ্টিত ৰাইজৰ দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাত যৎপৰোনাস্তি চেষ্টা চলোৱা যুধিষ্ঠিৰ গগৈয়ে '২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্যৰে ৰাইজৰ দলত যোগদান কৰিছিল যদিও সমাগত নিৰ্বাচনত প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাৰ আশংকা কৰিয়েই ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱা বুলিব পাৰি। বিজেপিৰ পিছত পুনৰ ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱা যুধিষ্ঠিৰ গগৈয়ে ৰাজনৈতিক জীৱনৰ তৃতীয় ইনিংছ কোনটো দলৰ জৰিয়তে চলাই নিব, সেয়া অদ্যাপি জানিব পৰা হোৱা নাই যদিও যুধিষ্ঠিৰ গগৈয়ে যিকোনো পৰিস্থিতিত এই বাৰ শদিয়াত নিৰ্বাচন খেলাটো নিশ্চিত হোৱাক লৈ চাই যুধিষ্ঠিৰ গগৈয়ে অতি কম সময়ৰ ভিতৰতে ৰাইজৰ দল ত্যাগ কৰি এক নতুন আঞ্চলিক ৰাজনৈতিক দল খুলি দলটোক নেতৃত্ব দিয়াৰ সম্ভাৱনাই অধিক। যুধিষ্ঠিৰ গগৈয়ে ৰাইজৰ দল ত্যাগ কৰিবলৈ সাজু হোৱাটোৱে এক বিশেষ ইংগিত বহন কৰা লগতে যুধিষ্ঠিৰ গগৈৰ দৰে এগৰাকী অতি প্ৰভাৱশালী আৰু শক্তিশালী নেতাই এই দৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত দল ত্যাগ কৰিবলৈ প্ৰস্তুত হোৱাটোৱে উজনি অসমৰ ৰাজনীতিত এক বিশেষ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। সভাপতি অখিল গগৈয়ে এই সন্দৰ্ভত কি স্থিতি গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

# মাজুলীৰ আদৰ্শ সমাজকৰ্মী ঘনশ্যাম শইকীয়াৰ শ্ৰদ্ধাঞ্জলি-গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, মাজুলী, ১ মাৰ্চ ঃ** মাজুলীৰ এজন স্বনামধন্য ব্যক্তি, বিশিষ্ট সমাজকৰ্মী, মাজুলী মহাবিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ ঘনশ্যাম শইকীয়াৰ জীৱনৰ পৰিক্ৰমা সামৰি প্ৰস্তুত কৰা শ্ৰদ্ধাঞ্জলি-গ্ৰন্থ 'বৰেণ্য-বিভূষণ ঘনশ্যাম শইকীয়া' আজি মাজুলী মহাবিদ্যালয়ত উন্মোচন কৰা হয়। অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সম্পাদনাত প্ৰকাশিত গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰে মাজুলীৰ ঐতিহ্যমণ্ডিত ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামীয়ে। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষ'ত পুৱা ১১.০৫ বজাৰ পৰা অনুষ্ঠিত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাৰ পূৰ্বে সমাজ সংগঠক ঘনশ্যাম শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য প্ৰদান কৰে ক্ৰমে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অন্নদা শইকীয়াই। সম্পাদনা সমিতিৰ সদস্যা, অধ্যাপিকা ৰুবী বৰাই আঁত ধৰা সভাখনি উদ্বোধন কৰে বিশিষ্ট অনাতাঁৰ গীতিকাৰ, ঘনশ্যাম শইকীয়াৰ একালৰ সহকৰ্মী প্ৰফুল্ল খাটনিয়াৰে। সভাৰ আৰম্ভণিতে সকলোকে আদৰণি জনায় শইকীয়াৰ জ্যেষ্ঠ পুত্ৰ, বিশিষ্ট স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ অমৃত কুমাৰ শইকীয়া আৰু কনিষ্ঠ পুত্ৰ অধ্যাপক উত্তম শইকীয়াই। গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰি আগবঢ়োৱা বক্তব্যত সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে গীতা-ভাগৱতৰ প্ৰসংগৰে মানৱ জীৱন সাৰ্থক হোৱাৰ বাটত সমাজ সেৱা এক অন্যতম মহৎ কৰ্ম বুলি অভিহিত কৰে। লগতে মাজুলীবাসীৰ অন্তৰত এতিয়াও এক বিশেষ স্থান অধিকাৰ কৰি থকা এই ব্যক্তিগৰাকীৰ শ্ৰদ্ধাঞ্জলি-গ্ৰন্থৰ দ্বাৰা অমৰ হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। সভাপতিৰ মন্তব্যত ড° দেৱজিৎ শইকীয়াই কয়, "অমায়িক আৰু বিনীত ভাবাপন্ন সৎ পুৰুষ, অজাতশত্ৰু ঘনশ্যাম শইকীয়া আছিল সঁচা মানৱতাবাদী ভাৱধাৰাৰে উদ্বুদ্ধ এগৰাকী অত্যন্ত ভদ্ৰলোক। খং, অহংকাৰ, ফিতাহি আদি অপহুতা উপসৰ্গসমূহৰ পৰা যেন নিজকে নিলগাই ৰাখি সৰল-সমাহিত জীৱন যাপনতে তেওঁ বিচাৰি পাইছিল জীয়াই থকাৰ চৰম সুখানুভূতি।" পৰিয়ালৰ ফালৰ পৰা জ্যেষ্ঠ পুত্ৰ, বিশিষ্ট স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ অমৃত কুমাৰ শইকীয়া আৰু কনিষ্ঠ পুত্ৰ অধ্যাপক উত্তম শইকীয়াই ব্যক্তিগৰাকীৰ জীৱনৰ কিছু বিশেষ ক্ষণৰ কথা ৰাইজৰ আগত ব্যক্ত কৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুকুল চন্দ্ৰ বৰা আৰু গুৱাহাটী জিএনআৰ চিৰ চিকিৎসক ডাঃ নৱনীল বৰুৱাই ঘনশ্যাম শইকীয়াৰ বৰেণ্য ব্যক্তিত্ব সম্পৰ্কে বক্তব্য আগ বঢ়ায়। সভাত ঘনকান্ত নাথ, কৰুণা বৰা, ডলী বৰুৱা, দীপক বৰা, কমল চন্দ্ৰ শইকীয়া, যোগেন দত্ত বায়ন, কৃষ্ণকমল শইকীয়া, ৰঞ্জিৎ কুমাৰ ভূএগ, নবীন শইকীয়া, সুৰেন্দ্ৰ নাথ মুদৈ, ধৰণীধৰ বৰা, কৃষ্ণ ভূএগ গায়ন, বলোৰাম কলিতা, সৰ্বানন্দ বৰা, ক্ষীৰেশ্বৰ শইকীয়া, অৰুণ কুমাৰ পাঠক, ডিম্বেশ্বৰ দত্ত, দধি বৰুৱা, থানেশ্বৰ শইকীয়া, ডিম্বেশ্বৰ শইকীয়া, ভৰত শইকীয়া, যোগেন শইকীয়া, দিলীপ শইকীয়া, উপেন শইকীয়া, দ্বীজেন দত্ত, মুক্তিনাথ দত্ত, কাজল দত্ত, দীন শইকীয়া, বিপুল শইকীয়া, মুনীন্দ্ৰ ভূএগ, যতীন শইকীয়া, ৰবীন শইকীয়া, পৰিৱেশকৰ্মী-শিক্ষাবিদ অতুল হাজৰিকা, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, আই কিউ এ চিৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন চন্দ্ৰ বৰা, অপূৰ্বজ্যোতি হাজৰিকা, ড° ৰূপজ্যোতি বৰা, তুলসী ৰাজখোৱা, দেৱজ্যোতি খাটনিয়াৰ, দীনেশ পেগু, আচাৰ্য মোহন দাস, প্ৰজ্ঞা পাৰমিতা কৌশিক প্ৰমুখ্যে দ্বি-শতাধিক লোক উপস্থিত থাকে।

# পুৰণিগুদামত "ইউৰো কিডছ" বিদ্যালয়ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, পুৰণিগুদাম, ১ মাৰ্চ ঃ** নগাঁও জিলাৰ পুৰণিগুদামত আজি শুভ উদ্বোধন হয় "ইউৰো কিডছ" নামৰ এখন বিজ্ঞানসন্মত বিদ্যালয়। পুৰণিগুদাম অঞ্চলত বহুদিনীয়া অভাৱ দূৰ কৰি শিশু বিকাশৰ এক শিক্ষা অনুষ্ঠান "ইউৰো কিডছ" নামৰ বিদ্যালয়খনৰ শুভ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বালন কৰে শিক্ষাবিদ তথা বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰনাথ গায়ন, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল সভাপতি তথা প্ৰাক্তন প্ৰধান শিক্ষক পুলিন হাজৰিকা, পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক তথা বিশিষ্ট সমাজসেৱক দ্বীপেন বৈৰাগীয়ে। নগাঁও জিলাৰ পুৰণিগুদামত ইউৰো কিডছ নামৰ বিদ্যালয়খন শুভ উদ্বোধন কৰি বিশিষ্ট শিক্ষাবিদ তথা বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰনাথ নাথ গায়নে ভাষণ প্ৰসংগত কয় যে, শিশুৰ শাৰীৰিক, মানসিক আৰু নৈতিক বিকাশৰ লগতে আধ্যাত্মিক চিন্তা চেতনাৰ ওপৰত এই বিদ্যালয়খনে শিক্ষা প্ৰদান কৰি এজন উপযুক্ত ছাত্ৰ বা ছাত্ৰী হিচাপে নিৰ্মাণ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। উক্ত শুভ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুলিন হাজৰিকা উপস্থিত থাকি পুৰণিগুদামৰ শিক্ষা আৰু সংস্কৃতিকে ধৰি বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰাৰ লগতে উক্ত বিদ্যালয়খনে পুৰণিগুদামত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। উক্ত শুভ উদ্বোধনী অনুষ্ঠানত বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক দ্বীপেন বৈৰাগী উপস্থিত থাকি শিশু বিকাশৰ ক্ষেত্ৰত "ইউৰো কিডছ" বিদ্যালয়খনে সমাজত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। বিদ্যালয়খনৰ সঞ্চালক ভাস্কৰ নাৰায়ণ পাঠকৰ পৰিচালনাত অনুষ্ঠিত হোৱা শুভ উদ্বোধনী অনুষ্ঠানত কেইবাগৰাকী শিল্পীয়ে নৃত্য প্ৰদৰ্শন কৰে। "ইউৰো কিডছ"ৰ অধ্যক্ষা চয়নিকা ভাগৱতী গোস্বামীয়ে আঁত ধৰা শুভ উদ্বোধনী অনুষ্ঠানত পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ সহঃ সম্পাদক বিৰিঞ্চি বৰাকে ধৰি স্থানীয় বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি উক্ত বিদ্যালয়খনৰ বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। আজিৰ উদ্বোধনী সভাখনত নগাঁও জিলাৰ বিভিন্ন স্থানৰ লগতে স্থানীয় বহুসংখ্যক ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, উক্ত বিদ্যালয়খনত দুবছৰৰ পৰা আৰম্ভ কৰি ছয় বছৰীয়া শিশুসকলক বিজ্ঞানসন্মত ভাবে শাৰীৰিক, মানসিক, নৈতিকতা আৰু আধ্যাত্মিকতাকে ধৰি বিভিন্ন দিশৰ ওপৰত শিক্ষা প্ৰদান কৰা হ'ব বুলি বিদ্যালয়খনৰ সঞ্চালক ভাস্কৰ নাৰায়ণ পাঠকে জানিবলৈ দিয়ে। উক্ত বিদ্যালয়খনত শিশুসকলৰ নামভৰ্তিৰ কাম চলি আছে বুলি অধ্যক্ষা চয়নিকা ভাগৱতী গোস্বামীয়ে জানিবলৈ দিয়ে।

৫০ বিঘা ভূমিৰ প্ৰতিষ্ঠান পৰিণত হ'ল এৰা বাৰীলৈ

# গহপুৰৰ জনপ্ৰতিনিধি, চৰকাৰৰ চূড়ান্ত অৱহেলা



**অসম বাৰ্তা, গহপুৰ, ১ মাৰ্চ ঃ** অসম চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ তথা গহপুৰ সমষ্টিৰ জনপ্ৰতিনিধিৰ গুৰুত্বহীনতাৰ বাবেই গহপুৰৰ বহু যুৱক-যুৱতী, পুৰুষ-মহিলাক কৰ্ম সংস্থাপনৰ পথ দেখুওৱা এক প্ৰতিষ্ঠান বৰ্তমান ধ্বংসৰ গৰাহলৈ গতি কৰিলে। উল্লেখ্য যে অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি, ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰা গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক আৰু অসম চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয় মন্ত্ৰী হৈ থকা অৱস্থাতে গহপুৰ মহকুমাৰ ব্ৰহ্মাজান আৰু বৰঙাবাৰীৰ মধ্যস্থল খাটৰবাৰীত স্থাপন কৰা হৈছিল অসম ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান(SIRD)ৰ Growth Centre for Economic Empowerment of Rural People নামৰ এক প্ৰতিষ্ঠান। ৫০বিঘাৰো অধিক ভূমিক সামৰি স্থাপন কৰা প্ৰতিষ্ঠানটোত মাছৰ পোনা উৎপাদন, কেইবাটাও বৃহৎ বৃহৎ পুখুৰী খান্দি মৎস্য পালনৰ ব্যৱস্থা, বৃহৎ পৰিসৰত হাঁহ কুকুৰাৰ পোৱালি উৎপাদনৰ ব্যৱস্থা, গো পালন, গাহৰি পালনকে ধৰি বিভিন্ন সুবিধা সংযোজিত আছিল। ইয়াৰ উপৰিও যুৱক-যুৱতী, পুৰুষ-মহিলা, আত্ম সহায়ক গোটৰ সদস্য-সদস্যা সকলক হস্ত তাঁত বস্ত্ৰ শিল্পকে ধৰি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ প্ৰদানেৰে আত্মনিৰ্ভৰশীলতাৰ পথ দেখোৱাৰো সু ব্যৱস্থা উপলব্ধ আছিল। লগতে আছিল পঞ্চায়ত প্ৰতিনিধি সকলক প্ৰশিক্ষণ প্ৰদানৰো সুবিধা। সেই সময়ত শতাধিক নিৱনুৱা যুৱক-যুৱতী, পুৰুষ-মহিলাই উক্ত প্ৰতিষ্ঠানটোৰ লগত জড়িত হৈ কৰ্ম সংস্থাপনৰ বাট বুলিবলৈ সক্ষম হৈছিল যদিও গহপুৰ সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ চূড়ান্ত হেমাহিৰ ফলত প্ৰতিষ্ঠানটো ১০/১২ বছৰ মান কাৰ্যক্ষম হৈ থকাৰ পাছত একেবাৰেই বিকল হৈ পৰিল। যাৰ ফলত প্ৰতিষ্ঠানটোৰ কাৰ্যালয় গৃহ, যুৱক-যুৱতী, পুৰুষ-মহিলা সকলক বিভিন্ন প্ৰশিক্ষণ প্ৰদানৰ শ্ৰেণী কোঠা, মাছৰ পোনা উৎপাদনৰ ব্যৱস্থা, হাঁহ-কুকুৰাৰ পোৱালি উৎপাদনৰ বৃহৎ পৰিসৰৰ কক্ষ, গো-পালন, গাহৰি পালনৰ পকী গৃহ, অতিথিশালা আদি হাবি জংঘলেৰে ঢাক খাই ভূত বাংলালৈ পৰিণত হৈ পৰিল। প্ৰতিষ্ঠানটোৰ পুখুৰী কেইটাত স্থানীয় চাৰিগৰাকী শিক্ষিত নিৱনুৱা যুৱকে মীন পালন কৰি আছে যদিও প্ৰতিষ্ঠান আৱাস গৃহ সমূহ জৰাজীৰ্ণ অৱস্থালৈ গতি কৰাৰ লগতে বহু যন্ত্ৰাংশ ধ্বংসৰ গৰাহলৈ গতি কৰিলে। ৫০ বিঘাতকৈ অধিক ভূমিত থকা প্ৰতিষ্ঠানটোত বৰ্তমানৰ চৰকাৰ খনে যিকোনো প্ৰকল্প স্থাপনৰ ব্যৱস্থা কৰিলে গহপুৰৰ বহু নিৱনুৱাই কৰ্মসংস্থাপন পথ দেখিবলৈ সক্ষম হ'ল হয়। এই ক্ষেত্ৰত গহপুৰৰ সমষ্টিৰ বিধায়ক উৎপল বৰাৰ লগতে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সু দৃষ্টি কামনা কৰিছে স্থানীয় নিৱনুৱা যুৱক-যুৱতী সকলে।

# টংলা জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ মাৰ্চ ঃ** টংলা জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ পঞ্চম দ্বি-বাৰ্ষিক অধিবেশনখনি আজি দিনজোৰা কাৰ্যসূচীৰে টংলাৰ বিশ্ব মহাবীৰ চিলাৰায় শিশু উদ্যানস্থিত জ্যেষ্ঠ নাগৰিকৰ জিৰণি চ'ৰাত অনুষ্ঠিত হয়। পুৱা টংলা জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ পতাকা উত্তোলনৰে অধিবেশনৰ শুভাৰম্ভ কৰে সভাপতি ৰবীন্দ্ৰ কুমাৰ শৰ্মাই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে আদিত চন্দ্ৰ কলিতাই। গছপুলি ৰোপণ কৰে ক্ৰমে জ্যেষ্ঠ নাগৰিক মনমোহন দাস, ঘটেশ্বৰ বৰুৱা আৰু হৰিনাৰায়ণ ভাৱালে। ইয়াৰ পিছতে অনুষ্ঠিত সভাপতি ৰবীন্দ্ৰ কুমাৰ শৰ্মাৰ সঞ্চালনাত আৰু সম্পাদক বিনোদ মহন্তই আঁত ধৰা সাধাৰণ সভাত জ্যেষ্ঠ নাগৰিকৰ পেন্সন, চিকিৎসা সেৱাকে চৰকাৰী বিভিন্ন সা-সুবিধা আদায়ৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে। টংলা জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ নামত চৰকাৰী আৱণ্টিত ভূমিত স্থায়ী কাৰ্যালয় নিৰ্মাণ, স্থায়ী পুঁজি গঠন আদি বিষয়ত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। এই সভাতে পুৰণি সমিতিখন ভংগ কৰি পৰৱৰ্তী কাৰ্যকালৰ বাবে ঘনকান্ত ডেকাক সভাপতি, বনমালী নাথক সাধাৰণ সম্পাদক, আদিত চন্দ্ৰ কলিতাক কাৰ্যকৰী সভাপতি, ছৈয়দ ফজল হক আৰু পূৰ্ণিমা ভূএগক উপ সভাপতি, বিবেকানন্দ বিশ্বাসক সহকাৰী সম্পাদক, দেৱেন হাজৰিকাক সাংগঠনিক সম্পাদক, চন্দ্ৰপ্ৰভা দত্তক শিক্ষা সম্পাদক, জ্ঞানেন্দ্ৰ কুমাৰ চলিহাক সাংস্কৃতিক সম্পাদক, যোগেন্দ্ৰ মোহন ভট্টাচাৰ্য আৰু পূৰ্ণ বড়াক হিচাব পৰীক্ষক, জিতেন্দ্ৰ দৈমাৰী, হৰি শৰ্মা, তপেশ্বৰ ৰাভা, জিতেন্দ্ৰ চন্দ্ৰ নাথ, বুলুবালা নাথ, মহেন্দ্ৰ বৰ্মন আৰু বিনয় শৰনীয়াক সদস্যৰূপে মনোনিত কৰি নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰি দিয়ে। টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘটেশ্বৰ বৰুৱাই মুকলি সভা উদ্বোধন কৰি জ্যেষ্ঠ নাগৰিকসকল সংগবদ্ধ হৈ থকাৰ ধনাত্মক দিশৰ কথা উল্লেখ কৰাৰ উপৰি সামাজিক কাম-কাজে মানুহৰ আয়ুস বৃদ্ধি কৰে বুলি ব্যক্ত কৰে। বহু পৰিয়ালৰ মাজত পাৰিবাৰিক নিৰ্যাতনৰ বলি হৈ থকা শাৰীৰিক-মানসিকভাৱে ভাঙি পৰা জ্যেষ্ঠ নাগৰিকসকলক সন্মিলনৰ জৰিয়তে উদ্ধাৰ কৰি উপযুক্ত পৰিৱেশ দিয়াৰ বাবে আহ্বান জনায়। জ্যেষ্ঠ নাগৰিকসকলেই পৰিৱেশ ৰচনা কৰি নৱপ্ৰজন্মক এখন সৰ্বাংগসুন্দৰ সুস্থ সমাজৰ আধাৰ উপহাৰ দি যাব লাগিব বুলি প্ৰকাশ কৰে। সভাত ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি তাৰানাথ কলিতাই মুখ্য অতিথিৰ আসন শুৱনি কৰি জ্যেষ্ঠ নাগৰিকৰ সুস্বাস্থ্য ৰক্ষাৰ সমান্তৰালকৈ মন সুস্থ ৰখাৰ বাবে মানসিক খাদ্য, জ্যেষ্ঠ নাগৰিকৰ অধিকাৰ আৰু চৰকাৰী প্ৰদত্ত অধিকাৰ সন্দৰ্ভত মনগ্ৰাহী বক্তব্য আগবঢ়ায়।

# বকোৰ লেপগাঁৱত কোচ ৰাজবংশী সন্মিলনীৰ বকো প্ৰাথমিক সন্মিলনী গোটৰ দ্বি-বাৰ্ষিক অধিৱেশন সমাপন

**অসম বাৰ্তা, বকো, ১ মাৰ্চ ঃ** অসমৰ ভূমিপুত্ৰ জনগোষ্ঠী সমূহৰ অন্যতম কোচ ৰাজবংশী জনগোষ্ঠীৰ বিকাশৰ স্বাৰ্থত গঠিত কোচ ৰাজবংশী সন্মিলনীৰ কামৰূপ জিলাৰ বকো গোটৰ দ্বি-বাৰ্ষিক অধিবেশন আজি অনুষ্ঠিত হয়। কোচ ৰাজবংশী সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ অন্তৰ্গত বকো প্ৰাথমিক কোচ ৰাজবংশী সন্মিলনীৰ অধিৱেশনখন লেপগাঁৱত অনুষ্ঠিত কৰা হৈছে। ইফালে বকো প্ৰাথমিক কোচ ৰাজবংশী সন্মিলনী গোটৰ সভাপতি মনোৰঞ্জন চৌধুৰী আৰু সম্পাদক হৰমোহন দাসৰ লগতে দ্বি-বাৰ্ষিক অধিবেশন আয়োজক সমিতিৰ সভাপতি প্ৰমোদ দাস আৰু সম্পাদক ভাস্কৰ দাসে জনোৱা অনুসৰি লেপগাঁৰৰ কোচ ৰাজবংশী সহ সমূহীয়া ৰাইজৰ সহযোগত আয়োজন কৰা হৈছে বকো প্ৰাথমিক কোচ ৰাজবংশী সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিবেশন খন। চিৰ সেউজ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা লেগগাঁৱত বৰ্ণাঢ্য আৰু বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে অনুষ্ঠিত কৰা হৈছে অধিৱেশনৰ কাৰ্য্যসুচী। অধিৱেশনৰ কাৰ্য্যসুচীত কোচ ৰাজবংশী সন্মিলনীৰ ৰাজ্যিক সমিতিৰ উপ সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া, দক্ষিণ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়, কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্য্যকৰী সভাপতি অনুপম দাস; জিলা যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি মিলন কুমাৰ দাস; কোচ ৰাজবংশী কালচাৰেল চোছাইটিৰ জিলা সমিতিৰ সভাপতি পংকজবীৰ দাস, জ্যেষ্ঠ কোচ ৰাজবংশী জ্ঞাতী তথা অৱসৰপ্ৰাপ্ত শিক্ষক গিৰীন্দ্ৰ কুমাৰ চৌধুৰী, জিলা কাৰ্য্যনিৰ্বাহক জ্যোতিষ লহকৰ, বকো আঞ্চলিক কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি পবিত্ৰ কুমাৰ দাস আৰু সাধাৰণ সম্পাদক অৰবিন্দ দাস; উপদেষ্টা অনাদী পাটোৱাৰী, বিষ্ণু ৰাম দাস, জিলা আৰু আঞ্চলিক সমিতিৰ বিষয় ববীয়া সকলে সহযোগ আগবঢ়ায়। উল্লেখ্য যে বকো প্ৰাথমিক কোচ ৰাজবংশী সন্মিলনীৰ অন্তৰ্গত গাঁও সমূহ হ'ল কাইঠপাৰা, ভেহুৱা; বাঘৰগাঁও, ৰায়পাৰা, মেধিপাৰা, টেপছিয়া, তিনিঘৰীয়া; বালাপাৰা, ২ নং বালাপাৰা, নোৱাপাৰা, বেলপাৰা; আঠকুপাৰা, কালিয়াবড়ী, পাখাৰাপাৰা, ডাকুৱাপাৰা, টাঙাবাৰী আৰু লেপগাঁও। অধিৱেশনৰ কাৰ্য্যসুচী অনুসৰি ৰাতিপুৱা সমূহীয়া পৰিৱেশ নিকাকৰণ, পতাকা উত্তোলন, গছপুলি ৰোপণ, স্মৃতি তৰ্পণ আৰু প্ৰতিনিধি সভা তথা সংগঠনটোৰ সাধাৰণ সভা। সাধাৰণ সভাত পুৰণি সমিতি ভংগ আৰু আগন্তুক দুই বছৰৰ বাবে নতুন সমিতি গঠন। অধিৱেশনৰ সাধাৰণ সভাতে সৰ্বসন্মতিক্ৰমে পুনৰ মনোৰঞ্জন চৌধুৰীক সভাপতি; প্ৰকাশ মেধিক উপ সভাপতি আৰু পুনৰ হৰমোহন দাসক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয়। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত খগেন্দ্ৰজিৎ ঠাকুৰীয়াই কয় যে; অসমৰ কোচ ৰাজবংশী লোক সকলোক ৰাজ্যত শাসনত থকা বিজেপি চৰকাৰে প্ৰতাৰণা, প্ৰৱঞ্চনা, বঞ্চনা আৰু লাঞ্ছনা কৰি আহিছে। আমাৰ জন্মস্বত্ব অধিকাৰ অনুসুচিত জনজাতিৰ মৰ্যাদা প্ৰদান নকৰাৰ বাবে ৰাজ্য চৰকাৰক তীব্ৰ ধিক্কাৰ আৰু গৰিহণা দিয়ে। লগতে সমাগত ২০২৬ চনৰ অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পিছতে ভাষণ প্ৰসংগত সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ কাৰ্য্যকৰী সভাপতি অনুপম দাসে কয় যে আমি কোচ ৰাজবংশী সকলে তৃণমূল পৰ্যায়ৰ পৰা সু সংগঠিত হৈ ঐক্যৰে চৰকাৰৰ বিৰুদ্ধে মাত মাতিবলৈ হুংকাৰ প্ৰদান কৰে। সভাত প্ৰতি গৰাকী বক্তা তথা অতিথিৰ ভাষণত অসমৰ কোচ ৰাজবংশী সকলোক জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ আহ্বান জনায়। অন্যথা কোচ ৰাজবংশী সকলে ২০২৬ চনৰ অসম বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ভোটদান কৰিব বুলি ঘোষণা কৰে।

পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত উন্নয়নমূলক পদক্ষেপ; সমাজৰ আধ্যাত্মিক কেন্দ্ৰ সুৰক্ষিত কৰাৰ লক্ষ্য

# পানবাৰীত শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰৰ নামঘৰৰ চৌহদত চাৰিবেৰ নিৰ্মাণৰ কামৰ শুভাৰম্ভ গণেশ কুমাৰ লিম্বুৰ



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত কেহেৰুখন্দা গাঁও পঞ্চায়ত এলেকাৰ পানবাৰী নামচুবুৰী গাঁৱত অৱস্থিত শ্ৰীশ্ৰী ৰঘুনাথ সত্ৰ নামঘৰৰ চৌহদত চাৰিবেৰ নিৰ্মাণৰ কামৰ আজি আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। উক্ত কামৰ আজি শুভাৰম্ভ কৰে ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে। ঠেলামৰা জিলা পৰিষদৰ পঞ্চদশ বিত্তীয় আয়োগৰ অধীনত এই কাম ৰূপায়ণ কৰা হৈছে বুলি জানিব পৰা গৈছে। আজিৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক গণেশ কুমাৰ লিম্বুৱে কয় যে নামঘৰসমূহ কেৱল ধৰ্মীয় উপাসনাৰ স্থানেই নহয়, ই আমাৰ সমাজৰ আধ্যাত্মিক চেতনাৰ এক শক্তিশালী কেন্দ্ৰবিন্দু। গ্ৰাম্য জীৱনত নামঘৰে মানুহক ঐক্যবদ্ধ কৰি ৰাখে আৰু নৈতিক-সাংস্কৃতিক মূল্যবোধ সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে নামঘৰৰ পৰিসৰ সুৰক্ষিত আৰু সুন্দৰ কৰি তোলাটো সময়ৰ দাবী বুলি তেওঁ উল্লেখ কৰে। তেওঁ আৰু কয় যে চাৰিবেৰ নিৰ্মাণৰ জৰিয়তে নামঘৰৰ চৌহদ অধিক সুৰক্ষিত হোৱাৰ লগতে পৰিবেশো শৃংখলিত আৰু সৌন্দৰ্যপূৰ্ণ হৈ উঠিব। ইয়াৰ ফলত ভৱিষ্যতে বিভিন্ন ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহ অধিক সুকলমে আয়োজন কৰিব পৰা যাব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। আজিৰ এই শুভক্ষণত ঠেলামৰা জিলা পৰিষদৰ সদস্য শিৱ চৰণ চাহু, গাঁও পঞ্চায়তৰ প্ৰতিনিধি, স্থানীয় ৰাইজ আৰু বহু ভক্তপ্ৰাণ লোক উপস্থিত থাকে। উপস্থিত ৰাইজে উন্নয়নমূলক এই পদক্ষেপক আদৰণি জনাই আগন্তুক দিনতো সমষ্টিৰ সামগ্ৰিক উন্নয়ন অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ আগত বিধায়ক গণেশ কুমাৰ লিম্বুৱে কয় যে বৰছলা সমষ্টিৰ বিভিন্ন গাঁও অঞ্চলত ধৰ্মীয় আৰু সামাজিক পৰিকাঠামোৰ উন্নয়ন অব্যাহত ৰাখিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আগন্তুক সময়ছোৱাত বাট-পথ, পানীযোগান, শিক্ষা আৰু সামাজিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো অধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

## সম্পাদকীয়

# মধ্যপ্ৰাচ্যৰ অগ্নিকুণ্ড

মধ্যপ্ৰাচ্য পুনৰবাৰ সংঘাতৰ তীব্ৰতাই বিশ্ব ৰাজনীতিত এক নতুন মাত্ৰা সংযোগ কৰিছে। ইৰাণ আৰু ইজৰাইলৰ মাজত চলি থকা এই যুদ্ধই এতিয়া দুখন দেশৰ সীমা অতিক্ৰম কৰি গোটেই বিশ্বক উদ্বিগ্ন কৰি তোলা পৰিস্থিতিৰ সৃষ্টি কৰিছে। আমেৰিকা-ইজৰাইলৰ যৌথ আক্ৰমণ আৰু ইৰাণৰ প্ৰতিশোধমূলক ক্ষেপণাস্ত্ৰ নিক্ষেপে অঞ্চলটোক এক ভয়াবহ পৰিস্থিতিৰ সন্মুখীন কৰাইছে। হৰমুজ জলদ্বীপ বন্ধ হোৱাৰ ফলত বিশ্বৰ তেল যোগানত সংকটৰ সৃষ্টি হৈছে আৰু ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় বিমান চলাচল ব্যাপকভাৱে ব্যাহত হৈছে। এই পৰিস্থিতিয়ে এতিয়া সাধাৰণ মানুহৰ মনত কেইবাটাও প্ৰশ্নৰ সৃষ্টি কৰিছে।

সাধাৰণ নাগৰিকৰ মনত প্ৰথম প্ৰশ্নটো হৈছে, এই যুদ্ধ কিয় হৈছে আৰু ই কিয় এতিয়া ইমান তীব্ৰ হৈ পৰিছে? ইৰাণৰ পাৰমাণৱিক উচ্চাকাংক্ষা আৰু ইজৰাইলৰ অস্তিত্বৰ প্ৰশ্ন ইয়াৰ মূল কাৰণ। ইজৰাইলে ইৰাণক নিজৰ বাবে সবাতোকৈ ডাঙৰ ভাবুকি বুলি গণ্য কৰে, আনহাতে ইৰাণে অঞ্চলটোত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰি আছে। এই সংঘাত এতিয়া ইমান তীব্ৰ হোৱাৰ কাৰণ হৈছে দুয়োপক্ষৰ মাজত পোনপটীয়া সংঘাত আৰু আমেৰিকাৰ দৰে শক্তিশালী ৰাষ্ট্ৰৰ প্ৰত্যক্ষভাৱে জড়িত হোৱা। ইয়াৰ ফলত এই যুদ্ধ এটা পৰোক্ষ যুদ্ধৰ পৰা প্ৰত্যক্ষ যুদ্ধলৈ ৰূপান্তৰিত হৈছে।

দ্বিতীয় প্ৰশ্নটো হৈছে, এই যুদ্ধৰ অন্ত ক'ত? বিশেষজ্ঞসকলৰ মতে, যদি ইৰাণৰ পাৰমাণৱিক স্থাপনা সম্পূৰ্ণৰূপে ধ্বংস নহয়, তেন্তে ইৰাণে আৰু দ্ৰুতগতিত পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণৰ চেষ্টা কৰিব পাৰে, যাৰ ফলত সংঘাত আৰু ঘনীভূত হ'ব। যদি এই যুদ্ধ দীঘলীয়া হয়, তেন্তে ইয়াত আমেৰিকাৰ পোনপটীয়া সম্পৃক্ততা বৃদ্ধি পাব পাৰে, যাৰ ফলত এই সংঘাত সমগ্ৰ অঞ্চলটোতে বিয়পি পৰিব পাৰে। চৌদি আৰব, সংযুক্ত আৰব আমিৰাতৰ দৰে উপসাগৰীয় দেশবোৰো ইয়াৰ পৰা ৰক্ষা নাপাব। এই দেশবোৰত থকা আমেৰিকাৰ সামৰিক ঘাটি ইৰাণৰ আক্ৰমণৰ লক্ষ্য হ'ব পাৰে, যাৰ ফলত সমগ্ৰ অঞ্চলটোত এক ডাঙৰ অগ্নিকুণ্ডৰ সৃষ্টি হ'ব।

আমি ভাৰতীয় হিচাপে প্ৰশ্ন হয়, এই যুদ্ধই আমাক কেনেকৈ প্ৰভাৱিত কৰিব? ইয়াৰ প্ৰভাৱ ইতিমধ্যে ভাৰতত পৰিবলৈ আৰম্ভ কৰিছে। মুম্বাইকে ধৰি দেশৰ বিভিন্ন বিমানবন্দৰত শতাধিক উৰণ বাতিল কৰা হৈছে। কিন্তু ই আটাইতকৈ ডাঙৰ সমস্যা নহয়। ভাৰতৰ বাবে আটাইতকৈ ডাঙৰ চিন্তা হৈছে খাৰুৱা তেলৰ মূল্য। ভাৰতে নিজৰ প্ৰয়োজনীয় খাৰুৱা তেলৰ অধিকাংশই মধ্যপ্ৰাচ্যৰ পৰা আমদানি কৰে। হৰমুজ জলদ্বীপ বন্ধ হোৱাৰ ফলত তেলৰ মূল্য আকাশচুম্বী হৈছে, যাৰ পোনপটীয়া প্ৰভাৱ ভাৰতীয় অৰ্থনীতিত পৰিব। ইয়াৰ ফলত মূল্যস্ফীতি বৃদ্ধি পাব পাৰে আৰু ভাৰতীয় টকাৰ মূল্য দুৰ্বল হ'ব পাৰে। ইয়াৰ উপৰিও, মধ্যপ্ৰাচ্যত থকা প্ৰায় ৯০ লাখ ভাৰতীয় প্ৰবাসীৰ নিৰাপত্তা লৈ উদ্বেগ বৃদ্ধি পাইছে। এই পৰিস্থিতিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জৰুৰী বৈঠক আহ্বান কৰি প্ৰবাসী ভাৰতীয়সকলৰ সুৰক্ষাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটো এক সময়োচিত পদক্ষেপ।

এই সংকটে ভাৰতৰ বাবে এক ডাঙৰ কূটনৈতিক প্ৰত্যাহ্বানও সৃষ্টি কৰিছে। ভাৰতে ইজৰাইলৰ লগত তেওঁৰ বৈদেশিক নীতিৰ ভাৰসাম্য ৰক্ষা কৰিব লাগিব। ভাৰতে শান্তিপূৰ্ণ সমাধানৰ বাবে মাত দিয়া উচিত আৰু নিজৰ নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰা উচিত। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে জাতিসংঘৰ নিৰাপত্তা পৰিষদৰ জৰুৰী বৈঠকৰ আহ্বান জনোৱাটোৱে এই সংকটৰ গুৰুত্ব বুজায়। এই যুদ্ধৰ কোনো স্থায়ী সমাধান যুদ্ধৰ মাজেদি নহয়, কূটনীতিৰ মাজেদিয়েহে ওলাব। আমি কামনা কৰোঁ, বিশ্ব নেতৃত্বই সোনকালে ইয়াৰ শান্তিপূৰ্ণ সমাধান উলিয়াবলৈ সক্ষম হয়।

"একোটা প্ৰতিষ্ঠানৰ গৃহ নিৰ্মাণৰ আগত ভূমি পূজনৰ দৰে অনুষ্ঠানৰ বাস্তৱিক প্ৰয়োজনীয়তা কিমান? ব্যক্তিগতভাৱে কোনো লোকে ভূমিপূজন অনুষ্ঠান সম্পন্ন কৰিলেও অসমৰ মহাপুৰুষীয়া সমাজত হিন্দুসকলৰ মাজতো ই এক সৰ্বজনগৃহীত পৰম্পৰা নহয়। অসমৰ দৰে অতিবৃষ্টি, বানপানীপ্ৰৱণ আৰু ভূমিকম্পৰ আশংকা থকা এলেকাত গৃহ নিৰ্মাণৰ কৌশল আৰু পৰিকল্পনা যুগুত কৰাৰ আগতে প্ৰয়োজন হয় ভূমি পৰীক্ষা আৰু ভূতাত্ত্বিক অধ্যয়ন। আধুনিক বিজ্ঞানৰ শেহতীয়া উদ্ভাৱন প্ৰক্ৰিয়া প্ৰয়োগ কৰি এই অধ্যয়ন যুগুত কৰাটোৱেই বুদ্ধিমানৰ কাম। এনেধৰণৰ অধ্যয়নযুক্ত কৌশল প্ৰয়োগ নকৰা বাবেই অসমৰ বহু প্ৰতিষ্ঠান নিৰ্মীয়মাণ বা নিৰ্মাণ সম্পূৰ্ণ কৰাৰ কিছুদিন পিছতেই ভাগিবলৈ ধৰে। বৈজ্ঞানিক কৌশল প্ৰয়োগ নকৰিলে এনেধৰণৰ বৈদিক অথবা তথাকথিত আধ্যাত্মিক পৰম্পৰাই প্ৰতিষ্ঠানবোৰক দীৰ্ঘস্থায়িত্ব দিব নোৱাৰিব। সেয়েহে, ভূমি পূজনৰ দৰে অনুষ্ঠান আচল অৰ্থত এক আনুষ্ঠানিক অন্ধবিশ্বাসৰ নামান্তৰ।"

# বিজ্ঞানভিত্তিক সমাজৰ সপোন

# আৰু সোপাধৰা, ভূমিপূজনৰ পোষকতা

**ডাঃ প্ৰবীণকুমাৰ নেওগ**

এজন খ্ৰীষ্টানধৰ্মী ব্যক্তিয়ে যদি নিজৰ নতুনকৈ সাজিবলৈ লোৱা ঘৰটো বাইবেলৰ নীতি-নিয়মেৰে আৰম্ভ কৰে তাত আমাৰ ক'ব লগা একো নাই; বৰং নিমন্ত্ৰণ পালে তেনে অনুষ্ঠানত আমি ব্যক্তিগতভাৱে সহযোগতো কৰিমেই, প্ৰয়োজন হ'লে অভ্যৰ্থনা প্ৰক্ৰিয়াতো অংশগ্ৰহণ কৰিম। শ্ৰীমন্ত শংকৰদেৱ সংঘই যদি সংঘৰ নিজাববীয়া ব্যৱস্থাৰে সাজিবলৈ লোৱা এটা অনুষ্ঠানৰ কাৰ্যালয় বা সভাগৃহৰ আৰম্ভণি নাম-কীৰ্তনেৰে কৰিবলৈ লয়, অথবা সংঘৰ সংগী এজনেও যদি নিজৰ নতুনকৈ সাজিবলৈ লোৱা ঘৰটোৰ আৰম্ভণিতে নাম-কীৰ্তন এভাগিৰ আয়োজন কৰে, সেয়াও আমাৰ আপত্তিৰ কাৰণ হ'ব নোৱাৰে। নিমন্ত্ৰণ সাপেক্ষে এনে অনুষ্ঠানৰো আমি অভ্যৰ্থনাপৰ্যন্ত গ্ৰহণ কৰিবলৈ সাজু। বিষ্ণুযজ্ঞ উদযাপন সমিতিয়ে যদি যজ্ঞস্থলীত কোনো গৃহনিৰ্মাণ অথবা কোনো অনুষ্ঠানৰ শুভাৰম্ভ হিচাপে বিষ্ণুযজ্ঞ এভাগি সম্পন্ন কৰিবলৈ লয়, সেয়াও আমাৰ বাবে অগ্ৰহণযোগ্য নহয়; কিন্তু, ভাৰতৰ দৰে সমাজবাদী চিন্তা আধাৰিত, ধৰ্মনিৰপেক্ষ সংবিধানৰ দ্বাৰা স্বীকৃত এখন চৰকাৰে চৰকাৰীভাৱে আৰম্ভ কৰা এটা অনুষ্ঠানৰ শুভাৰম্ভ যদি এটা বিশেষ ধৰ্মীয় সম্প্ৰদায়ৰ লোকাচাৰ আৰু উপাসনা পদ্ধতিৰে আৰম্ভ কৰিবলৈ বিচাৰে তেতিয়া তেনে কাম নীতিগতভাৱেই গ্ৰহণযোগ্য বুলি ক'ব নোৱাৰি।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাতে আমি ভাৰতক এখন 'সমাজবাদী', 'ধৰ্মনিৰপেক্ষ' গণতন্ত্ৰ হিচাপে প্ৰতিষ্ঠা কৰিম বুলি শপত লৈছোঁ। ১৯৫০ চনৰ ২৬ জানুৱাৰীত সংবিধান কাৰ্যকৰী কৰাৰ সময়ত প্ৰস্তাৱনাত 'সমাজবাদী' আৰু 'ধৰ্মনিৰপেক্ষ' শব্দকেইটা নাছিল: ১৯৭৬ চনৰ ১৮ ডিচেম্বৰত হোৱা সংবিধানৰ ৪২ সংখ্যক সংশোধনৰ জৰিয়তে এই শব্দকেইটা প্ৰস্তাৱনাত সংযোগ কৰা হয়। এই দুই শব্দৰ লগতে এই সংশোধনত ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সংযোগ হৈছিল আন এটা শব্দ 'জাতীয় ঐক্য'।

উৎপাদনৰ আহিলাসমূহ জাতীয়কৰণ কৰা আৰু জাতীয় আয়ৰ সমবিতৰণৰ ব্যৱস্থাৰে তথা মিশ্ৰ অৰ্থনীতিৰ জৰিয়তে সমাজবাদ প্ৰতিষ্ঠা কৰাই ভাৰতীয় সংবিধানৰ ঘোষিত লক্ষ্য যদিও পুঁজিপতি গোষ্ঠীৰ দ্বাৰা ক্ৰমে ক্ৰমে ভাৰতীয় অৰ্থনীতিৰ দিশ নিৰ্ধাৰণৰ ফালে গৈ থকা ব্যৱস্থাটোৱে সংবিধানৰ সমাজবাদী ধাৰণাকো মচিবলৈ ধৰিছে। ধৰ্মনিৰপেক্ষ শব্দটোৰে এই কথাকে বুজাবলৈ বিচৰা হৈছিল যে ইয়াত চৰকাৰী ধৰ্ম বুলি কোনো ধৰ্ম নাথাকিব আৰু চৰকাৰে কোনো ধৰ্মৰ প্ৰতি বিশেষ অনুগ্ৰহ প্ৰদৰ্শন নকৰিব। কিন্তু কাৰ্যক্ষেত্ৰত দেখা গৈছে গৈছে যে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ এই শপতবাক্য আমি বাৰে-বাৰে উলংঘা কৰিছোঁ। এতিয়া দেখা গৈছে, চৰকাৰী সকলো কাৰ্যসূচীৰ আনুষ্ঠানিক আৰম্ভণি ধৰ্মীয় লোকাচাৰ, আচৰণ বা পৰম্পৰাৰে হ'বলৈ ধৰিছে।

১৯৭৬ চনৰ ৪২ সংখ্যক সংশোধনীতে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট হৈছিল ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য। তেতিয়াৰ 'সংযুক্ত ছোভিয়েট গণৰাজ্য'ৰ পৰা অনুসৰণ কৰি সন্নিৱিষ্ট কৰা মৌলিক কৰ্তব্যত অন্তৰ্ভুক্ত হৈছিল 'বিজ্ঞানমনস্কতা'ৰ বিকাশৰ কথা।

সংবিধানৰ ৫১ (ক) অধ্যায়ৰ মৌলিক কৰ্তব্যৰ শিতানত ৮নং দফাত সন্নিৱিষ্ট হৈছিল এই বুলি যে 'বিজ্ঞানমনস্কতা, মানৱতাবাদ, অনুসন্ধান আৰু সংস্কাৰৰ মনোভাব হ'ব সকলো ভাৰতীয় নাগৰিকৰ অৱশ্যে পালনীয় কৰ্তব্য'। ধৰ্মনিৰপেক্ষতাৰ লগত এই বিজ্ঞানমনস্কতাৰ এক ওচৰ সম্বন্ধ বিৰাজ কৰিছিল। বিজ্ঞানমনস্কতাক আওকাণ কৰিলেও ধৰ্মনিৰপেক্ষতা বহু ক্ষেত্ৰত বৰ্তি থাকিব পাৰে, কিন্তু ধৰ্মনিৰপেক্ষতাক উপেক্ষা কৰি বিজ্ঞানমনস্কতাৰ কথা ভাবিবই নোৱাৰি। দুৰ্ভাগ্যজনকভাৱে ভাৰতত আজি এই দুয়োটাৰে অভাৱ ঘটিছে।

এটা চৰকাৰী কাৰ্যসূচী যেতিয়া কোনো ধৰ্মীয় আচৰণেৰে আৰম্ভ কৰা হয় তেতিয়া কেইবাটাও ক্ষতিকাৰক সমস্যাই দেখা দিয়ে। ৰাষ্ট্ৰৰ এটা অনুষ্ঠান বা নিকায়ত সকলো ধৰ্মৰ, সকলো বিশ্বাস আৰু বিভিন্ন সম্প্ৰদায়ৰ লোক থাকে। এনে এটা অনুষ্ঠান যেতিয়া সংখ্যাগৰিষ্ঠতাৰ জোৰেৰে কোনো এটা মাত্ৰ ধৰ্মীয় ৰীতি-নীতিৰে আৰম্ভ হয় তেতিয়া আনধৰ্মীসকল, অধৰ্মীসকল আৰু ধৰ্মনিৰপেক্ষসকলৰ বাবে সৃষ্টি হয় এক বিবেক-দংশন। জোৰেৰে হেঁচা মাৰি থ'ব খোজা এই বিবেক-দংশনে কিন্তু ভৱিষ্যতে আমাৰ ঘৰতেই জুই লগাব।

আকৌ, আন এক দৃষ্টিকোণেৰে চাবলৈ হ'লে একোটা প্ৰতিষ্ঠানৰ গৃহ নিৰ্মাণৰ আগত ভূমি পূজনৰ দৰে অনুষ্ঠানৰ বাস্তৱিক প্ৰয়োজনীয়তা কিমান? ব্যক্তিগতভাৱে কোনো লোকে ভূমিপূজন অনুষ্ঠান সম্পন্ন কৰিলেও অসমৰ মহাপুৰুষীয়া সমাজত হিন্দুসকলৰ মাজতো ই এক সৰ্বজনগৃহীত পৰম্পৰা নহয়। অসমৰ দৰে অতিবৃষ্টি, বানপানীপ্ৰৱণ আৰু ভূমিকম্পৰ আশংকা থকা এলেকাত গৃহ নিৰ্মাণৰ কৌশল আৰু পৰিকল্পনা যুগুত কৰাৰ আগতে প্ৰয়োজন হয় ভূমি পৰীক্ষা আৰু ভূতাত্ত্বিক অধ্যয়ন। আধুনিক বিজ্ঞানৰ শেহতীয়া উদ্ভাৱন প্ৰক্ৰিয়া প্ৰয়োগ কৰি এই অধ্যয়ন যুগুত কৰাটোৱেই বুদ্ধিমানৰ কাম। এনেধৰণৰ অধ্যয়নযুক্ত কৌশল প্ৰয়োগ নকৰা বাবেই অসমৰ বহু প্ৰতিষ্ঠান নিৰ্মীয়মাণ বা নিৰ্মাণ সম্পূৰ্ণ কৰাৰ কিছুদিন পিছতেই ভাগিবলৈ ধৰে। বৈজ্ঞানিক কৌশল প্ৰয়োগ নকৰিলে এনেধৰণৰ বৈদিক অথবা তথাকথিত আধ্যাত্মিক পৰম্পৰাই প্ৰতিষ্ঠানবোৰক দীৰ্ঘস্থায়িত্ব দিব নোৱাৰিব। সেয়েহে, ভূমি পূজনৰ দৰে অনুষ্ঠান আচল অৰ্থত এক আনুষ্ঠানিক অন্ধবিশ্বাসৰ নামান্তৰ।

কোনোদিনে, কোনো লোকে দেৱতা বুলি নভবা ব্ৰহ্মপুত্ৰ আৰু বৰাকক লৈ আমি 'নমামি পূজা' আৰম্ভ কৰিছোঁ; কিন্তু প্ৰকৃত বিজ্ঞানসম্মত বিধি-ব্যৱস্থাৰে এই দুই নদীৰ বান নিয়ন্ত্ৰণৰ বাবে কৰা প্ৰচেষ্টাৰ পৰা এতিয়াও আমি বহু দূৰৈত। স্বাভাৱিকতেই বিশ্বৰ সামগ্ৰিক গতিধাৰাৰ দিশৰ পৰা এনেবোৰ কাণ্ড এক পশ্চাদগামিতা বুলি অভিহিত কৰিব পাৰি। কাৰ্বি আংলঙৰ ডকমকাত অভিজিৎ আৰু নীলোৎপলৰ হত্যাকাণ্ড ঘটিছিল অভাৱনীয়ভাৱে। এনে হত্যাকাণ্ডত জড়িতসকলে কঠোৰ শাস্তি পাব লাগিছিল আৰু তাৰ বাবে আৰক্ষী-প্ৰশাসন, চৰকাৰ, ন্যায়পালিকা আৰু ৰাইজ সমানেই সজাগ আৰু তৎপৰো হোৱা দেখা গৈছিল যদিও তাৰ বিশেষ আশানুৰূপ ন্যায় আজিও পোৱা নগ'ল। এই হত্যাকাণ্ডৰ লগত জড়িত হৈ আছিল সোপাধৰাৰ দৰে এক অন্ধবিশ্বাস। অৱশ্যে এই ডকমকাতে তাৰো দুবছৰমান আগতে এগৰাকী ৰাষ্ট্ৰীয় মানৰ মহিলা খেলুৱৈক ডাইনী সজাই নামঘৰত জালেৰে মেৰিয়াই অত্যাচাৰ কৰাৰ ঘটনাও ঘটিছিল। আৰক্ষী আৰু সচেতন ৰাইজৰ হস্তক্ষেপত সেইবাৰলৈ মহিলাগৰাকী মৃত্যুমুখৰ পৰা ৰক্ষা পৰে। এই অঞ্চলৰ নামঘৰৰ স্থানীয় গোটটো এটা ৰাজ্যিক পৰ্যায়ৰ ধৰ্ম-সাংস্কৃতিক সংগঠনৰ অংশীদাৰ হোৱা বাবে সেই সময়ত ৰাজ্যজুৰি এই ৰাজ্যিক পৰ্যায়ৰ সংগঠনটোও বদনাম আৰু সমালোচনাৰ ভাগী হৈ পৰিছিল, যাৰ বাবে এই অনুষ্ঠানটোৱে জনসাধাৰণৰ ওচৰত দুখ প্ৰকাশ কৰিব লগা হৈছিল। কাৰ্বি আংলঙৰ অভিনীলৰ এই ঘটনাৰ পিছতে তদানীন্তন মাননিয় মুখ্যমন্ত্ৰী মহোদয়ে অন্ধবিশ্বাসবিৰোধী অভিযানৰ ঘোষণা কৰিছিল। দেখা গৈছে যে এনে ধৰণৰ অন্ধবিশ্বাসবিৰোধী অভিযানৰ কথা চৰকাৰী পক্ষৰ পৰা ঘোষণা কৰাৰ পাছতো চৰকাৰীভাৱে পাতিবলৈ লোৱা চিকিৎসালয়, শিক্ষানুষ্ঠান বা কোনো উদ্যোগ বা দলঙৰ শুভাৰম্ভ ভূমিপূজনেৰে আৰম্ভ কৰাটো আক্ষৰিক অৰ্থতেই হৈ পৰিছে এক স্ববিৰোধী কাৰ্য। জ্যোতিষ বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি 'শুভদিন' গণনা কৰি বহুকেইটা চৰকাৰী কাৰ্যসূচী আৰম্ভ কৰাৰ নজিৰ এইখন অসমতে আছে। সম্পূৰ্ণ অবৈজ্ঞানিক বাস্তুশাস্ত্ৰৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰী আৱাসৰ অৱয়ৱ সলনি কৰাৰ ঘটনাও এইখন অসমতে আমি দেখিছোঁ। জ্যোতিষ, বাস্তুশাস্ত্ৰক বিজ্ঞান বুলি কোৱা অথবা ভূমি পূজনৰ কাৰ্যসূচীক জাতীয় পৰম্পৰা বুলি কোৱা শিক্ষিত ব্যক্তিও হয়তো আমাৰ সমাজত ওলাব। বিজ্ঞান নহ'লেও জ্যোতিষ, বাস্তুশাস্ত্ৰক ব্যক্তিগতভাৱে কোনোবাই বিশ্বাস কৰক বা ভূমিপূজনৰ কাৰ্যসূচী ব্যক্তিগত স্তৰত ৰূপায়ণ কৰক; তাত আমাৰ মানসিক সহযোগিতা নাথাকিলেও প্ৰতিৰোধ নাথাকে, কিন্তু সংবিধান আধাৰিত কাৰ্যসূচী যেতিয়া এনেকুৱা অবৈজ্ঞানিক পৰম্পৰাৰে আৰম্ভ কৰা হ'ব তেতিয়া এজন বিজ্ঞানমনস্ক ব্যক্তি হিচাপে আমি তাৰ বিৰোধিতা কৰিবলৈ বাধ্য হ'ব লগা হয়। এনে এক প্ৰেক্ষাপটতে ইলোৱা বিজ্ঞান মঞ্চৰ দৰে অনুষ্ঠানৰ লগতে বিজ্ঞানমনস্ক বহু ব্যক্তিয়ে ৰাজহুৱাভাৱে ক'বলৈ বাধ্য হৈছিল বা হৈছে যে চৰকাৰী পৃষ্ঠপোষকতাত ৰাজ্যত চলিছে অন্ধবিশ্বাসৰ প্ৰচাৰ। সৰ্বভাৰতীয় প্ৰেক্ষাপটতো চলিছে যুক্তিবাদ আৰু বিজ্ঞানমনস্কতাৰ বিৰুদ্ধে অভিযান আৰু অন্ধবিশ্বাসৰ সপক্ষে ব্যাপক প্ৰচাৰ। স্বয়ং প্ৰধানমন্ত্ৰীয়ে হাতীৰ মূৰ কাটি গণেশৰ দেহত লগোৱা 'ট্ৰেন্সপ্লেণ্টেশ্বন ছাৰ্জাৰী' বৈদিক যুগতে ভাৰতত সম্পন্ন হৈছিল বুলি কোৱাৰ লগতে কেন্দ্ৰীয় মানৱ সম্পদ উন্নয়ন দপ্তৰৰ মন্ত্ৰী ড° সত্যপাল সিঙৰ দৰে বিজ্ঞানৰ উচ্চ ডিগ্ৰীধাৰী ব্যক্তিয়েই ডাৰউইনৰ বিৱৰ্তনৰ তত্ত্ব ভুল আৰু এই তত্ত্ব পাঠ্যপুথিৰ পৰাই আঁতৰাই পেলাব লাগে বুলি একাধিকবাৰ মন্তব্য কৰিছে। ৰামায়ণৰ যুগতে টেষ্ট-টিউব বেবী জন্ম দিয়াৰ ব্যৱস্থা ভাৰতে কৰিছিল বুলি কৈ উত্তৰ প্ৰদেশৰ উপ-মুখ্য মন্ত্ৰী দীনেশ শৰ্মাই বৰ্তমান অতিশয় জনপ্ৰিয় হৈ পৰা গুগলৰ দৰে কাম-কাজ মহাভাৰতৰ যুগতে নাৰদে কৰিছিল বুলিও ৰাজহুৱাভাৱেই কৈছে। জনক-নন্দিনী সীতাক প্ৰথম টেষ্টটিউব বেবী বুলিও এইগৰাকী মন্ত্ৰীয়ে অভিহিত কৰিছিল।

বিজ্ঞানমনস্ক নাগৰিক আৰু বুদ্ধিজীৱীসকলে এনে অপপ্ৰচাৰৰ বিৰোধিতা কৰি আহিছে। ইলোৰ বিজ্ঞান মঞ্চৰ দৰে অনুষ্ঠানে এনে ধৰণৰ কৰ্মৰ সাংগঠনিকভাৱে বিৰোধিতা কৰিছে। জনস্বাৰ্থৰ কথা সততে কৈ থকা আন জাতীয় সংগঠনবোৰে কিন্তু এই ক্ষেত্ৰত আওকণীয়া মনোভাব গ্ৰহণ কৰাহে পৰিলক্ষিত হৈছে। ইলোৱা বিজ্ঞান মঞ্চৰ দৰে অনুষ্ঠানৰ স্থিতিক অভিনন্দন জনাই আমি ক'বলৈ বাধ্য হৈছোঁ যে কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ প্ৰত্যক্ষ বা পৰোক্ষ আৰোপৰ পৰা সমাজখনক মুক্ত কৰি ৰাখিব পাৰিলেহে আমি নতুন আৰু আধুনিক পথৰ সন্ধান পাম। দেশ আৰু জাতিৰ প্ৰতি দায়বদ্ধ সকলো ব্যক্তি আৰু সংস্থাই এই ক্ষেত্ৰত সক্ৰিয়তা প্ৰদৰ্শন কৰাটো সাম্প্ৰতিক সময়ৰ অপৰিহাৰ্য চৰ্ত।

# উত্তৰ-আধুনিক সাহিত্য-চিন্তাত লেখকৰ স্থান

**ডিম্পী বৰ্মন**

সাহিত্যৰ জগতখনত এটা অদৃশ্য ৰাজনীতি আছে— নামৰ ৰাজনীতি। কিছুমান নাম শুনিলেই আমাৰ মনত নিজেই নিজেই অঘোষিত শ্ৰদ্ধা জন্মে। যেন সেই নামবোৰৰ ওপৰত প্ৰশ্ন তোলা মানেই অসভ্যতা। আমি এখন কিতাপ হাতত লোৱাৰ আগতেই বহু সময়ত সিদ্ধান্ত লৈ পেলাওঁ। বেটুপাতত যদি এটা ডাঙৰ নাম থাকে, ধৰি লওক William Shakespeare, তেন্তে আমাৰ মন মগজু তৎক্ষণাৎ সজাগ হৈ পৰে। বহু সময়ত আমি প্ৰথম শাৰীটো পঢ়াৰ আগতেই মানি লবলৈ বাধ্য হওঁ, যে এইখন কিতাপ নিশ্চয়কৈ ভালেই হ'ব। এনে লাগে যেন সাহিত্যৰ মূল্য আগতেই নিৰ্ধাৰিত, যেন নামটোৱেই গুণৰ নিশ্চয়তা। যেতিয়া এই অবিবেচিত বিশ্বাসেই আমাৰ বিচাৰশক্তিক নিঃশব্দ কৰি তোলে, তেতিয়াই আমাৰ মনত প্ৰশ্নটো আহে— আমি আচলতে সাহিত্য অধ্যয়নত গুৰুত্ব দিছো নে কেৱল সাহিত্যিকৰ প্ৰতিমা পূজা কৰিছোঁ?

এই প্ৰশ্নটোৱেই উত্তৰ-আধুনিক সাহিত্য-চিন্তাক কেন্দ্ৰ কৰি আছে। সাহিত্যৰ অৰ্থ আচলতে কোনে নিৰ্ধাৰণ কৰে? লেখকে? নে পাঠকে? বছৰ বছৰ ধৰি আমি এটা ভাৱধাৰা মনত শিপাই ৰাখিছোঁ যে লেখকে যি ক'ব, সেইটোৱেই চূড়ান্ত। লেখকৰ জীৱন, তেওঁৰ উদ্দেশ্য, তেওঁৰ সময় এইবোৰেই যেন সেই বিশেষ পাঠটোৰ মূল চাবিকাঠি। কিন্তু বিংশ শতিকাৰ মাজভাগত এই নিশ্চয়তা লাহে-লাহে পৰিবৰ্তনৰ দিশে আগবাঢ়িল।

Roland Barthes-এ তেওঁৰ বিখ্যাত প্ৰবন্ধ The Death of the Author-ত উল্লেখ কৰিলে, যে এবাৰ কোনো লেখা সমাজৰ বাবে ওলাই আহিলে, সেয়া কেৱল লেখকৰ অধীন হৈ নাথাকি পাঠকৰ সৈতে নতুন সম্পৰ্কত লিপ্ত হৈ পৰে। ইয়াৰ অৰ্থ জন্মে পাঠকৰ অভিজ্ঞতা, চিন্তাধাৰা, সময় আৰু অনুভৱৰ মাজত। লেখকে যিটো উদ্দেশ্য লৈ লিখিছিল, পাঠকে সেই উদ্দেশ্যৰ বাহিৰতো আন বহু অৰ্থ বিচাৰি পাব পাৰে। সেয়ে অৰ্থ একমাত্ৰ লেখকে নিৰ্ধাৰণ কৰিব নোৱাৰে, এয়া পাঠকৰ বহুমুখী চিন্তাধাৰাৰ ওপৰত নিৰ্ভৰশীল হোৱা উচিত। এই চিন্তাক পুনৰবাৰ টনকিয়াল কৰিবলৈ চেষ্টা চলাইছিল Michel Foucault-এ। তেওঁৰ মতে, "লেখক" নামটোৱে বহু সময়ত এটা "ব্ৰেণ্ড"-ৰ দৰে কাম কৰে। কিছুমান নামক আমাৰ সমাজে বিশেষ ক্ষমতা দিয়ে। যি নামে লিখনীক আগতিয়াকৈ এটা উচ্চ স্থান দিয়ে। কিন্তু এই ব্ৰেণ্ডিংয়ে আমাৰ বিচাৰশক্তিক কেতিয়াবা আচ্ছন্ন কৰে। আমি লিখনীটোক স্বাধীনভাৱে মূল্যায়ন কৰাৰ সলনি লেখকজনৰ নামটোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰোঁ।

এনে চিন্তাই লেখকৰ স্থান সলনি নকৰে, আমি যাক "ভাষা" আৰু "সত্য" বুলি ধৰি লৈছিলোঁ সেই ধাৰণাটোক নতুনকৈ ভাবিবলৈ বাধ্য কৰে। Jacques Derrida-এ প্ৰমাণ কৰিলে যে ভাষা কেতিয়াও সম্পূৰ্ণ স্থিৰ হ'ব নোৱাৰে। এটা শব্দৰ অৰ্থ সদায় আন শব্দৰ ওপৰত নিৰ্ভৰ কৰে। এই দৃষ্টিভংগীৰ সৈতে সহমত প্ৰকাশ কৰি Jean-Franois Lyotard-এ ক'লে, যে আজিৰ যুগ হৈছে "মহান বৃত্তান্ত"ৰ ওপৰত অবিশ্বাসৰ যুগ। ইতিহাস, জাতীয়তা, ধৰ্ম, অগ্ৰগতি এইবোৰে যেন নিজকে একমাত্ৰ সত্য বুলি প্ৰতিষ্ঠা কৰিব বিচাৰে। কিন্তু উত্তৰ-আধুনিকতাই এইখিনিতে প্ৰশ্ন উত্থাপিত কৰে— প্ৰকৃততে এয়া কাৰ ইতিহাস? এই সত্যই কাক প্ৰতিনিধিত্ব কৰে? যি কণ্ঠ শক্তিশালী, সেয়াই "সত্য" বুলি ঘোষিত হোৱা উচিত নেকি? সাহিত্যও এই প্ৰশ্নৰ বাহিৰত নহয়। কিয় কিছুমান নাম সময়ৰ সৈতে জনপ্ৰিয় বুলি ধৰি লোৱা হয়, আৰু আন বহু কণ্ঠ নীৰৱতাৰ আঁৰত লুকাই থাকে?

শেহতীয়াভাৱে লক্ষ্য কৰিলে দেখা যায়, বৰ্তমানৰ ডিজিটেল যুগত অসংখ্য নতুন কণ্ঠ উঠি আহিছে। ব্লগ, অনলাইন মেগাজিন, সামাজিক মাধ্যম—সকলোতে সৃষ্টিশীলতাৰ যেন নতুন ঢৌ। যদি আমি কেৱল প্ৰতিষ্ঠিত নামৰ ওপৰতেই সদায় বিশ্বাস ৰাখোঁ, তেন্তে বহু সতেজ চিন্তা-চৰ্চা, কণ্ঠ আৰু প্ৰতিভা আমাৰ মাজৰ পৰা হেৰুৱাৰ আশংকা কৰোঁ। উত্তৰ-আধুনিকতা সেয়ে কেৱল তত্ত্বৰ মাজত সিমাবদ্ধ নহয়, এয়া একধৰণৰ বৌদ্ধিক দায়িত্ব— প্ৰশ্ন কৰাৰ দায়িত্ব।

অৱশ্যেই ইতিহাস আৰু জীৱনী অপ্ৰয়োজনীয় নহয়। সেইবোৰে পঠন কাৰ্যক অধিক শক্তিশালী কৰিছে, প্ৰেক্ষাপট দি আহিছে। কিন্তু সেইবোৰে যেন আমাৰ বিচাৰশক্তিক নিয়ন্ত্ৰণ নকৰে, তাৰ প্ৰতি লক্ষ্য ৰখা উচিত। কেন্দ্ৰবিন্দুত কেৱল থাকিব লাগিব শব্দ, ছন্দ, ভাব, আৰু অন্তৰ্নিহিত শক্তি। মহান লিখনী স্বাক্ষৰৰ সলনি বহুসময়ত এয়া ভিতৰত থকা সত্য আৰু শক্তিশালী ভাৱধাৰাৰ বাবেই যুগে যুগে জনপ্ৰিয় হৈ পৰে।

অপ্ৰিয় হ'লেও এইটো কথা সত্য আৰু একেবাৰে স্পষ্ট— সাহিত্য মানে কেৱল পূজা নহয়। সাহিত্য মানে প্ৰশ্ন কৰা, ভাবি চোৱা, ভিতৰখন জুমি চোৱা। য'ত কেৱল অন্ধ অনুসৰণ থাকে, তাত সাহিত্য কেতিয়াও ফলপ্ৰসূ হ'ব নোৱাৰে। য'ত চিন্তা থাকে, তাতেই ই জীয়াই থাকে। এখন কিতাপো কেৱল এটা বেটুপাত আৰু কাগজৰ গাঁথনি নহয়, কিতাপ এখন তেতিয়াহে জীৱন্ত হ'ব, যেতিয়া পাঠকে ইয়াক বহুমুখী চিন্তাৰ জীৱন্ত ৰূপ দিব।

*ফোন : ৬০০১১৮৬৯৫৬*
*নলবাৰী, অসম*

## ভোটদান আৰু আশংকা

বিগত বছৰকেইটাত ৰাজনৈতিক দলৰ সৰলতা আৰু প্ৰৱণতা ভালকৈ লক্ষ্য কৰিলেই পৰিলক্ষিত হ'ব যে আচলতে ৰাজনীতি মানে উন্নত নে ব্যৱহাৰ?

বৰ্তমান নৱ প্ৰজন্ম ভোটদাতা হিচাপে অভিহিত হৈছে। কিন্তু সিহঁত ইমান সৰল জানো যে ভৱিষ্যতৰ পাঁচ বছৰৰ বাবে যাক নিৰ্বাচনৰ বাবে স্বাক্ষৰ কৰিব সেয়া সঠিক হ'ব? কি ঠিক এই ৰাজনীতিৰ অধ্যায় দুপতদুপে সলনি হৈ যায় বা? তথাপি মৌলিক অধিকাৰক সাব্যস্ত কৰি এটি নিকা ৰাজনৈতিক দল নিৰ্বাচন কৰাটো সুফলৰ হ'ব। এৰা, ৰাজনীতি মানেই যে বেয়া তেনে নহয়। কিন্তু নেতাবোৰহে মুখা পিন্ধা। সাধাৰণ জনতাই স্বাক্ষৰ কৰা ভোটৰ মূল্য এদিন যে আৰক্ষীৰ কোবতেই সীমাবদ্ধ। তথাপি আমাক এখন ভাল চৰকাৰ লাগে। অধিক কৰ, জি. এছ. টি ৰ পৰা মুক্ত কৰি দিয়া চৰকাৰ লাগে। লগতে নৱ-প্ৰজন্মৰ বাবে সহায়ক তথা বিভেদগামী সমাজ লাগে। নিৰ্বাচন সাধাৰণ জনতাৰ যদি মূল্যবান অংশ হয় তেন্তে মৌলিক অধিকাৰো সমপৰ্যায়ৰ হ'ব লাগে। নৱপ্ৰজন্মৰ বাবে এই নিৰ্বাচন এক আদৰ্শ হওক যাতে ভাৰতীয় সংবিধান উচ্চ হৈ ৰয়।

নিৰ্বাচনৰ সফলতা মানে এটি দলৰ একচ্ছত্ৰী সফলতা নহৈ সমাজৰ পৰোপকাৰ বিচাৰ হওক।

*নিৰঞ্জন ঠেঙাল*
*ফোন : ৯৩৯৫২১৫৩২৭*

# কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ যুগতো মানুহৰ বিকল্প নোহোৱা কিছুমান পেছা

**ড° বুলজিৎ বুঢ়াগোহাঁই**

কৃত্ৰিম বুদ্ধিমত্তা (AI) দ্ৰুতগতিত শিক্ষা, চিকিৎসা, উদ্যোগ, প্ৰশাসন আদি বহু ক্ষেত্ৰত প্ৰৱেশ কৰিছে। তথ্য বিশ্লেষণ, স্বয়ংক্ৰিয় ব্যৱস্থা আৰু যান্ত্ৰিক কাৰ্য্যত কৃত্ৰিম বুদ্ধিমত্তা (AI)ই যথেষ্ট সাফল্য দেখুৱাইছে। তথাপিও কিছুমান পেছা আছে, যিবোৰক সম্পূৰ্ণৰূপে কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ দ্বাৰা সলনি কৰা এতিয়াও অতি কঠিন বা প্ৰায় অসম্ভৱ। এই পেছাবোৰত মানুহৰ অনুভূতি, সহানুভূতি, নৈতিক বিচাৰ, সৃষ্টিশীলতা, শাৰীৰিক দক্ষতা আৰু গভীৰ মানৱীয় সংযোগ অতি গুৰুত্বপূৰ্ণ। শিক্ষক, চিকিৎসক, মনোবিজ্ঞানী, শিল্পী, সমাজকৰ্মী, খেলুৱৈ আৰু নেতৃত্বমূলক ব্যক্তিসকলৰ দৰে পেছাত মানৱ গুণেই মূল শক্তি।

সৃষ্টিশীল পেছাবোৰ কৃত্ৰিম বুদ্ধিমত্তা (AI)ই সহজে দখল কৰিব নোৱাৰে। শিল্পী, লেখক, কবি, সংগীতজ্ঞ, চলচ্চিত্ৰ পৰিচালক, ফেশ্বন ডিজাইনাৰ, অভিনেতা আদিয়ে নিজৰ জীৱন-অভিজ্ঞতা, অনুভৱ আৰু কল্পনাশক্তিৰ জৰিয়তে মৌলিক সৃষ্টি কৰে। কৃত্ৰিম বুদ্ধিমত্তাই ছবি আঁকিব পাৰে, সংগীত ৰচনা কৰিব পাৰে বা লেখা প্ৰস্তুত কৰিব পাৰে; কিন্তু সেয়া অধিকাংশ ক্ষেত্ৰতে বিদ্যমান তথ্যৰ ওপৰত নিৰ্ভৰ কৰা অনুকৰণমূলক সৃষ্টি। গভীৰ মানৱীয় অনুভূতি, সাংস্কৃতিক সংবেদনশীলতা আৰু আত্মপ্ৰকাশৰ শক্তি এতিয়াও মানুহৰ এক বিশেষত্ব।

গভীৰ মানৱীয় সংযোগৰ প্ৰয়োজন থকা পেছাবোৰতো কৃত্ৰিম বুদ্ধিমত্তা (AI) ৰ সীমাবদ্ধতা স্পষ্ট। মনোবিজ্ঞানী, পৰামৰ্শদাতা, সমাজকৰ্মী, শিক্ষক-বিশেষকৈ শিশুশিক্ষা আৰু বিশেষ শিক্ষাৰ ক্ষেত্ৰত- কেৰিয়াৰ পৰামৰ্শদাতা আৰু লাইফ ক'চসকলে মানুহৰ সূক্ষ্ম অনুভূতি বুজি সহানুভূতিশীলভাৱে কাম কৰিব লাগে। চিকিৎসক আৰু নাৰ্ছসকলেও কেৱল ৰোগ নিৰ্ণয়েই নহয়, ৰোগীৰ মানসিক অৱস্থা বুজি আশ্বাস আৰু সাহস যোগাব লাগে। বিশ্বাস, সংবেদনশীলতা আৰু নৈতিক দায়িত্ব এই ক্ষেত্ৰসমূহত অত্যন্ত গুৰুত্বপূৰ্ণ, যিবোৰ কৃত্ৰিম বুদ্ধিমত্তাই সম্পূৰ্ণৰূপে অনুকৰণ কৰিব নোৱাৰে।

যিবোৰ বৃত্তিত শাৰীৰিক দক্ষতা আৰু পৰিস্থিতিগত নমনীয়তাৰ প্ৰয়োজন হয়, সেইবোৰো কৃত্ৰিম বুদ্ধিমত্তা(AI)ৰ বাবে কঠিন। ইলেক্ট্ৰিচিয়ান, প্লাম্বাৰ, কাঠমিস্ত্ৰী, চেফ, পেৰামেডিকেল বা অগ্নিনিৰ্বাপক বাহিনীৰ কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰতিটো দিনেই নতুন আৰু অনিশ্চিত পৰিস্থিতি আহে। তাত তাৎক্ষণিক সিদ্ধান্ত, বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত সমস্যা সমাধান আৰু শাৰীৰিক দক্ষতাৰ প্ৰয়োগ অতি প্ৰয়োজনীয়। বিপদজনক পৰিস্থিতিত সাহস আৰু দায়িত্ববোধৰ প্ৰয়োজন হয়—যিবোৰ এতিয়াও কৃত্ৰিম বুদ্ধিমত্তাই (AI)ৰ সীমাৰ বাহিৰত।

নেতৃত্ব আৰু কৌশলগত চিন্তাধাৰাৰ পেছাবোৰতো মানুহৰ গুৰুত্ব অক্ষুণ্ণ। উদ্যোগপতি, চিইঅ', ৰাজনৈতিক নেতা বা শীৰ্ষ পৰিচালকে দীৰ্ঘম্যাদী দৃষ্টিভংগী, অন্তৰ্দৃষ্টি আৰু মূল্যবোধৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত ল'ব লাগে। নেতৃত্ব কেৱল পৰিসংখ্যা বা তথ্য বিশ্লেষণ নহয়; ই মানুহক অনুপ্ৰাণিত কৰা, দল গঠন কৰা আৰু বিশ্বাস সৃষ্টি কৰাৰ এক মানৱীয় প্ৰক্ৰিয়া। অনিশ্চিত আৰু জটিল পৰিৱেশত এই মানৱীয় গুণসমূহ কৃত্ৰিম বুদ্ধিমত্তা (AI)ই সম্পূৰ্ণৰূপে প্ৰতিষ্ঠাপন কৰিব নোৱাৰে।

আইনী, ন্যায়িক আৰু নৈতিক ক্ষেত্ৰতো মানুহৰ বিচাৰ অতি প্ৰয়োজনীয়। বিচাৰক, উকীল, কূটনীতিবিদ বা তদন্তকাৰী সাংবাদিকসকলে পৰিস্থিতি, প্ৰমাণ আৰু মানৱীয় উদ্দেশ্য গভীৰভাৱে বিশ্লেষণ কৰি সিদ্ধান্ত লয়। কৃত্ৰিম বুদ্ধিমত্তাই তথ্য বিশে-ষণত সহায় কৰিব পাৰে, কিন্তু ন্যায়বোধ আৰু নৈতিক মূল্যায়নৰ চূড়ান্ত দায়িত্ব মানুহৰ হাততেই থাকে।

কৃত্ৰিম বুদ্ধিমত্তাই সহায়ক হিচাপে বহু ক্ষেত্ৰত দক্ষতা বৃদ্ধি কৰিব, সময় বচাব আৰু উৎপাদনশীলতা উন্নত কৰিব। তথাপিও অনুভূতি, সহানুভূতি, সৃষ্টিশীলতা, নৈতিক বিচাৰ আৰু জটিল সমস্যা সমাধানৰ ক্ষমতা মানুহৰ স্বাভাৱিক শক্তি। ভৱিষ্যতে মানুহ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সহাৱস্থান, সহযোগিতা আৰু সমন্বয়েই কৰ্মক্ষেত্ৰৰ নতুন দিশ নিৰ্ধাৰণ কৰিব; কিন্তু মূল্যবোধ আৰু দায়িত্বৰ কেন্দ্ৰবিন্দু হিচাপে মানুহেই থাকিব।

# ২ মাৰ্চৰ পৰা চাৰিদিনীয়াকৈ বাঁহজানীৰ অগ্নিশালা সত্ৰত ২৫৪ সংখ্যক দৌল মহোৎসৱ

**অসম বাৰ্তা, বাঁহজানী, ১ মাৰ্চ ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ ঐতিহাসিক দামোদৰী সত্ৰ অগ্নিশালা শ্ৰীশ্ৰীকলীয়া সত্ৰত অহা ২ মাৰ্চৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ২৫৪ সংখ্যক সৰ্বজনীন শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰদীপ গোস্বামীক সভাপতি, মনোৰঞ্জন গোস্বামীক কাৰ্য্যকৰী সভাপতি, হৰেন ডেকা আৰু অনিল ৰাজবংশীক যুটীয়া সম্পাদকদ্বয় হিচাপে লৈ এখন দৌল মহোৎসৱ পৰিচালনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২ মাৰ্চৰ সন্ধিয়া সাত বজাত নৰ্থ ইষ্ট কেন্সাৰ হস্পিতাল এণ্ড ৰিচাৰ্জ ইনষ্টিটিউট তথা নলবাৰী নবদ্বীপ হস্পিতালৰ অধ্যক্ষ গণেশ তামোলীয়ে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰিব লগা দৌল মহোৎসৱত ৭-৩০ বজাৰ পৰা পূজা আৰম্ভ হ'ব। ইয়াৰ পিছতে অনুষ্ঠিত হ'ব লগা বহ্নুৎসৱ আৰু আটচবাজী উদ্বোধন কৰিব স্থানীয় বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বুজৰ বৰুৱাই। সেইদিনাই নিশা ৯ বজাৰ পৰা সত্ৰৰ স্থায়ী মঞ্চত বগলচ্ৰোড চ'কৰ নটৰাজ এমেচাৰ গ্ৰুপৰ দ্বাৰা নাট্যাভিনয় অনুষ্ঠিত হ'ব। ৩ মাৰ্চৰ দিনা পুৱা দহ বজাত দৌল পূজা আৰম্ভ, আবেলি দুই বজাত ৰাজহুৱা শান্তি আৰু পুষ্পাঞ্জলি প্ৰদান, সন্ধিয়া সাত বজাত মিলনজ্যোতি লোকসংগীতৰ অনুষ্ঠান আৰু নিশা আঠ বজাৰ পৰা অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দৌল উৎসৱৰ ৪ মাৰ্চৰ দিনা পুৱা দহ বজাত যুগল নাম প্ৰসঙ্গ আৰু আবেলি চাৰি বজাৰ পৰা নাগাৰা নামৰ শিল্পী ক্ৰমে, নলবাৰী লাওঁপাৰাৰ মৌচুমী দাস, নলবাৰী ধমধমাৰ হেমন্ত কলিতা, বালিসত্ৰৰ বিনয় ৰাজকুমাৰৰ নাগাৰা নাম প্ৰদৰ্শন অনুষ্ঠিত হ'ব। ৫ মাৰ্চত পুৱা ১১ বজাত আয়তীৰ নাম প্ৰসংগ, আবেলি ৪ বজাত বাংনাবাৰীৰ সূৰ্য্যমুখী বীৰনাম দলৰ শিল্পী মামনি কলিতা ৰাজবংশীৰ মহিলা ঠিয় নাম আৰু সন্ধিয়া ৬ বজাৰ পৰা খলিহামাৰীৰ শিল্পী নমিতা কলিতা আৰু দৰং দেওমৰনৈৰ শিল্পী ৰাজশ্ৰী চহৰীয়াৰ নাগাৰা নাম প্ৰদৰ্শনেৰে দৌল মহোৎসৱৰ সামৰণি পৰিব। উল্লেখ্য যে অইন বেলিৰ দৰে এইবেলিও দৌল মহোৎসৱ উপলক্ষে ৬ মাৰ্চৰ পৰা ৯ মাৰ্চলৈ চাৰিদিনীয়া কাৰ্য্যসূচীৰে অঞ্চলটোত সুঁৱৰী উৎসৱ পালন কৰা হ'ব।

# '২৬ৰ বিধানসভা নিৰ্বাচনত বিজনী সমষ্টিত প্ৰাৰ্থীত্ব আগবঢ়াব এআইইউডিএফে

**বিজনী সমষ্টিত এআইইউডিএফৰ টিকট দাবীদাৰ জিলা সভাপতি আজাদ আলী আৰু মুছুখা বসুমতাৰী**

**অসম বাৰ্তা, বিজনী, ২৮ ফেব্ৰুৱাৰী ঃ** বিজনী সমষ্টিত প্ৰাৰ্থীত্ব আগবঢ়াব সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এআইইউডিএফে। শনিবাৰে চিৰাং জিলাৰ বিজনীৰ পুৰাণ বিজনী স্থিত এআইইউডিএফৰ বিজনী সমষ্টি কমিটিৰ কাৰ্যালয়ত চিৰাং জিলা কমিটিৰ এখন সভা অনুষ্ঠিত কৰি ঘোষণা কৰে এই কথা। সভাৰ অন্তত এআইইউডিএফৰ নৱ নিৰ্বাচিত চিৰাং জিলা কমিটিৰ সভাপতি আজাদ আলীয়ে এক সংবাদমেলৰ আয়োজন কৰি ২০ নং বিজনী বিধানসভা সমষ্টিত এআইইউডিএফৰ তৰফৰ পৰা প্ৰাৰ্থীত্ব আগবঢ়াব বুলি মন্তব্য কৰি বিজনী সমষ্টিটো এইবাৰ উদ্ধাৰ কৰি দলৰ মুৰব্বী বদৰুদ্দিন আজমলক উপহাৰ দিব বুলি মন্তব্য কৰে। বিজনী সমষ্টিত জিলা সভাপতি আজাদ আলী আৰু মুছুখা বসুমতাৰীয়ে টিকটৰ দাবী উত্থাপন কৰিছে। টিকটৰ দাবীদাৰ দুজন যদিও দুয়োজনৰ মাজত কোনো সংঘাত নাই বুলি উল্লেখ কৰি দলে যিকোনো এজনক টিকট দিয়েও সমষ্টিটো উদ্ধাৰৰ স্বাৰ্থত কোনো আপত্তিনাথাকিব বুলি উল্লেখ কৰে জিলা সভাপতি আজাদ আলীয়ে। সংবাদমেলতে এআইইউডিএফৰ কেন্দ্ৰীয় কমিটিয়ে অনুমোদন জনোৱা ৩২ জনীয়াকৈ চিৰাং জিলা কমিটিখন গঠন কৰা বুলি জানিব দিয়ে। জিলা কমিটিখনত আজাদ আলীক সভাপতি, জেব্ৰা ৰাম মুছাহাৰী আৰু হাবিজুৰ ৰহমানক কাৰ্যকৰী সভাপতি, মৌলানা জাহ্নিুৰ আলীক সাধাৰণ সম্পাদক, সাংগঠনিক সাধাৰণ সম্পাদক মুছুখা বসুমতাৰী, ছুৰমান আলীক প্ৰচাৰ বিভাগৰ সাধাৰণ সম্পাদক হিচাবে দ্বায়িত্ব অৰ্পণ কৰি ৩২ জনীয়া চিৰাং জিলা কমিটি গঠন কৰা হয় বুলি জানিব দিয়ে সভাপতি আজাদ আলীয়ে।

## নতুন গৃহত লগাবলৈ অনা ২৬ চলা টিনপাত লৈ চোৰ উধাও

# হিন্দু জাপৰিৰ বৰ নামঘৰত চোৰৰ উপদ্ৰৱ

**অসম বাৰ্তা ভূৰাগাঁও, ১ মাৰ্চ ঃ** মৰিগাঁও জিলাৰ হিন্দু জাপৰিত চোৰৰ উপদ্ৰৱে স্থানীয় লোকক আতংকিত কৰিছে। যোৱা নিশা হিন্দু জাপৰি বৰ নামঘৰতো চোৰে উপদ্ৰৱ চলাই। স্থানীয় অৱসৰ প্ৰাপ্ত শিক্ষক সুসেন ডেকাই আজি জানিব দিয়া মতে মামঘৰটো নিৰ্মাণৰ কাম চলি আছিল অসম দৰ্পন আঁচনিৰ পুঁজিৰে। কাম প্ৰায় সম্পূৰ্ণ হোৱা নামঘৰ টোৰ ওপৰৰ টিনপাত লগাবলৈহে বাকী আছিল। নামঘৰভাগত লগাবৰ বাবে ৰাইজে ২৬ চলা নতুন টিনপাত আনি জমা কৰি ৰাখিছিল নামঘৰ চৌহদত। কিন্তু যোৱা নিশা চোৰে আতাইখিনি টিনপান চুৰি কৰি উধাও হয়। সুসেন ডেকাই জানিব দিয়া মতে স্থানীয় লোকে চোৰ হোৱা কিছু টিনপাত গাঁৱৰে বীৰেন ডেকা নামৰ লোক এজনৰ ঘৰত প্ৰত্যক্ষ কৰিছে। ৰাইজৰ সন্দেহ বীৰেন ডেকা নামৰ লোক জনেই টিনপাতখিনি চোৰ কৰি নিছে। ঘটনাৰ সন্দৰ্ভত আজি ভূৰাগাঁও থানাত ৰাইজে এজাহাৰ দাখিল কৰিছে যদিও বাতৰি লিখা পৰলৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱা নাই। চোৰ টোক কৰায়ত্ব কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী কৰিছে স্থানীয় লোকে।

## সত্ৰাধিকাৰ ভৱানন্দ দেৱ গোস্বামীক "শাস্ত্ৰবিদ্যাৰ্ণৱ" উপাধি প্ৰদান অনুষ্ঠানৰ আয়োজন

# মাজুলীৰ বেঙেনাআটী সত্ৰত পুৰুযোত্তম যুৱ সমাজৰ উদ্যোগত তিনিদিনীয়া ফল্গুৎসৱৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১ মাৰ্চ ঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰত পুৰুযোত্তম যুৱ সমাজৰ উদ্যোগত ঐতিহ্য আৰু পৰম্পৰা অনুসৰি বিস্তৃত কাৰ্যসূচীৰে কাইলৈ ২'মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ফল্গুৎসৱৰ আয়োজন কৰা হৈছে। উক্ত, ফল্গুৎসৱ উপলক্ষে সমগ্ৰ সত্ৰখন সজাই পৰাই তোলা হৈছে। ফল্গুৎসৱ উপলক্ষে ২ মাৰ্চৰ সন্ধিয়া "মেষ দাহ"ৰে উক্ত আধ্যাত্মিক অনুষ্ঠান শুভাৰম্ভ কৰা হ'ব। এটা ভেলাঘৰত ছাগলীৰ নোম জ্বলাই প্ৰতিকী ৰূপত মেষ দাহ কৰা হ'ব। ৩ মাৰ্চত বেঙেনাআটী সত্ৰৰ নামঘৰত ফল্গুৎসৱৰ "মহা পূজা" কৰা হ'ব। তাৰপিছত নাম কীৰ্তন পৰিৱেশন কৰা হ'ব। সেইদিনা দুপৰীয়া মাজুলী ভিত্তিত দিহানাম প্ৰতিযোগিতা আয়োজন কৰা হৈছে। উক্ত, দিহানাম প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ভৱানন্দ দেৱ গোস্বামীক "শাস্ত্ৰবিদ্যাৰ্ণৱ" উপাধি প্ৰদান কৰা হ'ব। ৪ মাৰ্চত বাসুদেৱ বিগ্ৰহ "ফুৰনি" অনুষ্ঠান অনুষ্ঠিত হ'ব। ফল্গুৎসৱ উপলক্ষে সমগ্ৰ সত্ৰখনৰ চৌদিশে ফাকুৱা নাম পৰিৱেশন কৰি কৰি বিগ্ৰহ ফুৰুৱা হ'ব। সেইদিনা ৰাতিলৈ মাজুলীৰ বাচকবনীয়া শিল্পী সমাজৰ দ্বাৰা "শ্ৰীশ্ৰী ভগৱত দৰ্শন" ভাওনা প্ৰদৰ্শন কৰা হ'ব। উক্ত, ফল্গুৎসৱৰ সকলো কাৰ্যসূচীত ৰাইজৰ সহায় সহযোগ আৰু উপস্থিতি উদ্যোক্তা সকলে কামনা কৰিছে।

## মাজুলী ভিত্তিত দিহানাম প্ৰতিযোগিতা

## কামৰূপ জিলাৰ হাজোৰ প্ৰখ্যাত নাগাৰা নামৰ দল "নমো বিষ্ণু নাগাৰা নাম"ৰ দলৰ নাম পৰিৱেশনেৰে ভাগৱৰ পাঠৰ সামৰণি

# সৰুপথাৰৰ ১নং পাৰঘাট শ্ৰী শ্ৰী সৰ্বজনীন নামঘৰত ৪ দিনীয়াকৈ অবিৰত ভাগৱত পাঠ

**অসম বাৰ্তা, সৰুপথাৰ, ১ মাৰ্চ ঃ** সৰুপথাৰ সমজিলাৰ পদুমণি পাৰঘাটৰ ১নং পাৰঘাট শ্ৰীশ্ৰী সৰ্বজনীন নামঘৰ অবিৰত ভাগৱত পাঠ অনুষ্ঠান। ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ৩৩ সংখ্যক বাৰ্ষিক অবিৰত ভাগৱত পাঠ অনুষ্ঠান। ধৰ্মীয় পৰম্পৰা আৰু আধ্যাত্মিক পৰিৱেশৰ মাজত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। এই অনুষ্ঠানে সমগ্ৰ অঞ্চলটোলৈ এক পবিত্ৰ, আধ্যাত্মিক পৰিৱেশ নমাই আনিছে। ২৭ ফেব্ৰুৱাৰীৰ পুৱাৰ ভাগৱত ভ্ৰমণেৰে ভক্তিৰসত বুৰ গৈছে সৰুপথাৰৰ ১নং পাৰঘাটৰ ভক্তপ্ৰাণ ৰাইজ। অসমীয়াৰ আধ্যাত্মিক প্ৰাণকেন্দ্ৰ নামঘৰৰ পবিত্ৰ মজিয়াত পুনৰ এবাৰ গুঞ্জড়িত হৈছে হৰিনামৰ ধ্বনিৰে অবিৰত ভাগৱত পাঠ অনুষ্ঠান। বছৰ বছৰ ধৰি চলি অহা এই পৰম্পৰাই চলিত বৰ্ষতো ভকত-বৈষ্ণৱ তথা স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী যোৱা ২৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা এই ধৰ্মীয় অনুষ্ঠানটি আগন্তুক ২ মাৰ্চত সামৰণি পৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ভাগৱত পাঠৰ উপৰিও বিভিন্ন আধ্যাত্মিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তৃতীয় দিনটোত নামঘৰ প্ৰাংগণত ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। দূৰ-দূৰণিৰ পৰা অহা ভক্তসকলে শৰাই-নৈবেদ্য আগবঢ়াই ভগৱানৰ আশীৰ্বাদ গ্ৰহণ কৰিছে। এই বৰ্ষৰ অনুষ্ঠানৰ অন্যতম বিশেষ আকৰ্ষণ হ'ল সামৰণি দিনটোৰ সাংস্কৃতিক অনুষ্ঠান। শেষৰটো দিনা ২ মাৰ্চৰ নিশা এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এই ৩৩ সংখ্যক অবিৰত ভাগৱত পাঠৰ সামৰণি পৰিব। সামৰণি অনুষ্ঠানত বিশেষভাৱে আমন্ত্ৰণ জনোৱা হৈছে কামৰূপ জিলাৰ হাজোৰ প্ৰখ্যাত নাগাৰা নামৰ দল "নমো বিষ্ণু নাগাৰা নাম।" হাজোৰ এই দলটোৰ দ্বাৰা পৰিৱেশন কৰিবলগীয়া নাগাৰা নামে ভক্তসকলক বিশেষভাৱে আপ্লুত কৰিব বুলি পৰিচালনা সমিতিয়ে আশা প্ৰকাশ কৰিছে।



# বিটিচি চৰকাৰৰ পাঁচ গেৰাণ্টি আঁচনিৰ ৰূপায়ণৰ উদ্দেশ্যে গোসাঁইগাঁৱৰ কাশিয়াবাৰিত চেক বিতৰণ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** (বিটিচি) চৰকাৰৰ পাঁচ গেৰাণ্টি আঁচনিৰ সফল ৰূপায়ণৰ উদ্দেশ্যে গোসাঁইগাঁও মহকুমাৰ ৪নং যুমদুৱাৰ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত কাশিয়াবাৰিত এক বিশেষ চেক বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত ভূমিহীনক ভূমিৰ পট্টা প্ৰদান কৰে মহিলা আত্মসহায়ক গোটসমূহক ১৫ হাজাৰ টকা কৰি, যুৱ-প্ৰজন্মৰ যুৱ-যুৱতীসকলক ১০ হাজাৰ টকা আৰু জ্যেষ্ঠ নাগৰিক তথা বিকলাঙ্গ ব্যক্তিসকলক আৰ্থিক সহায় হিচাপে চেক প্ৰদান কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে বিটিচিৰ কাৰ্যবাহী সদস্য মিঠুঞ্জয় নাৰ্জাৰী, ৪ নং যুমদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ উইলিয়াম নাৰ্জাৰী, গোসাঁইগাঁও জিলা বিপিএফৰ সভপতি সভাৰাম বসুমতাৰী, সম্পাদক বিল্লকুমাৰ ব্ৰহ্ম, কেন্দ্ৰীয় বিপিএফ নেতা ড্ৰবো কুমাৰ ব্ৰহ্মসহ দলৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মীসকল। যমদুৱাৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ উইলিয়াম নাৰ্জাৰীয়ে ভাষণ প্ৰদান কৰি কয় যে যোৱা বিটিচি নিৰ্বাচনত হাগ্ৰামা মহিলাৰীয়ে যি পাঁচটা গেৰাণ্টিৰ প্ৰতিশ্ৰুতি দিছিল সেই গেৰাণ্টি সমূহ পূৰণ কৰা যোৱা ২৫ তাৰিখৰ পৰা আৰম্ভ হৈছে আজি কোকৰাঝাৰ জিলাৰ ৪ নং যমদুৱাৰ পৰিষদীয় সমষ্টিত আজি আৰম্ভ কৰা হয় এই পাঁচ গেৰাণ্টি আঁচনিৰ জৰিয়তে সমাজৰ দুখীয়া আৰু প্ৰয়োজনীয় লোকসকলক আৰ্থিকভাৱে সবল কৰাৰ লক্ষ্য লৈ কাম আগবঢ়োৱা হৈছে।

# বটদ্ৰৱাৰ ধনিয়াভেটিত কাপোৰৰ দোকানত নিশা চোৰৰ প্ৰৱেশ

**অসম বাৰ্তা, বটদ্ৰৱা, ১ মাৰ্চ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত ধনিয়াভেটি গাঁৱত যোৱা নিশা এক চুৰিকাণ্ডৰ ঘটনা সংঘটিত হয়। গাঁৱৰ এখন কাপোৰৰ দোকানত কোনো লোক নথকাৰ সুযোগ লৈ দুষ্কৃতিকাৰীয়ে ভেৰ কাটি দোকানটোত প্ৰৱেশ কৰি চুৰিৰ চেষ্টা চলায়। জানিব পৰা মতে, চোৰে দোকানৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল যদিও হঠাতে বাহিৰৰ পৰা মানুহৰ মাত শুনি তৎক্ষণাৎ দোকানৰ পৰা ওলাই পলাই যায়। ফলত বৃহৎ ধৰণৰ সামগ্ৰীৰ ক্ষতি হোৱা নাছিল বুলি প্ৰাথমিকভাৱে জানিব পৰা গৈছে। ঘটনাস্থলীত এৰি থোৱা এখন চিএনজি অটো (নং AS-31C-2248) গাঁৱৰ ৰাইজে উদ্ধাৰ কৰে। অটোখনৰ পৰা এখন আধাৰ কাৰ্ড, এখন পেন কাৰ্ড আৰু দুটাকৈ এটিএম কাৰ্ডো উদ্ধাৰ কৰা হয়। সন্দেহ কৰা হৈছে যে উক্ত অটোখন চোৰেই ব্যৱহাৰ কৰি ঘটনাস্থলীত আহিছিল। এই সন্দৰ্ভত ভুক্তভোগীয়ে বটদ্ৰৱা আৰক্ষী থানাত এখন লিখিত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ প্ৰয়োজনীয় তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। চুৰিকাণ্ড সন্দৰ্ভত অধিক তথ্যৰ বাবে আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# পথালিপাহাৰত আগন্তুক ৫ দিনীয়া কাৰ্যসূচীৰে ভাওনা সমাৰোহ; লাইখুঁটা স্থাপন

**অসম বাৰ্তা, বান্দৰদেৱা, ১ মাৰ্চ ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰবাসী ৰাইজৰ সহযোগত অহা ২০ মাৰ্চৰ পৰা ২৪ মাৰ্চ (২০২৬)লৈ পাঁচ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পথালিপাহাৰ বৰ নাঘৰৰ প্ৰাংগণৰ মাধৱদেৱ ৰংগক্ষেত্ৰত উদযাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত ভাওনা সমাৰোহৰ লাই খুটা ভাগি আজি স্থাপন কৰা উদ্দেশ্যে পুৱা ভাগতে নাম প্ৰসংগ আৰু আই সকলৰ দিহানামেৰে শুভ উদ্বোধন কৰা হয়। মাধৱদেৱ ৰংগক্ষেত্ৰ স্থলীত লাইখুঁটা ভাগি স্থাপন কৰে ধুৱাহাট বেলগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী মুনিন্দ্ৰ দেৱ গোস্বামীয়ে। পাঁচ দিনীয়া কাৰ্যসূচীৰ মুখ্যতঃ আঠখন ভাওনাৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২০ মাৰ্চ তাৰিখে উদ্বোধনী হিচাপে "ৰাম বিজয়" নাটখনি প্ৰদৰ্শন কৰিব দয়াময় নাট্য গোষ্ঠী, পথালিপাহাৰ। ৰাম পৰাজয় সীতাৰ পাতাল গমন, (নটৰাজ নাট্য গোষ্ঠী, ৰাজবাৰী)গজেন্দ্ৰ উপাখ্যান, (মুৰাৰী নাট্য গোষ্ঠী, লালুক)। ২১ মাৰ্চ তাৰিখে সিন্ধুমুনিৰ পিতৃ ভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ, (নটবৰ নাট্য গোষ্ঠী, উত্তৰ লখিমপুৰ)লক্ষ্মণ বৰ্জন, (পাঞ্চজন্য শিল্পী সমাজ, উত্তৰ লখিমপুৰ)। ২২ মাৰ্চ তাৰিখে ধৃতৰাষ্ট্ৰৰ গান্ধাৰী মিলন গান্ধাৰ পতন, (অগ্ৰণী নাট্য গোষ্ঠী, নাৰায়ণপুৰ) কুমৰ হৰণ, (প্ৰয়াস নাট্য গোষ্ঠী, কাটৰী চাপৰি)। ২৩ মাৰ্চ তাৰিখে সাবিত্ৰী সত্যবান, (বামুণ দলনী ভাওনা দল, পছুমৰা) অম্বাৰ দেহ ত্যাগ, (সাৰঙ্গপানি নাট্য গোষ্ঠী, ঢেকীয়াজুলি, লালুক)। ২৪ মাৰ্চ তাৰিখে মূল সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি ভাওনা সমাৰোহৰ দিনৰ ভাগৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ দহ হাজাৰ গোপিনীৰ দ্বাৰা ঘোষাপাঠ অনুষ্ঠান আৰু ২০০ গায়ন বায়ন প্ৰদৰ্শন। লগতে অসম বৈদিক যুৱ সমাৰোহ, সূত্ৰ নৃত্য প্ৰতিযোগিতা আৰু মাতৃভাষা ভাওনাৰ সংলাপ প্ৰক্ষেপন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। উল্লেখ্য যে উক্ত ভাওনা সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও সত্ৰাধিকাৰ।

# হৰিনাম কীৰ্তনেৰে মুখৰ পুৰণি কুমৰাকাটা নৱনিৰ্মিত নামঘৰ উদ্বোধন



**অসম বাৰ্তা, লেংটিছিঙা, ১ মাৰ্চ ঃ** বাপ-ভকত, আই-মাতৃৰ উপস্থিতিত হৰিনাম কীৰ্তনেৰে মুখৰ কৰা এক অনাবিল ভকতিময় পৰিৱেশত আজি বঙাইগাঁও জিলাৰ পুৰনি কুমৰাকাটাত নৱনিৰ্মিত নামঘৰৰ শুভ উদ্বোধন কৰা হয়। নামঘৰটো উদ্বোধন কৰে অভয়াপুৰীৰ সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে। নামঘৰটো উদ্বোধন কৰি দিয়া ভাষণত সমাজকৰ্মী পাঠকে কয় যে, নামঘৰ গুৰুজনাৰ সৃষ্টি কৰ্মৰাজিৰ ভিতৰত অন্যতম অৱদান। নামঘৰে অসমীয়া সমাজ জীৱনৰ ধাৰ্মিক, সাহিত্য, সংস্কৃতি, শৈক্ষিক আদি দিশৰ বিকাশত অৰিহনা যোগোৱাই নহয়, ঐক্য, সম্প্ৰীতি অটুত ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। অভয়াপুৰী কলেজৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সম্পাদক তাপচ দাস, মনোজ দাস, কৰবী পাঠক আদিৰ উপস্থিতিত পাঠকে আকৌ কয় যে, নামঘৰটোৱে পুৰনি কুমৰাকাটা অঞ্চলটোত সত্ৰীয়া সংস্কৃতিৰ বিকাশত অৰিহনা যোগাব বুলিও আশা ব্যক্ত কৰে। অনুষ্ঠানত উপস্থিত থাকি দিয়া ভাষণত পঞ্চায়ত সভাপতি মৃণাল পাঠকে কয় যে, ৰাইজৰ দান বৰঙনিৰে নামঘৰটোৰ কাম আৰম্ভ কৰাৰ পাছত নিৰ্মাণ কাৰ্য আধৰুৱা হৈ আছিল। কিন্তু সমাজকৰ্মী পাঠকে নিজৰ গাঁথিৰ ধন ভাঙি নামঘৰটো সম্পূৰ্ণ কৰিলে। ইয়াৰ বাবে সমাজকৰ্মী পাঠকৰ শলাগ লয়।

# চৌকী আঞ্চলিক হাইস্কুলৰ সহঃ শিক্ষক ধৰ্মেশ্বৰ দাসক বিদায় সম্ভাষণ

**অসম বাৰ্তা, কমলপুৰ, ১ মাৰ্চ ঃ** বিগত ১৯৮৯ চনত প্ৰতিষ্ঠা হোৱা কামৰূপ জিলাৰ অন্তৰ্গত চৌকী আঞ্চলিক হাইস্কুলত ১৯৯০ চনৰ ২১ এপ্ৰিল তাৰিখে শিক্ষকৰূপে হিচাপে যোগদান কৰিছিল ধৰ্মেশ্বৰ দাসে। তেতিয়াই বিদ্যালয়খনৰ গৃহ নিৰ্মাণকে আদি কৰি ৰাইজৰ দান-বৰঙণি সংগ্ৰহ কৰি চৰকাৰী কাম কাজবোৰ আগবঢ়াই নি ১৯৯৮ চনত বিদ্যালয়খনে চৰকাৰী স্বীকৃতি সম্পন্ন কৰিবলৈ সক্ষম হৈছিল কিন্তু দুখৰ বিষয় চৰকাৰী অৱহেলাৰ বাবেই বহু সংগ্ৰামৰ অন্তত ২০১৩ চনলৈ বিনা বেতনে কাম কৰি থাকিব লগা হৈছিল ধৰ্মেশ্বৰ দাসে। সুদীৰ্ঘ ২৩ বছৰ বিনা-বেতনে আৰু চৰকাৰী কৰ্মচাৰী হিচাপে ১৩ বছৰ তেখেতৰ কৰ্মময় জীৱনৰ সামৰণি মাৰি বিগত ৩১ জানুৱাৰী তাৰিখে চৰকাৰী ভাৱে অৱসৰ গ্ৰহণ কৰে। আজি শিক্ষক দাসক ৰাজহুৱাভাৱে বিদায় সম্ভাষণ জনোৱা হয়। ছাত্ৰ-ছাত্ৰীৰ অতি প্ৰিয় তথা দায়িত্বশীল শিক্ষক হোৱা বাবেই চৌকীগেট অঞ্চলৰ ৰাইজে আজি বিদায় বেলাত তেখেতক নতুন শিক্ষক চৰকাৰীভাৱে নিযুক্তি নোহোৱা পৰ্য্যন্ত বিদ্যালয়ত পাঠদান কৰি সহায় কৰি যাবলৈ অনুৰোধ ৰাখে। দাসেও সেই অনুৰোধ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত উপস্থিত থাকে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ইন্দ্ৰেশ্বৰ দাস, বৰ্তমানৰ সভাপতি কমলা কান্ত দাস, হেল্প টু হেল্প গ্ৰুপ"ৰ সভাপতি যনীলকান্ত নাথ সম্পাদক তৰনী ডেকা, শিক্ষক শ্ৰীনৰ কুমাৰ নাথ, কৃষ্ণ বড়ো, কামৰূপ জিলাৰ ফুটবল এছোচিয়েচন সভাপতি জন্মি দাস, গ্লোবেল এছোচিয়েচনৰ সম্পাদক ভূপেন দাস, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকল। ইয়াৰোপৰি আৰ্য্য কলেজৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা ড° শ্ৰুতিধাৰা কাশ্যপ আৰু বহু সংখ্যক অভিভাৱক, শুভকাংক্ষী।

এক পৃষ্ঠাৰ পৰা

# বিমান বাতিল; ডুবাইত আবদ্ধ পি ভি সিন্ধু

বন্ধ হৈ পৰিছে। এই পৰিস্থিতিত ভাৰতৰ দ্বিগুণ অলিম্পিক পদক বিজয়ী বেডমিণ্টন খেলুৱৈ পি ভি সিন্ধু ডুবাইত আবদ্ধ হৈ পৰিছে। সিন্ধুৱে ব্ৰিটেইনৰ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া প্ৰতিষ্ঠিত অল ইংলেণ্ড ওপেন বেডমিণ্টন চেম্পিয়নশ্বিপৰ বাবে যাত্ৰা কৰিছিল। বেংগালুৰুৰ পৰা যাত্ৰা কৰি ডুবাইত ট্ৰানজিট কৰি থকাৰ সময়তে বিমান সেৱা বন্ধ হৈ যোৱাত তেওঁ আৰু তেওঁৰ ইণ্ডোনেছিয়ান কোচ ইৰৱানছ্যাহ আদি প্ৰতামাসহ দলটো বিমানবন্দৰতে আটক হৈ পৰে। টুৰ্নামেণ্টখন ৩ মাৰ্চৰ পৰা আৰম্ভ হ'ব বুলি জনা গৈছে। সামাজিক মাধ্যমত পোষ্ট কৰি সিন্ধুৱে তেওঁৰ অভিজ্ঞতা বৰ্ণনা কৰিছে। তেওঁ কয় যে, বিমানবন্দৰত আশ্ৰয় লৈ থকাৰ সময়তে ওচৰতে বিস্ফোৰণ হয়। কোচজন বিস্ফোৰণৰ স্থানৰ মাত্ৰ ১০০ মিটাৰ দূৰত আছিল বাবে ধোঁৱা আৰু ধ্বংসাৱশেষৰ মাজৰ পৰা দৌৰি ওলাই আহিবলগীয়া হয়। "শেষ কেইঘণ্টামান অতি উত্তেজনাপূৰ্ণ আৰু ভয়ংকৰ আছিল। ওপৰত ইণ্টাৰচেপচনৰ শব্দ শুনিবলৈ পাইছিলোঁ আৰু কেইঘণ্টামানৰ পিছতে বিমানবন্দৰৰ ওচৰতে বিস্ফোৰণ হয়" বুলি সিন্ধুৱে লিখিছে। তেওঁ অধিক কয় যে, এই মুহূৰ্তবোৰ "অতি ভয়ংকৰ" আছিল আৰু জীৱনৰ ভংগুৰতা অনুভৱ কৰিছে। কিন্তু দলৰ সকলোৱে একেলগে থকাৰ বাবে শান্ত আৰু সমৰ্থনমূলক পৰিৱেশত আছে বুলি উল্লেখ কৰে। বৰ্তমান তেওঁলোকক অধিক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হৈছে আৰু ডুবাইৰ কৰ্তৃপক্ষ, এমিৰেটছ এয়াৰলাইন্স আৰু ভাৰতীয় হাইকমিছনৰ সহায়ত নিৰাপদে আছে। ইৰাণৰ প্ৰত্যাক্ৰমণত ডুবাই আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত ড্ৰোন আক্ৰমণৰ ফলত ক্ষতি হৈছে আৰু বিমান সেৱা অনিৰ্দিষ্টকালৰ বাবে বন্ধ কৰা হৈছে। এই সংকটৰ ফলত হাজাৰ হাজাৰ যাত্ৰী বিভিন্ন বিমানবন্দৰত আবদ্ধ হৈ পৰিছে। সিন্ধুৱে প্ৰাৰ্থনা কৰিছে যে সকলোৱে নিৰাপদে থাকক আৰু শান্তি প্ৰতিষ্ঠা হওক। ভাৰতীয় ক্ৰীড়া জগতৰ এই তাৰকাৰ নিৰাপত্তাৰ বাবে দেশবাসীৰ মাজত উদ্বেগ বিয়পি পৰিছে। পৰিস্থিতিৰ ওপৰত নজৰ ৰখা হৈছে আৰু যিমান সোনকালে সম্ভৱ তেওঁলোকক নিৰাপদে গন্তব্যস্থানলৈ যাত্ৰা কৰিবলৈ সহায় কৰা হ'ব বুলি আশা কৰা হৈছে।

## ❑ বিজনী সমষ্টিটো বিজেপিক এৰি দিয়াৰ প্ৰশ্নই নাহে ঃ খুলিলুৰ ৰহমান ❑

# বাগৰগাঁৱত চেক বিতৰণ

**অসম বাৰ্তা, বিজনী, ২৮ ফেব্ৰুৱাৰী ঃ** বিজনীৰ বাগৰগাঁৱত থুৰিবাৰী সমষ্টিভিত্তিত আজি বিটিচি চৰকাৰৰ পাঁচটা গেৰাণ্টিৰ চেক বিতৰণ কাৰ্যসূচী ৰূপায়ণ। চেক বিতৰণ শুভাৰম্ভণি অনুষ্ঠানত আজি প্ৰাৰম্ভিক পৰ্যায়ত পাঁচ গৰাকী বিশেষভাৱে সক্ষম ব্যক্তিলৈ ১০ হেজাৰকৈ টকাৰ চেক, পাঁচজন জ্যেষ্ঠ নাগৰিকলৈ ১০ হেজাৰ, পাঁচটা আত্ম সহায়ক গোটলৈ ১৫ হেজাৰ টকা, বড়োলেণ্ড যুৱ আত্মনিয়োগ কাৰ্যসূচীৰ অধিনত যুৱক সকলোলৈ ২ লাখকৈ টকাৰ চেক প্ৰদান কৰায় লগতে প্ৰতিশ্ৰুতি মৰ্মে মাটিৰ পট্টা বিতৰণ কৰে। থুৰিবাৰী ব্লক বিফিএফৰ সভাপতি সন্তাৰাম বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত উক্ত চেক বিতৰণ কাৰ্যসূচীত থুৰিবাৰী সমষ্টিৰ পাৰিষদ খলিলুৰ ৰহমান মুখ্য অতিথি হিচাবে উপস্থিত থাকি বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে পাঁচটা গেৰাণ্টিৰ প্ৰতিশ্ৰুতি পাঁচ মাহতে পালন কৰা বুলি মন্তব্য কৰি হাগ্ৰামা মহিলাৰী থাকিলেহে বিটিচিৰ উন্নয়ন সম্ভৱ বুলি কয়। আগন্তুক বিধানসভা নিৰ্বাচনত বিজনী সমষ্টিটো মিত্ৰদল বিজেপিক এৰি দিয়া হ'ব বুলি ওলোৱা চৰ্চাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজনী সমষ্টিটো বিজেপিক এৰি দিয়াৰ প্ৰশ্নই নাহে বুলি কয় পাৰিষদ খলিলুৰ ৰহমানে।

# মুখ্যমন্ত্ৰীৰ অহংকাৰ বিনাশ কৰি এইবাৰ অসমত

চৰকাৰ গঠন কৰিব। এই মন্তব্য প্ৰদেশ কংগ্ৰেছ কমিটিৰ গৌৰৱ গগৈৰ। তেওঁ লগতে ছয় জনগোষ্ঠীক কৰা প্ৰতাৰণাৰ উচিত প্ৰত্যুত্তৰ ২৬ ৰ নিৰ্বাচনত দিব বুলি উল্লেখ কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে আজি কেইবা শতাধিক কংগ্ৰেছ কৰ্মীৰ সৈতে নাহৰকটীয়াত এক পদযাত্ৰাত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। নাহৰকটীয়াত কংগ্ৰেছৰ এক প্ৰকাৰৰ নিৰ্বাছনিৰ ৰণডংকা বজায়। সভাপতি গৌৰৱ গগৈৰ উপৰিও এই পদযাত্ৰাত অংশগ্ৰহণ কৰে সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, প্ৰাক্তন মন্ত্ৰী প্ৰণতি ফুকন আদিয়ে।

## ইৰাণ-ইজৰাইল সংঘৰ্ষৰ

আবুধাবি, বাহৰেইনকে ধৰি কেইবাটাও দেশত কৰা প্ৰত্যাক্ৰমণেই মধ্যপ্ৰাচ্যত ভয়ংকৰ অস্থিৰতাৰ সৃষ্টি কৰিছে। এই পৰিস্থিতিৰ ফলত মধ্যপ্ৰাচ্যৰ বহু দেশৰ আকাশমাৰ্গ বন্ধ কৰা হৈছে, যাৰ প্ৰভাৱত আন্তঃৰাষ্ট্ৰীয় বিমান যাতায়াতত ব্যাপক বিঘিনি পৰিছে। ভাৰতৰ অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে জাননী দি কয় যে, ইৰাণ আৰু মধ্যপ্ৰাচ্যৰ কিছু অংশৰ ওপৰত আকাশমাৰ্গৰ নিষেধাজ্ঞাৰ বাবে ভাৰতীয় বিমান সংস্থাসমূহৰ ১ মাৰ্চত প্ৰায় ৪৪৪খন আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা বাতিল হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ আগৰ দিনা অৰ্থাৎ ২৮ ফেব্ৰুৱাৰীত ঘৰুৱা বিমান সংস্থাসমূহৰ ৪১০খন বিমান বাতিল কৰা হৈছিল। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয় আৰু ডিৰেক্টৰেট জেনেৰেল অৱ চিভিল এভিয়েচন (ডি জি চি এ)য়ে বিমান সংস্থাসমূহৰ সৈতে নিয়মীয়াকৈ যোগাযোগ ৰক্ষা কৰি আছে। যাত্ৰী আৰু ক্ৰুৰ সুৰক্ষাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দি বিমান সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে যে, প্ৰয়োজন অনুসৰি বিশ্বব্যাপী সুৰক্ষা প্ৰট'কল আৰু আকস্মিক পৰিকল্পনা অনুসৰি যাত্ৰা পথ সলনি কৰক। ইতিমধ্যে ডি জি চি এই বিমান সংস্থাসমূহক ইৰাণ, চৌদি আৰব, সংযুক্ত আৰব আমিৰাত (ইউ এ ই)কে ধৰি মুঠ ১১খন দেশৰ আকাশমাৰ্গ ২ মাৰ্চলৈকে ব্যৱহাৰ নকৰিবলৈ পৰামৰ্শ দিছে। সমগ্ৰ দেশৰ বিমানবন্দৰসমূহক অপাৰেচনেল এলাৰ্টত ৰখা হৈছে যাতে যাত্ৰা পথ সলনি, অপ্ৰত্যাশিত অৱতৰণ, যাত্ৰীৰ সুবিধা, গ্ৰাউণ্ড হেণ্ডলিং, পাৰ্কিং বে, ক্ৰু লজিষ্টিক আদি বিষয়সমূহ সুচাৰুৰূপে পৰিচালনা কৰিব পৰা যায়। যাত্ৰী সহায় নিয়ন্ত্ৰণ কক্ষ (পিএচিআৰ)ৰ জৰিয়তে যাত্ৰীসকলৰ সমস্যাসমূহ নিৰীক্ষণ কৰি তৎকালীন সমাধানৰ ব্যৱস্থা কৰা হৈছে। ২৮ ফেব্ৰুৱাৰীত এয়াৰসেৱাত ২১৬টা অভিযোগ লিপিবদ্ধ হৈছিল আৰু তাৰে ১০৫টা অভিযোগৰ সমাধান কৰা হৈছে। একেদৰে চৌদি আৰবে আবদ্ধ হৈ থকা ভাৰতীয় যাত্ৰীসকলে ভাৰতীয় দূতাবাসৰ ২৪৭ হেল্পলাইন নম্বৰৰ জৰিয়তে যোগাযোগ কৰিব পাৰে। দূতাবাসে যাত্ৰীসকলক নিজ নিজ বিমান সংস্থাৰ আপডেটসমূহ অনুসৰণ কৰিবলৈ আহ্বান জনাইছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডুৱে জ্যেষ্ঠ বিষয়াসকল, ডি জি চি এ, বিমানবন্দৰ কৰ্তৃপক্ষ, বিমান সংস্থা আৰু বিমানবন্দৰ পৰিচালকসকলৰ সৈতে বিশেষ বৈঠক অনুষ্ঠিত কৰি যাত্ৰী আৰু ক্ৰুৰ সুৰক্ষাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াৰ নিৰ্দেশ দিছে। বিমান সংস্থাসমূহক বাতিল হোৱা বিমানৰ টিকট পুনৰ নিৰ্ধাৰণ, ৰেহাই আৰু অন্যান্য সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়া হৈছে। এই অস্থিৰতাই বিশ্বৰ বিমান যাতায়াত ব্যৱস্থাত ব্যাপক প্ৰভাৱ পেলোৱাৰ লগতে ভাৰতীয় যাত্ৰীসকলৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। পৰিস্থিতিৰ ওপৰত সকলোৱে নজৰ ৰাখি আছে।

## চাহ শ্ৰমিকৰ মজুৰি মাত্ৰ

কৰাৰ শেহতীয়া সিদ্ধান্তক তীব্ৰভাৱে সমালোচনা কৰিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা) আৰু অসম আদিবাসী যুৱ-ছাত্ৰ সন্থা (আইছা)ৰ দৰে আদিবাসী সংগঠনসমূহে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি এই বৃদ্ধিৰ ঘোষণা কৰিছিল য'ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ শ্ৰমিকসকলৰ বাবে দৈনিক মজুৰি ২৮০ টকালৈ আৰু বৰাক উপত্যকাৰ বাবে ২৫৮ টকালৈ বৃদ্ধি কৰা হৈছে। এই সিদ্ধান্ত ১ এপ্ৰিলৰ পৰা বলবৎ হ'ব বুলি জনোৱা হৈছে। চৰকাৰৰ এই ঘোষণাৰ পূৰ্বে চৰকাৰ, চাহ বাগিচাৰ শ্ৰমিক ইউনিয়ন আৰু মালিকপক্ষৰ মাজত এখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ নতুন শ্ৰম বিধিসমূহ বলবৎ হোৱাৰ পিছত চূড়ান্ত মজুৰি নিৰ্ধাৰণ কৰা হ'ব বুলি চৰকাৰে আশ্বাস দিছে যদিও এই আশ্বাসক ভিত্তিহীন আৰু বিভ্ৰান্তিকৰ বুলি আখ্যা দিছে প্ৰতিবাদী সংগঠনসমূহে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ সভাপতি ৰেজন হৰ'ই বৰ্তমানৰ জীৱনধাৰণৰ ব্যয় আৰু মুদ্ৰাস্ফীতিৰ প্ৰেক্ষাপটত দৈনিক মজুৰি কমেও ৫৫১ টকা নিৰ্ধাৰণ কৰাৰ দাবী পুনৰবাৰ উত্থাপন কৰিছে। তেওঁ কয় যে, চৰকাৰৰ এই সামান্য বৃদ্ধিয়ে শ্ৰমিকসকলৰ মৌলিক প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব নোৱাৰে। "কেৱল ভৱিষ্যতৰ প্ৰতিশ্ৰুতিৰে চাহ বাগিচাৰ শ্ৰমিকসকলে জীয়াই থাকিব নোৱাৰে। সাম্প্ৰতিক মুদ্ৰাস্ফীতিৰ সময়ত ৫৫১ টকাতকৈ কম যিকোনো মজুৰি অন্যায়, শোষণমূলক আৰু অমানৱীয়" বুলি মন্তব্য কৰে। তেওঁ লগতে উল্লেখ কৰে যে, ২০১৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি চৰকাৰে দিয়া ৩৫১ টকাৰ প্ৰতিশ্ৰুতিও বাস্তৱত পূৰণ নোহোৱাত শ্ৰমিকসকলৰ অৰ্থনৈতিক দুৰ্দশা অব্যাহত আছে। চাহ বাগিচাৰ লোকসকলৰ সামাজিক, শৈক্ষিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণ হৈছে এই নিম্ন মজুৰি ব্যৱস্থা। "মৰ্যাদা, উচিত মজুৰি আৰু সাংবিধানিক অধিকাৰ কোনো পুতৌৰ বিষয় নহয়, ই মৌলিক অধিকাৰ। দাবী পূৰণ নোহোৱালৈকে আছাই আন্দোলন তীব্ৰতৰ কৰিব", তেওঁ সকীয়াই দিয়ে। অসম আদিবাসী যুৱ-ছাত্ৰ সন্থাৰ সভাপতি নিপেন মুণ্ডাই চৰকাৰৰ সিদ্ধান্তক শ্ৰমিক বিৰোধী আৰু অন্যায় বুলি অভিহিত কৰিছে। সংগঠনটোৱে কয় যে, এই সামান্য বৃদ্ধিয়ে বৰ্ধিত মুদ্ৰাস্ফীতি আৰু অৰ্থনৈতিক সংকটক একেবাৰে প্ৰতিফলিত নকৰে। "অসমৰ চাহ বাগিচাৰ শ্ৰমিকৰ বাবে সৰ্বনিম্ন দৈনিক মজুৰি কমেও ৫০০ টকা হ'ব লাগে," মুণ্ডাই দাবী কৰে। তেওঁ অধিক কয় যে, এই সিদ্ধান্ত বৰ্তমানৰ মজুৰি আইনৰ মূল উদ্দেশ্যৰ পৰিপন্থী। অসমৰ অৰ্থনীতিৰ মেৰুদণ্ডস্বৰূপ চাহ শ্ৰমিক সম্প্ৰদায়ৰ প্ৰতি এই বৃদ্ধি এক চৰম অন্যায় আৰু অপমান। চৰকাৰক অনতিপলমে মজুৰিৰ গাঁথনি পৰ্যালোচনা কৰি সৰ্বনিম্ন দৈনিক মজুৰি ৫০০ টকাতকৈ কম নহ'বলৈ আহ্বান জনোৱাৰ লগতে দাবী মানি নল'লে সমগ্ৰ ৰাজ্যজুৰি গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে আইছাই। চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া দাবীৰ মাজতে এই অন্তৰ্বৰ্তীকালীন বৃদ্ধিয়ে অসন্তোষ আৰু আন্দোলনৰ সম্ভাৱনাক অধিক তীব্ৰ কৰি তুলিছে। পৰৱৰ্তী উন্নয়নৰ ওপৰত চকু ৰখা হৈছে।

## টিংখাঙত সেৱা লৈ ৰাইজৰ

আগবঢ়াই লৈ গৈছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত চলি থকা এই যাত্ৰাই উজনি অসমৰ বিভিন্ন সমষ্টিত ৰাইজৰ মাজত উৎসাহৰ সৃষ্টি কৰিছে। দেওবাৰে ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিত যাত্ৰাৰ অংশ হিচাপে গৌৰৱ গগৈ সমন্বিতে ৰাজ্যিক কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব উপস্থিত হয়। লেঙেৰীৰ ঘুটুংছিগাৰ পৰা স্থানীয় কংগ্ৰেছ কৰ্মীসকলে বাইক ৰেলীৰে তেওঁক উষ্ণ অভ্যৰ্থনা জনায়। ইয়াৰ পিছতে টিংখাঙৰ ৰাইদঙীয়া বৰনামঘৰত সেৱা লৈ গৌৰৱ গগৈয়ে ৰাইজৰ আশীৰ্বাদ বিচাৰে। সাংবাদিকৰ আগত তেওঁ কয়, "অসমত অসমীয়া সংস্কৃতি সজীৱ আৰু সবল হৈ থকাৰ বাবে নামঘৰত সোমাই সেৱা লৈছোঁ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কিছু বাহিৰা সংস্কৃতি আমাৰ ওপৰত জাপি দিবলৈ বিচাৰে। যোৱা পাঁচ বছৰত অসমৰ নিজা সংস্কৃতি, গুৰু দুজনাৰ আদৰ্শ আদি প্ৰচাৰ কৰাৰ পৰিৱৰ্তে অন্য দেশৰ সংস্কৃতি জাপি দিয়াৰ চেষ্টা চলাইছে। আমি অসমত অসমীয়া ৰীতি-নীতি আৰু পৰম্পৰা ধৰি ৰাখিব বিচাৰোঁ। তাৰ বাবে ৰাইজে আমাক আশীৰ্বাদ প্ৰদান কৰক।" কংগ্ৰেছে 'সময় পৰিৱৰ্তন যাত্ৰা' আৰম্ভ কৰাৰ পিছতে শনিবাৰৰ পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিয়ে 'জন আশীৰ্বাদ যাত্ৰা' আৰম্ভ কৰে। এই যাত্ৰাক তীব্ৰ কটাক্ষ কৰি গৌৰৱ গগৈয়ে কয় যে, "আমাৰ যাত্ৰাৰ সফলতা দেখি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমাৰ যাত্ৰাক নকল কৰিছে।" তেওঁ অভিযোগ কৰে যে, কংগ্ৰেছৰ যাত্ৰাৰ জনপ্ৰিয়তা আৰু ৰাইজৰ সঁহাৰি দেখি বিজেপিয়ে একে ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। বিৰোধী মিত্ৰতাৰ প্ৰস্তাৱৰ সন্দৰ্ভত গৌৰৱ গগৈয়ে জনায় যে, ৰাইজৰ দলৰ সৈতে মিত্ৰতাৰ প্ৰস্তাৱ ইতিমধ্যে আগবঢ়োৱা হৈছে। "এতিয়া আমি ৰাইজৰ দলৰ প্ৰতিক্ৰিয়াৰ বাবে ৰৈ আছোঁ" বুলি তেওঁ কয়। অখিল গগৈৰ নেতৃত্বাধীন ৰাইজৰ দলে সমষ্টি ভাগ-বতৰাত অধিক আসন বিচাৰি থকাৰ মাজতে কংগ্ৰেছে মিত্ৰ দলসমূহৰ সৈতে আলোচনা অব্যাহত ৰাখিছে। উল্লেখ্য যে, অসমৰ ১২৬টা বিধানসভা সমষ্টিত ২০২৬ চনৰ মাৰ্চ-এপ্ৰিল মাহত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। বৰ্তমান বিজেপি নেতৃত্বাধীন এনডিএ আৰু কংগ্ৰেছে নেতৃত্ব দিয়া বিৰোধী ঐক্য দুয়োপক্ষই ৰাইজৰ মাজত নিজৰ প্ৰভাৱ বৃদ্ধিৰ বাবে যাত্ৰা আৰু কাৰ্যসূচীৰ জৰিয়তে প্ৰচাৰ চলাই আছে। এই যাত্ৰাসমূহে ৰাজ্যত ৰাজনৈতিক উত্তাপ বঢ়াই তুলিছে।

## কংগ্ৰেছৰ ৰাজ্যজুৰি

বৈঠক অনুষ্ঠিত কৰে। একে সময়তে বুথ, মণ্ডল আৰু ব্লক পৰ্যায়ৰ কৰ্মীসকলৰ মাজত নিৰ্বাচনী কাম-কাজৰ বাবে আৰ্থিক অনুদান বিতৰণ কৰা হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশত ৰাজ্যখনৰ ৩৫টা জিলাৰ ৩১, ৪৮৬টা বুথ কমিটিৰ সভাপতি আৰু ২, ৭৩২টা মণ্ডলৰ সভাপতিসকললৈ এই আৰ্থিক সহায় প্ৰদান কৰা হয়। প্ৰদেশ কংগ্ৰেছৰ জৰিয়তে জিলা সভাপতিসকলৰ হাতত এই ধন হস্তান্তৰ কৰা হয় যাতে তেওঁলোকে নিজ নিজ অঞ্চলত কৰ্মীসকলৰ মাজত বিতৰণ কৰিব পাৰে। দিনটোত ৰাজ্যৰ প্ৰতিখন জিলাতেই জিলা কংগ্ৰেছ কমিটিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাসমূহত জিলা সভাপতি, তত্ত্বাৱধায়ক সাধাৰণ সম্পাদক, সম্পাদক, ব্লক সভাপতি আদিৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ নেতৃত্ব উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছৰ মুঠ ৩০১টা ব্লকৰ সভাপতিসকলো এই বৈঠকসমূহত অংশগ্ৰহণ কৰে। গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ অধীনৰ পাঁচটা বিধানসভা সমষ্টিৰ ব্লক, মণ্ডল আৰু বুথ কমিটিৰ সভাপতিসকলক লৈ মানৱেন্দ্ৰ শৰ্মা কমপ্লে'ত দিনৰ ১১ বজাৰ পৰা এই বিশেষ বৈঠক অনুষ্ঠিত হয়। মহানগৰ জিলা সমিতিৰ সভাপতি স্বপন দাসৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত গুৱাহাটী মহানগৰৰ সম্ভাব্য প্ৰাৰ্থী আবেদনকাৰীসকলো উপস্থিত থাকে। বৈঠকত প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি নৱ তালুকদাৰ, সাধাৰণ সম্পাদক শান্তনু বৰা, মহিলা কংগ্ৰেছৰ সভাপতি মীৰা বৰঠাকুৰ, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা আদিয়ে ভাষণ প্ৰদান কৰে। সকলোৱে একেলগে ঘোষণা কৰে যে এইবাৰ দিছপুৰত গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ দলৰ চৰকাৰ গঠন হ'ব। সভাত উপস্থিত সকলো প্ৰাৰ্থিত্বৰ আবেদনকাৰীয়ে প্ৰতিশ্ৰুতি দিয়ে যে, দলে যাকেই প্ৰাৰ্থী হিচাপে মনোনীত কৰিব, তেওঁৰ হয়ে নিৰ্বাচনী প্ৰচাৰত নামি পৰিব। লগতে তেওঁলোকে ভয়মুক্ত, শংকামুক্ত আৰু ধৰ্মনিৰপেক্ষ অসম গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰে। বৈঠকত গুৱাহাটী মহানগৰৰ জ্যেষ্ঠ কংগ্ৰেছ নেতা গোপাল শৰ্মা, বিপুল চক্ৰৱৰ্তী, কুশল শৰ্মা, বিদিশা নেওগ, মুনমী দত্ত, শ্বৰিফা বেগমকে ধৰি প্ৰায় সকলো বিশিষ্ট নেতা-কৰ্মী উপস্থিত থাকে। এই সাংগঠনিক বৈঠক আৰু পুঁজি বিতৰণৰ জৰিয়তে কংগ্ৰেছে ৰাজ্যৰ তলৰ স্তৰলৈকে দলীয় কাৰ্যক্ৰমক শক্তিশালী কৰাৰ লগতে নিৰ্বাচনী যুঁজৰ বাবে মাটি সাজু কৰি তুলিছে। ৰাজ্যত বিৰোধী ঐক্য আৰু কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যক্ৰম দিনক দিনে তীব্ৰতৰ হৈ পৰিছে।

## গজৰাজৰ আশীৰ্বাদ লৈ

'জন আশীৰ্বাদ যাত্ৰা'ৰ দ্বিতীয় দিনা শনিবাৰে আৰু দেওবাৰে শোণিতপুৰ জিলাৰ বিভিন্ন অঞ্চলত অভূতপূৰ্ব জনসমৰ্থন লাভ কৰিছে। শনিবাৰে ঢেকীয়াজুলিৰ পৰা নদুৱালৈকে আৰম্ভ হোৱা এই যাত্ৰা দেওবাৰে জাগীৰোডৰ দেওশাল মন্দিৰৰ পৰা আনুষ্ঠানিকভাৱে পুনৰ আৰম্ভ হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলি থকা এই যাত্ৰাত হাজাৰ হাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰি ৰাজপথ ওপচাই পেলায়। যাত্ৰাৰ দ্বিতীয় দিনা সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যজুৰি লাভ কৰা জনসমৰ্থনক 'অভূতপূৰ্ব' বুলি অভিহিত কৰে। তেওঁ কয় যে,জন আশীৰ্বাদ যাত্ৰাৰ প্ৰতি যি ধৰণৰ সঁহাৰি পোৱা গৈছে সেয়া দলৰ আশাৰ বাহিৰত। "ইমান বৃহৎ সংখ্যক লোক পথলৈ ওলাই আহিব বুলি মই কেতিয়াও কল্পনা কৰা নাছিলো। ইয়াৰ পৰা স্পষ্ট যে অসমৰ ৰাইজে আমাৰ চৰকাৰৰ কাম-কাজৰ শলাগ লৈছে আৰু পুনৰ আশীৰ্বাদ দিব বিচাৰিছে", মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে, সমাৰেশৰ সময়ত বহু লোকে ব্যক্তিগতভাৱে তেওঁৰ ওচৰলৈ আহি ধন্যবাদ জনাইছে— কোনোৱে স্বচ্ছ আৰু ন্যায়সঙ্গত চাকৰিৰ ব্যৱস্থাৰ বাবে, কোনোৱে নিজৰ মাটি ঘূৰাই পোৱাৰ বাবে আৰু কোনোৱে অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে। যাত্ৰাত জে চি বি (জেচিবি)ৰ প্ৰতীকী ব্যৱহাৰৰ প্ৰসংগ উত্থাপন হ'লে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে যে ই চৰকাৰৰ ভূমি পুনৰুদ্ধাৰ আৰু উচ্ছেদ অভিযানৰ প্ৰতি অবিৰত দায়বদ্ধতাক প্ৰতিনিধিত্ব কৰে। তেওঁ কয়, "এই জে চি বি আমাৰ উচ্ছেদ অভিযানৰ প্ৰতি শ্ৰদ্ধাঞ্জলি। ইতিমধ্যে আমি প্ৰায় ১.৫ লাখ বিঘা মাটি বেদখলকাৰীৰ পৰা মুক্ত কৰিছোঁ। নিৰ্বাচনৰ পিছত আমি অতিৰিক্ত ৫ লাখ বিঘা মাটিত উচ্ছেদ অভিযান চলাম।" মুখ্যমন্ত্ৰীয়ে কয় যে, বনাঞ্চল, জনজাতি বেল্ট আৰু খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত চৰকাৰ আপোচ নকৰে। "আমি সকলো অবৈধ বেদখলকাৰীক বনাঞ্চল আৰু ট্ৰাইবেল বেল্ট অঞ্চলৰ পৰা উচ্ছেদ কৰিম। খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাটো আমাৰ মৌলিক দায়িত্ব", তেওঁ দৃঢ়তাৰে ঘোষণা কৰে। বিজেপিৰ এই যাত্ৰাক আসন্ন বিধানসভা নিৰ্বাচনৰ পূৰ্বে তৃণমূল পৰ্যায়ত সংগঠন শক্তিশালী কৰাৰ লগতে চৰকাৰৰ উন্নয়নমূলক আঁচনি আৰু সফলতাসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ এক ব্যাপক প্ৰচেষ্টা হিচাপে দেখা গৈছে। যাত্ৰাই শোণিতপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টি সামৰি লৈছে আৰু আগন্তুক দিনবোৰত মৰিগাঁও, নগাঁও, ধেমাজি, তিনিচুকীয়া আদি কেইবাটাও জিলা আৰু সমষ্টি অতিক্ৰম কৰিব। প্ৰতিদিনে প্ৰায় ৭০-৮০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি নেতাসকলে নগৰ আৰু গ্ৰামাঞ্চলত পথসভা, জনসভা আৰু মতবিনিময় কৰি ৰাইজৰ সৈতে পোনপটীয়াকৈ সংযোগ স্থাপন কৰিব। দলীয় সূত্ৰই জনোৱা মতে, এই যাত্ৰা কেৱল ৰাজনৈতিক প্ৰচাৰ নহয়, বৰঞ্চ ৰাইজৰ আশীৰ্বাদ আৰু সমৰ্থন সংগ্ৰহৰ এক আন্তৰিক প্ৰয়াস। মন্ত্ৰী পীযুষ হাজৰীকাই যাত্ৰাৰ প্ৰথম দিনৰ অভিজ্ঞতা বৰ্ণনা কৰি কয় যে, ঢেকীয়াজুলিৰ পৰা চাৰিদুৱাৰলৈকে লাখ লাখ লোকে মুখ্যমন্ত্ৰীক আশীৰ্বাদ জনাবলৈ ৰাজপথত ৰৈ আছিল। "অসমে এনে দৃশ্য আগতে কেতিয়াও দেখা নাই। ই অভূতপূৰ্ব আৰু আগন্তুক দিনত ইয়াৰ পৰিমাণ আৰু বৃদ্ধি পাব", তেওঁ মন্তব্য কৰে। এই যাত্ৰাৰ জৰিয়তে বিজেপিয়ে অসমৰ জনসাধাৰণৰ মাজত পুনৰবাৰ শক্তিশালী সমৰ্থন গঢ়ি তুলিব বিচাৰিছে বুলি ৰাজনৈতিক মহলত বিশ্লেষণ কৰা হৈছে।

## বিৰোধীৰ আসন ভাগ-

প্ৰতিদ্বন্দ্বিতা কৰাৰ লক্ষ্যৰে গঢ় লৈ উঠা এই মিত্ৰতাত কংগ্ৰেছে কেইবাটাও সমষ্টি মিত্ৰ দলসমূহক এৰি দিয়াৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে দলৰ কৰ্মীসকলৰ মাজত ব্যাপক অসন্তোষ আৰু ক্ষোভৰ সৃষ্টি হৈছে। এই পৰিস্থিতিৰ মাজতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যজুৰি আৰম্ভ কৰা 'সময় পৰিৱৰ্তন যাত্ৰা'ৰ অংশ হিচাপে ডিব্ৰুগড়ত উপস্থিত হৈছিল। দেওবাৰে পুৱাৰ পৰাই লেপেটকটা বি চি পি এল গেষ্ট হাউচৰ গেটৰ সন্মুখত কংগ্ৰেছ কৰ্মীসকলৰ ভিৰ জমা হৈ আছিল। খোৱাং আৰু চিচিবৰগাঁও সমষ্টিৰ পৰাও বহু কৰ্মী আহি উপস্থিত হৈছিল। গৌৰৱ গগৈ দলীয় কাৰ্যসূচীৰ বাবে ওলাই অহাৰ লগে লগে কৰ্মীসকলে তেওঁক ঘেৰাও কৰি সমষ্টি এৰি নিদিবলৈ দাবী জনায়। কৰ্মীসকলে কয় যে, খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি খবৰ পাই তেওঁলোকৰ মন ভাঙি গৈছে। তেওঁলোকে দাবী কৰে যে, অসমৰ ১২৬টা সমষ্টিৰ ভিতৰত খোৱাং সমষ্টিত কংগ্ৰেছে জয়লাভ কৰি লুৰীণজ্যোতি গগৈক উপহাৰ দিব পাৰিব, গতিকে এই সমষ্টি কংগ্ৰেছৰ বাবেই ৰখা উচিত। একেদৰে চিচিবৰগাঁও সমষ্টিৰ কৰ্মীসকলে কয় যে, ৰাইজৰ দলক এই সমষ্টি এৰি দিয়াৰ খবৰে তেওঁলোকক অসন্তুষ্ট কৰিছে। ৰাইজৰ দলৰ প্ৰাৰ্থীৰ গণভেঁটি নথকাৰ কথা উল্লেখ কৰি তেওঁলোকে দাবী কৰে যে, সমষ্টিটোত কংগ্ৰেছে নিজৰ প্ৰাৰ্থী দিয়া উচিত। কৰ্মীসকলৰ দাবীসমূহ কিছু সময় শুনি গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত কয় যে, য'তেই গৈছে তাতে দলৰ কৰ্মীসকলৰ দলৰ প্ৰতি টান আৰু বিজেপিক পৰাজিত কৰাৰ উৎসাহ দেখা গৈছে। তেওঁ কৰ্মীসকলৰ মনৰ কথা ভালদৰে শুনিছে বুলি জনাই দলীয় নেতৃত্বক এই বিষয়সমূহ অৱগত কৰাৰ আশ্বাস দিয়ে। উল্লেখ্য যে, কংগ্ৰেছে বিৰোধী মিত্ৰতাৰ অংশ হিচাপে অসম জাতীয় পৰিষদ, ৰাইজৰ দল, বাঁওপন্থী দলসমূহ আদিৰ সৈতে আলোচনা চলাই আছে। দলটোৱে প্ৰায় ১০০টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰিকল্পনা কৰিছে যদিও মিত্ৰ দলসমূহে অধিক আসন বিচাৰিছে। এই আলোচনাৰ মাজতে কৰ্মীসকলৰ ক্ষোভে দলৰ বাবে নতুন প্ৰত্যাহ্বান সৃষ্টি কৰিছে। অসম বিধানসভাৰ ১২৬টা সমষ্টিত ২০২৬ চনৰ মাৰ্চ-এপ্ৰিলৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। ৰাজ্যত ৰাজনৈতিক উত্তেজনা বাঢ়ি আহিছে আৰু আসন ভাগ-বতৰাৰ বিষয়টোৱে বিৰোধী ঐক্যৰ শক্তিক পৰীক্ষা কৰি আছে।

## কুমাৰ ভাস্কৰ বৰ্মা সেতুত

আছিল যাতে ৰাইজে সেতুৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। কিন্তু সেতুখনত দৰ্শনাৰ্থী আৰু পথচাৰীৰ ভিৰ বৃদ্ধি পোৱাৰ লগতে ৰাইজৰ পৰা অহা দাবী-অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি এই সময়সীমা অহা ৭ মাৰ্চলৈকে বৃদ্ধি কৰা হৈছে। জিলা প্ৰশাসনৰ তথ্য অনুসৰি অহা ৮ মাৰ্চৰ পৰা সেতুখন দুচকীয়া, তিনিচকীয়া, লঘু যান-বাহন (LMV), SUV আদিৰ বাবে মুকলি কৰা হ'ব। কিন্তু জনসমাগম আৰু যান-জঁট নিয়ন্ত্ৰণৰ স্বাৰ্থত বাছ আৰু ট্ৰাকৰ দৰে ভাৰী যান-বাহনৰ চলাচল আপাততে অনুমতি দিয়া নহ'ব আৰু অধিক নিৰ্দেশ নোলোৱালৈকে বন্ধ ৰখা হ'ব। প্ৰধানমন্ত্ৰীয়ে ১৪ ফেব্ৰুৱাৰীত উদ্বোধন কৰা এই অত্যাধুনিক সেতুখনে গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ যাতায়াতক অতি সহজ কৰি তুলিছে। উদ্বোধনৰ পিছৰে পৰা সেতুখনত প্ৰাতঃভ্ৰমণ, সন্ধিয়াৰ খোজকাঢ়ি আৰু পৰিয়ালৰ সৈতে ঘূৰি ফুৰা লোকৰ সংখ্যা ব্যাপকভাৱে বৃদ্ধি পাইছে। এই ভিৰ আৰু ৰাইজৰ দাবীক লক্ষ্য কৰি জিলা আয়ুক্ত, আৰক্ষীৰ উচ্চ বিষয়া আৰু যান-বাহন বিভাগৰ বিষয়াসকলে স্থানীয় পৰিদৰ্শন কৰি এই সিদ্ধান্ত গ্ৰহণ কৰে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ এগৰাকী বিষয়াই জনোৱা মতে, "সেতুখনত পথচাৰীৰ সংখ্যা অধিক হোৱাৰ বাবে আৰু ৰাইজৰ পৰা অহা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই আমি পথচাৰী সুবিধাৰ সময়সীমা বৃদ্ধি কৰিছোঁ। ৮ মাৰ্চৰ পৰা লঘু যান-বাহনৰ চলাচল আৰম্ভ হ'ব যদিও ভাৰী যান-বাহনৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰি জনসাধাৰণৰ সুৰক্ষা আৰু যান-জঁট ৰোধ কৰাৰ বাবে বাছ-ট্ৰাকৰ অনুমতি আপাততে দিয়া নাই।" এই সিদ্ধান্তই গুৱাহাটী মহানগৰৰ যাতায়াত ব্যৱস্থাক অধিক সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে। সেতুখনৰ সৌন্দৰ্য উপভোগ কৰিব বিচৰা পথচাৰীসকলে এতিয়াও কেইদিনমানৰ সুবিধা পাব, আনহাতে যাতায়াতৰ প্ৰয়োজনীয়তা থকাসকলে অহা সপ্তাহৰ পৰা লঘু যান-বাহনৰ সুবিধা ল'ব পাৰিব। প্ৰশাসনে ৰাইজক সেতুখনৰ নিয়ম-কানুন মানি চলিবলৈ আৰু সুৰক্ষাৰ প্ৰতি সচেতন হ'বলৈ অনুৰোধ জনাইছে।

## প্ৰতিশোধমূলক হৈ পৰিছে

নিক্ষেপ কৰা হৈছিল আৰু কোনোবাই লক্ষ্য কৰি নপৰাৰ সম্ভাৱনা আছে যে ইয়াক আমেৰিকাৰ নৌবাহিনীৰ কোনো কেৰিয়াৰ ষ্ট্ৰাইক গ্ৰুপক লক্ষ্য কৰি নিক্ষেপ কৰা হৈছিল। চাইপ্ৰাছত থকা যুক্তৰাজ্যৰ দুটা মুখ্য সামৰিক ঘাঁটি—এক্ৰ'টিৰি (RAF Akrotiri) আৰু অন্যান্য অঞ্চলত যুক্তৰাজ্যৰ সেনাৰ উপস্থিতি থকাৰ বাবে এই ঘটনাই অঞ্চলটোত থকা ব্ৰিটিছ সেনা আৰু নাগৰিকসকলৰ নিৰাপত্তাক লৈ উদ্বেগ সৃষ্টি কৰিছে। প্ৰাৰম্ভিক প্ৰতিবেদন অনুসৰি এই মিছাইল নিক্ষেপৰ ফলত কেইবাজনো লোক নিহত আৰু আহত হোৱাৰ খবৰ পোৱা গৈছে। প্ৰথমতে ৪জন লোকৰ মৃত্যু নিশ্চিত কৰা হৈছিল যদিও পিছত ধ্বংসাৱশেষৰ পৰা আন দুজনৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মুঠতে ৬জন লোকৰ প্ৰাণহানি ঘটে আৰু ২০ৰো অধিক লোক আহত হয়। নিৰাপত্তা বাহিনীৰ উদ্ধাৰকাৰী দলে হেলিকপ্টাৰৰ সহায়ত আহতসকলক উদ্ধাৰৰ কাম অব্যাহত ৰাখিছে। এই আক্ৰমণৰ সঠিক লক্ষ্য আৰু প্ৰভাৱ এতিয়াও সম্পূৰ্ণৰূপে পৰীক্ষা কৰি থকা হৈছে। এই ক্ৰমবৰ্ধমান উত্তেজনাৰ প্ৰতি গুৰুত্ব দি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে গুজৰাট, ৰাজস্থান আৰু তামিলনাডুৰ দুদিনীয়া ভ্ৰমণ স্থগিত ৰাখি দিল্লীলৈ ঘূৰি আহিছে। দেওবাৰে নিশা ৯: ৩০ বজাত তেওঁ এখন বিশেষ বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত মূলতঃ মধ্যপ্ৰাচ্যত থকা প্ৰবাসী ভাৰতীয়সকলৰ নিৰাপত্তাৰ বিষয়ে আলোচনা কৰা হ'ব। মধ্যপ্ৰাচ্যত বহুসংখ্যক ভাৰতীয় শ্ৰমিক আৰু প্ৰবাসী বাস কৰে, আৰু চলি থকা অস্থিৰতাই তেওঁলোকক আতংকিত কৰি তুলিছে। বৈঠকত অপাৰেচন অজয় আৰু অপাৰেচন গাংগাৰ দৰে পূৰ্বৰ উদ্ধাৰ অভিযানৰ অভিজ্ঞতাৰ ভিত্তিত পৰিকাঠামো প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হ'ব। বৈদেশিক মন্ত্ৰালয় আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব। বৈঠকত যুদ্ধই ভাৰতীয় অৰ্থনীতিত পেলাব পৰা প্ৰভাৱ বিশেষকৈ খাৰুৱা তেলৰ আমদানিৰ ক্ষেত্ৰত হ'ব আলোচনাৰ বিষয়। ইয়াৰ উপৰিও কূটনৈতিক পদক্ষেপসমূহৰ ওপৰতো গুৰুত্ব দিয়া হ'ব যাতে প্ৰবাসী ভাৰতীয়সকলৰ নিৰাপত্তা নিশ্চিত কৰিব পৰা যায়। প্ৰবাসী ভাৰতীয়সকলৰ সহায়ৰ বাবে ভাৰতীয় দূতাবাসসমূহে জৰুৰী হেল্পলাইন মুকলি কৰিছে। তলত কেইখনমান দেশৰ নম্বৰ দিয়া হৈছে: কুৱেইট: +৯৬৫ ৬৫৫০১৯৪৬, ওমান: +৮০০৭ ১২৩৪ (টোল ফ্ৰী), +৯৬৮ ৯৮২৮ ২২৭০ (ৱাটছএপ), ইৰাণ: +৯৮৯১২৮১০৯১১৫, +৯৮৯১২৮১০৯১০২, চৌদি আৰব: +৯৮৯১২৮১০৯১১৯, +৯৮৯৯৩২১৭৯৩৫৯, ০০-৯৬৬-১১-৪৮৮৪৬৯৭। এই পৰিস্থিতিৰ ওপৰত চকু ৰখা হৈছে আৰু পৰৱৰ্তী উন্নয়ন অনুসৰি অধিক তথ্য প্ৰকাশ কৰা হ'ব।

## অগপ শক্তিশালী মানে

পৰিষদে (অগপ)। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত পূৰ্বৰ পশ্চিম গুৱাহাটী সমষ্টি বিলুপ্ত হৈ নতুনকৈ সৃষ্টি হোৱা মধ্য গুৱাহাটী (চেণ্ট্ৰেল) সমষ্টিত অগপৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই পুনৰবাৰ প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰিছে। কিন্তু বিজেপিয়ে এই সমষ্টি অগপক এৰি দিব নে নাই সেই বিষয়ে এতিয়াও অনিশ্চয়তা বিৰাজমান। এই পৰিস্থিতিৰ মাজতে দেওবাৰে আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ খেলপথাৰত অগপৰ মধ্য গুৱাহাটী বিধানসভা সমষ্টি সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় বিশাল 'সংকল্প সমাৰোহ'। সমাৰোহত অগপই গুৱাহাটী মহানগৰীত নিজৰ শক্তি প্ৰদৰ্শন কৰে আৰু আঞ্চলিকতাবাদক শক্তিশালী কৰাৰ সংকল্প ব্যক্ত কৰে। সমাৰোহত মুখ্য অতিথিৰূপে ভাষণ দি অগপৰ ৰাজ্যিক সভাপতি অতুল বৰাই কয় যে, নিৰ্বাচনৰ বাবে সময় কম হৈ আহিছে আৰু দলৰ কৰ্মী-কৰ্মকৰ্তাসকলে ৰাজ্যজুৰি অহোপুৰুষাৰ্থ কৰি দলক শক্তিশালী কৰি তুলিছে। তেওঁ কয়, "ৰাইজৰ তেজেৰে গঢ়া অগপ দলক ৰাইজৰ মাজতে জীয়াই ৰাখিব লাগিব। অগপ শক্তিশালী হ'লে আঞ্চলিকতাবাদ শক্তিশালী হ'ব।" অতুল বৰাই অসম চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত অগপৰ অৱদানৰ কথা উল্লেখ কৰি কয় যে, কংগ্ৰেছৰ দীৰ্ঘদিনীয়া শাসনৰ সময়ত বিদেশী অনুপ্ৰৱেশৰ ফলত অসম আন্দোলন হৈছিল আৰু তাৰ পৰিণামস্বৰূপে অসম চুক্তি স্বাক্ষৰিত হৈছিল। অগপ দল দুবাৰ শাসনত অহাৰ পিছতো কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থন নথকাৰ বাবে সম্পূৰ্ণ সফলতা লাভ কৰিব নোৱাৰিলে। এতিয়া এনডিএৰ অংশীদাৰ হিচাপে অসম চুক্তিৰ বহু দফা ৰূপায়ণ কৰিবলৈ সক্ষম হোৱা বুলি তেওঁ উল্লেখ কৰে। সভাপতি বৰাই কয় যে, গুৱাহাটীত ব্যাপক উন্নয়ন হৈছে আৰু অসম দ্ৰুতগতিত বিকাশমান ৰাজ্য হিচাপে পৰিগণিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত পুনৰ এনডিএ চৰকাৰ গঠন হ'ব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। তেওঁ নিবনুৱা সমস্যা, ঘৰে ঘৰে সংস্থাপন আৰু উৎপাদন বৃদ্ধিৰ লক্ষ্যৰ কথা উল্লেখ কৰি কংগ্ৰেছ আৰু তাৰ সৈতে মিলিত বিৰোধী শক্তিক উৎখাত কৰাৰ সংকল্প লোৱাৰ আহ্বান জনায়। অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ ৩০ বছৰীয়া বিধানসভা অভিজ্ঞতাৰ প্ৰশংসা কৰি কয় যে, তেওঁ সদায়ে সমষ্টিৰ উন্নয়নৰ বাবে সৰৱ হৈ আহিছে আৰু বিধানসভাত সমস্যাসমূহ উত্থাপন কৰি সমাধান আনিছে। গুৱাহাটীৰ পাহাৰ অঞ্চলত ভূমিৰ পট্টা প্ৰদানৰ প্ৰসংগত কেশৱ মহন্তই কয় যে, বিধায়ক কলিতাই এই বিষয়টো বাৰে বাৰে উত্থাপন কৰি মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰাইছে। আইনী জটিলতাৰ বাবে বিলম্ব হৈছে যদিও নিৰ্বাচনৰ পূৰ্বে পাহাৰৰ খিলঞ্জীয়া লোকসকলক ভূমিৰ পট্টা দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব আৰু আইন সংশোধন কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। কাৰ্যকৰী সভাপতিয়ে অগপ-বিজেপি মিত্ৰজোঁটৰ অধীনত অসম চুক্তিৰ বহু দফা ৰূপায়ণ হোৱাৰ কথা উল্লেখ কৰি কয় যে, ১০ লাখৰো অধিক লোকে ভূমিৰ পট্টা লাভ কৰিছে আৰু খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত হৈছে। তেওঁ ৰমেন্দ্ৰ নাৰায়ণ কলিতাক পুনৰ বিধায়ক হিচাপে নিৰ্বাচিত কৰি মিত্ৰজোঁট চৰকাৰ পুনৰ গঠন কৰাৰ আহ্বান জনায়। সমাৰোহত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপৰিও অগপৰ বিভিন্ন স্তৰৰ নেতৃত্ব উপস্থিত থাকে। এই সমাৰোহে অগপৰ নিৰ্বাচনী প্ৰচাৰৰ আৰম্ভণিৰ সংকেত দিছে বুলি ৰাজনৈতিক মহলত বিবেচিত হৈছে।

## মাজুলীত বিশাল যুৱ সন্মিলন

জিলা সমিতিৰ উদ্যোগত আৰু উজনী মাজুলী, দক্ষিণ-পূৱ মাজুলী, মধ্য মাজুলী আৰু নামনি মাজুলী মণ্ডলৰ সহযোগত দৰিয়াপাৰস্থিত মাজুলী মহাবিদ্যালয় খেলপথাৰত আজি এক বিশাল "যুৱ সন্মিলন" অনুষ্ঠিত হয়। সন্মিলনখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বিশেষ অতিথি হিচাপে উপস্থিত থাকে যুৱ মৰ্চা অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ৰাকেশ দাস আৰু মাজুলীৰ বিধায়ক ভুৱন গাম। পুৱা ১১ বজাত গড়মূৰস্থিত কাছাৰী ময়দানত হেলিকপ্তাৰযোগে অৱতৰণ কৰাৰ পিছতেই কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা অনুষ্ঠানস্থলীত উপস্থিত হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি পবিত্ৰ মাৰ্ঘেৰিটাই কয় যে অসমৰ যুৱ প্ৰজন্মই এখন উন্নত আৰু আত্মনিৰ্ভৰশীল অসম গঢ়াৰ ক্ষেত্ৰত দৃঢ় সংকল্প লৈ আগবাঢ়িছে। তেওঁ কয়, ৰাজ্যখনৰ ভৱিষ্যৎ যুৱ সমাজৰ হাততেই নিৰ্ভৰ কৰে আৰু সেই দায়িত্ববোধৰ সৈতে যুৱকসকল আগুৱাই আহিব লাগিব। জিলা যুৱ মৰ্চাৰ যুৱ সন্মিলনত অংশ লৈ তেওঁ উল্লেখ কৰে যে মাজুলীৰ দৰে ঐতিহ্যমণ্ডিত ঠাইত যুৱ সমাজৰ এই সমাগম আশাব্যঞ্জক। তেওঁ কয়, শিক্ষাৰ লগতে দক্ষতা বিকাশ, উদ্যোগ সৃষ্টিৰ মনোভাৱ আৰু সামাজিক দায়িত্ববোধে এখন শক্তিশালী সমাজ গঢ়ি তুলিব পাৰে। তেওঁ আৰু কয় যে যুৱ সমাজে কেৱল চাকৰিৰ সন্ধানত সীমাবদ্ধ নাথাকি উদ্যোগী মানসিকতাৰে আত্মনিৰ্ভৰ হ'ব লাগিব। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন যুৱমুখী আঁচনিৰ সুফল গ্ৰহণ কৰি নিজকে প্ৰতিষ্ঠিত কৰাৰ আহ্বান জনায় তেওঁ। তেওঁ যুৱ সমাজক একতা, শৃংখলা আৰু শুদ্ধ আদৰ্শৰে আগবাঢ়ি আহি এখন সমৃদ্ধ অসম গঢ়াৰ বাবে আগুৱাই আহিবলৈ আহ্বান জনায়। ইফালে সাংবাদিকৰে মুখামুখি হৈ অসমৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপট সন্দৰ্ভত সোধা কেইবাটাও প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ ৰাজ্য মন্ত্ৰী গৰাকীয়ে বহুকেইটা তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ইয়াৰ ভিতৰত আগন্তুক নিৰ্বাচন প্ৰাকক্ষণত মাজুলীৰ যুৱ ভোটাৰক আকৰ্ষণৰ বাবেই এনেধৰণৰ অনুষ্ঠান আয়োজন কৰা হৈছে নেকি বোলা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী গৰাকীয়ে মূলতঃ কয় পঞ্চায়ত, লোকসভা বা বিধানসভা-প্ৰত্যেক নিৰ্বাচনত মাজুলীবাসীয়ে বিজেপিক সমৰ্থন কৰি আহিছে আৰু বিজেপি নেতৃত্বৰ চৰকাৰে মাজুলী জিলাত কৰা সামগ্ৰীক উন্নয়নে ৰাইজ বিজেপিৰ প্ৰতি আকৃষ্ট হৈছে বুলি উল্লেখ কৰে। ইফালে আগন্তুক নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বৰ বিৰোধী মিত্ৰজোঁট সন্দৰ্ভত মন্ত্ৰী গৰাকীয়ে অখিল গগৈ, লুৰিণ গগৈ, গৌৰৱ গগৈ আৰু অজিত ভূঞাৰ নাম উল্লেখ কৰি কয় যে ইয়াত কোনো নতুনত্ব নাই। কেৱল ৰাজনৈতিক সুবিধাৰ বাবে মিলিত হোৱা প্ৰয়াস চলি আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে ২৪ - ২৫টা মিঞা চিটৰ বাবে নিজৰ মাজতে খোৱাকামোৰা কৰি আছে বুলি উল্লেখ কৰে। মধ্য প্ৰাচ্যৰ যুদ্ধ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে বিদেশস্থিত দূতাবাসসমূহৰ সৈতে নিয়মীয়া যোগাযোগ অব্যাহত আছে আৰু যিকোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত মন্ত্ৰালয়ৰ পৰা আনুষ্ঠানিকভাৱে জনোৱা হ'ব বুলি উল্লেখ কৰে। আনহাতে মাজুলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে শতভাগ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি তেওঁ জানিবলৈ দিয়ে। এই সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ইউনেস্কোৰ ওপৰত নিৰ্ভৰশীল বুলি মন্তব্য কৰে। ইফালে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ ক্ষেত্ৰত ন্যায়পালিকা আৰু কাৰ্যপালিকাই নিজৰ দায়িত্ব পালন কৰি আছে বুলি মন্তব্য কৰি দোষীসকলক শাস্তি প্ৰদান কৰা হ'ব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। সন্মিলনত উপস্থিত থাকে বিজেপি মাজুলী জিলাৰ সভাপতি দীপক গোস্বামী, যুৱ মৰ্চা মাজুলীৰ সভাপতি ঋতুপৰ্ণ শৰ্মা, বিজেপি অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক বিতুপন দলে, জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস, যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক ৰূপম গগৈ, প্ৰভাৰী প্ৰিয় কুমাৰ য়েইন, সহ-প্ৰভাৰী সুচান্দ্ৰ শেখৰ চুতীয়া আৰু বহু কৰ্মকৰ্তা।

## ইউপিপিএল ত্যাগ খাম্পা

বৰগয়াৰীয়ে। খাম্পা বৰগয়াৰীয়ে ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োলৈ আনুষ্ঠানিকভাৱে পদত্যাগ পত্ৰ প্ৰদান কৰিছে। তেওঁ দলৰ উপ-সভাপতি পদৰ লগতে প্ৰাথমিক সদস্যতাৰ পৰাও সম্পূৰ্ণৰূপে পদত্যাগ কৰিছে। এই পদত্যাগে দলৰ ভিতৰত তীব্ৰ অস্থিৰতাৰ সৃষ্টি কৰিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, খাম্পা বৰগয়াৰী অতি শক্তিশালী ৰাজনৈতিক ব্যক্তিত্ব। তেওঁ বিপিএফ (বডোলেণ্ড পিপলছ ফ্ৰণ্ট) দলৰ পৰা ইউপিপিএললৈ যোগদান কৰি অহা বছৰ কেইটাত বিটিচি নিৰ্বাচনত অংশগ্ৰহণ কৰি পৰিষদ হিচাপে নিৰ্বাচিত হৈছিল। বিশেষকৈ ২০২৫ চনৰ বিটিচি নিৰ্বাচনত হাগ্ৰামা মহিলাৰীৰ দৰে প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি চিৰাং দুৱাৰ সমষ্টিত জয়লাভ কৰি ইউপিপিএলৰ স্থিতি মজবুত কৰাত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকা আছিল। জানিব পৰা মতে, পদত্যাগৰ পিছত খাম্পা বৰগয়াৰীয়ে পুনৰ বিপিএফ দলত যোগদান কৰাৰ সম্ভাৱনা অতি প্ৰবল হৈ পৰিছে। কাইলৈ চিৰাঙৰ কাজলগাঁৱত বিপিএফ দলৰ "দিছপুৰ চলো" যাত্ৰা কাৰ্যসূচীত তেওঁৰ উপস্থিতিৰ চৰ্চা তীব্ৰতৰ হৈ উঠিছে। এই যাত্ৰাত যোগদান কৰি তেওঁ আনুষ্ঠানিকভাৱে দললৈ ঘূৰি অহাৰ সম্ভাৱনাক লৈ ৰাজনৈতিক মহলত জল্পনা-কল্পনা চলি আছে। এই ঘটনাই অসমৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বডোলেণ্ড অঞ্চলৰ ৰাজনীতিত নতুন মোৰ দিছে। ইউপিপিএলৰ বাবে এয়া এক মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে, কিয়নো খাম্পা বৰগয়াৰীৰ দৰে প্ৰভাৱশালী নেতাৰ বিদায়ে দলৰ ভোটাৰ ভিত্তিত প্ৰভাৱ পেলাব পাৰে। আনহাতে বিপিএফৰ বাবে ই এক সুযোগ হিচাপে দেখা দিছে। ৰাজনৈতিক বিশে-ষকসকলে কয় যে, এই পদত্যাগ আৰু সম্ভাব্য যোগদানে বডোলেণ্ড অঞ্চলৰ ক্ষমতাৰ সমীকৰণক নতুন দিশ দিব পাৰে।

## যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয়

দিল্লী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এই যুৱ নেতাক পৰৱৰ্তী সময়ত কাৰাগাৰলৈ পঠোৱা হৈছে। পাটিয়ালা হাউছ কোৰ্টে চিবৰ জামিন মঞ্জুৰ নকৰাৰ পিছত তেওঁক তিহাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়। দিল্লী আৰক্ষীয়ে কৰ্তব্যৰত দণ্ডাধীশে প্ৰদান কৰা জামিন আদেশক প্ৰত্যাহ্বান জনোৱাৰ পিছতে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে ভাৰতীয় যুৱ কংগ্ৰেছে সামাজিক মাধ্যম এক্সত কঠোৰ সমালোচনা কৰি এক বিবৃতি প্ৰকাশ কৰিছে। বিবৃতিত উল্লেখ কৰা হৈছে যে দিল্লী আৰক্ষীয়ে ওপৰৰ পৰা নিৰ্দেশ লাভ কৰিছে যদিও ন্যায় প্ৰক্ৰিয়াই শেষত প্ৰাধান্য লাভ কৰিব। সংগঠনটোৱে লিখিছে, "আমাৰ পক্ষৰ শুনানি নলৈকে কৰ্তব্যৰত দণ্ডাধীশৰ জামিন আদেশত স্থগিতাদেশ জাৰি কৰা হৈছে আৰু পৰৱৰ্তী শুনানিৰ তাৰিখ ৬ মাৰ্চ নিৰ্ধাৰণ কৰা হৈছে। আমি এটা সংগঠন হিচাপে ন্যায়িক প্ৰক্ৰিয়াক সন্মান কৰোঁ আৰু এই নিৰ্দেশৰ বিৰুদ্ধে প্ৰতিটো সম্ভাব্য আইনী পদক্ষেপ বিবেচনা কৰি আছোঁ।" আৰু অধিক উল্লেখ কৰি যুৱ কংগ্ৰেছে কয় যে দিল্লী আৰক্ষী আৰু চৰকাৰৰ সকলো পৰিকল্পনা বিফল হ'ব। দিল্লী আৰক্ষীয়ে ভাৰত বিৰোধী বাণিজ্যিক চুক্তিৰ প্ৰশ্নৰ পৰা নিজৰ শীৰ্ষ নেতাসকলক ৰক্ষা কৰিবলৈ যুৱ কংগ্ৰেছৰ নেতা-কৰ্মীসকলক কাৰাগাৰত আবদ্ধ কৰি ৰখাৰ চেষ্টা কৰিছে, কিন্তু সেয়া কেতিয়াও সফল নহ'ব। যুৱ কংগ্ৰেছে অভিযোগ কৰিছে যে তেওঁলোকৰ অধিবক্তাই জামিন বণ্ডৰ আইনী প্ৰক্ৰিয়া চলাই থকাৰ সময়তে দিল্লী আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গোপনে কৰ্তব্যৰত দণ্ডাধীশৰ নিৰ্দেশৰ বিৰুদ্ধে সত্ৰ ন্যায়ালয়ৰ কাষ চাপিছিল। কালি মাজনিশা দিল্লী আৰক্ষীয়ে কৰ্তব্যৰত দণ্ডাধীশৰ সন্মুখত ৰিমাণ্ড বৃদ্ধিৰ আবেদন দাখিল কৰিছিল, যিটো আদালতে অবৈধ বুলি খাৰিজ কৰি চিবক জামিনত মুকলি কৰাৰ নিৰ্দেশ দিছিল। কিন্তু ওপৰৰ পৰা নতুন নিৰ্দেশ লাভ কৰি আৰক্ষীয়ে জামিন স্থগিত কৰাই তেওঁক কাৰাগাৰলৈ পঠিয়াই দিয়ে। জামিন স্থগিত হোৱাৰ পিছতে যুৱ কংগ্ৰেছে দিল্লীস্থিত মুখ্য কাৰ্যালয়ত শান্তিপূৰ্ণ 'ন্যায় সত্যগ্ৰহ' আয়োজন কৰে। ভাৰতীয় যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সংবাদ মাধ্যম সভাপতি বৰুণ পাণ্ডেৱে কয় যে কংগ্ৰেছৰ বহু শীৰ্ষ নেতাই এই সত্যগ্ৰহত অংশগ্ৰহণ কৰি চিব আৰু অন্যান্য কৰ্মীসকলৰ মুক্তিৰ দাবী জনাইছে।

# গোলকগঞ্জত ইটা ভৰ্তি বলেৰ' বাহনৰ দৌৰাত্ম্য; স্কুটী আৰোহীক খুন্দিয়াই পলায়ন

**অসম বাৰ্তা, আগমনি, ১ মাৰ্চ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ ১৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ পুৰণি টোলগেটৰ ওচৰত ইটাভৰ্তি বলেৰো বাহন প্ৰানঘাতী হৈ পৰিছে অভাৰলোড ইটা কঢ়িওৱা বাহন। আজি দিনৰ ১১ মান বজাত ধুবুৰীৰ পৰা হালাকুৰা অভিমুখী এ এচ ১৭ কে ৩০৭৮ নম্বৰৰ স্কুটী এখনক ইটা ভৰ্তি বলেৰো বাহনে প্ৰচণ্ড খুন্দা মাৰি পলায়ন ফলত স্কুটীত দুয়োজনেই চিটিকি পৰে মূৰ, হাত, ফালি যায়। ভাগ্য ক্ৰমে হেলমেট থকাৰ বাবেই জীৱন ৰক্ষা পৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চল জুৰি চাঞ্চল্যৰ সৃষ্টি হয়। স্থানীয় ৰাইজে ততাতৈয়াকৈ আঘাত প্ৰাপ্ত স্কুটি চালক আৰু স্কুটি আৰোহীক চিকিৎসালয় লৈ প্ৰেৰণ কৰে। নীৰৱ বন বিভাগ, পৰিবহণ বিভাগ, আৰু আৰক্ষীৰ ভূমিকাও ৰহস্যজনক। গোলকগঞ্জৰ দফৰপুৰ, বৰুনডাঙা, সাহেবগঞ্জ, অসম পশ্চিমবংগ সীমান্তত ইটা ভাটাৰ বৃহৎ কেলেংকাৰী। নীতি বহিৰ্ভূত ভাবে গঢ়ি উঠিছে ইটা ভাটা। ধ্বংস হৈছে কৃষি ভূমি, ৰাজকোষে হেৰুৱাইছে বৃহৎ পৰিমাণৰ কৰ। সকলো দেখিও গান্ধাৰীৰ ৰূপ ধাৰণ কৰিছে বন বিভাগ, পৰিবহণ, আৰু আৰক্ষী প্ৰশাসন। আগমনীৰ অসম পশ্চিমবংগ সীমান্তৰ খেৰবাৰী ভামনডাঙা অঞ্চলত কাঠফুলাৰ দৰে গজি উঠিছে অবৈধ ইটা ভাটা। ইটা ভাটা সমূহত মাটি যোগানৰ নামত যিদৰে খেতি মাটি খান্দি কৃষি ভূমি ধ্বংস কৰি আছে এয়া ভূমি পুত্ৰ সকলৰ কাৰণে ভয়ংকৰ আগজাননী। এই অভিযোগ কমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সম্পাদক নিখিল ৰায়ৰ। সীমান্ত অঞ্চলত ভাটা সমূহ গঢ়ি উঠাৰ মূলতঃ হল জিএছটি অথবা কৰ ফাঁকি দিয়া। সীমান্তৰ সুযোগ লৈ কৰ ফাঁকি দি হোৰাহোৰে পশ্চিমবংগ লৈ চালান কৰিছে অসমৰ ইটা। সেই বাবেই পথ দুৰ্ঘটনাত মৃত্যুৰ মুখত পৰিছে সাধাৰণ পথচাৰী আৰু চাইকেল আৰু মটৰচাইকেল চালক তথা ৰাইজ। ৰহস্যজনকভাবে এই ক্ষেত্ৰত উদাসীন জিলা প্ৰশাসন। নথি-পত্ৰ হীন জেচিবিৰে অবৈধ ভাবে খান্দি আছে কৃষি ভূমি। জনবসতিপূৰ্ণ এলেকাৰে নথি-পত্ৰ বিহীন ট্ৰেক্টৰেৰে বিপজ্জনক ভাবে কঢ়িয়াইছে মাটি। সকলো চাই দল-সংগঠনৰ প্ৰশাসনৰ অস্থিত্বৰ ওপৰতে সন্দেহ উপজিছে। এই ক্ষেত্ৰত বিভিন্ন সময়ত আয়ুক্ত আনকি মুখ্যমন্ত্ৰীকো অভিযোগ দি সুফল নাপাই মুখ্যমন্ত্ৰীয়ে ধুবুৰীক মাহী আইৰ দৃষ্টিৰে চোৱাৰ অভিযোগ উত্থাপিত হৈছে।

## বিধৱা মহিলাৰ ঘৰৰ খিৰিকীৰ গ্ৰীল ভাঙি লৈ গ'ল সোণৰ অলংকাৰ, নগদ ধন

# গহপুৰ নগৰত দিন দুপৰতে পুনৰ চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১ মাৰ্চ ঃ** বিজেপিৰ "জন আশীৰ্বাদ যাত্ৰা"ত অংশগ্ৰহণৰ বাবে কাইলৈ গহপুৰলৈ আহিব অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ইয়াকে লৈ কটকটীয়া কৰি তোলা হৈছে নিৰাপত্তা ব্যৱস্থা। তদুপৰি গহপুৰ নগৰতো যথেষ্ট তৎপৰতা বৃদ্ধি পাইছে গহপুৰ আৰক্ষীৰ। মুখ্যমন্ত্ৰীৰ আগমনক লৈ গহপুৰ আৰক্ষীয়ে অব্যাহত ৰখা নিৰাপত্তাজনিত তৎপৰতাৰ মাজতে আজি দিন দুপৰতে গহপুৰ নগৰত সংঘটিত হয় আন এক চুৰিকাণ্ড। গহপুৰ আৰক্ষী থানা আৰু গহপুৰ নগৰৰ মাজমজিয়াৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰ নিলগত সংঘটিত হোৱা এই চুৰি কাণ্ডই গহপুৰ আৰক্ষীৰ ফোঁপোলা স্বৰূপ পুনৰ বাৰ উন্মোচিত কৰি তুলিছে। গহপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ধেনুধৰাত আজি দিনদুপৰতে সংঘটিত হোৱা এই চুৰি কাণ্ডত ৰূপা ভূএঞা নামৰ বিধৱা মহিলা গৰাকীৰ গডৰেজত থকা সোণৰ আঙুঠি, ৰূপৰ গহনা, কেঁচা সোণৰ গহণা আৰু নগদ সোতৰ হাজাৰ টকা আৰু পান, আধাৰ, ভোটাৰ কাৰ্ড লৈ যায় এটা চুৰি চক্ৰই। জানিব পৰামতে-ৰূপা ভূএঞা আৰু তেওঁৰ পুত্ৰ ময়ূখ ভূএঞা আজি পুৱা প্ৰায় ১০বজাত ঘৰৰ পৰা ওলাই গৈছিল নাম-সেৱাত অংশগ্ৰহণৰ বাবে। যোৱাৰ সময়ত তেওঁলোকে ঘৰৰ দুৱাৰ খিৰিকী আৰু সন্মুখৰ গেট তলা মাৰি গৈছিল। নামসেৱাৰ পৰা প্ৰথমে ঘৰলৈ ঘূৰি আহে ৰূপা ভূএঞা। তেতিয়া সময় আজি বিয়লি প্ৰায় ৩-৫০ বাজিছিল। ইয়াৰ পিছত ৰূপা ভূএঞাই তলা খুলি ভিতৰলৈ সোমাই গৈ দেখে যে তেওঁৰ দুটা কোঠালীত থকা চাৰিটা লোৰ গডৰেজ খোলা অৱস্থাত থকাৰ লগতে গডৰেজৰ ভিতৰৰ কাপোৰ-কানি, বেগ, বয়-বস্তু আদি মজিয়াত সিঁচৰতি হৈ আছে। ঘৰটোৰ ভিতৰত এনে পৰিৱেশ দেখি ৰূপা ভূএঞাই ভয়ত চিএঞৰ-বাখৰ কৰিবলৈ বাধ্য হয়। পিছত ওচৰ চুবুৰীয়া আৰু গহপুৰ আৰক্ষী উপস্থিত ৰূপা ভূএঞাৰ ঘৰত। চোৰৰ দলটো ৰূপা ভূএঞাৰ ঘৰৰ পিছফালৰ পৰা অহা বুলি সন্দেহ কৰা হৈছে। তাৰ পিছত চোৰৰ দলটোৱে ঘৰটোৰ পূব দিশৰ খিৰিকীৰ এখন লোৰ গ্ৰীল এৰুৱাই উক্ত স্থানেৰে ভিতৰত প্ৰৱেশ কৰি চুৰি কাৰ্য্য সংঘটিত কৰে। উল্লেখযোগ্য যে-আজি ঘটনাৰ খবৰ পোৱাৰ পিছত গহপুৰ আৰক্ষীৰ এগৰাকী বিষয়া উক্ত বাসগৃহত উপস্থিত হোৱাৰ বাহিৰে কিবা যে সফল অভিযান চলাব পাৰিব সেয়া গহপুৰ নগৰবাসীৰ মনে নধৰে। কাৰণ গহপুৰ নগৰত অব্যাহত থকা চুৰি কাৰ্য্য ৰোধ কৰাত চূড়ান্ত ভাবে ব্যৰ্থ হৈছে গহপুৰ আৰক্ষীয়ে। ইয়াৰ পূৰ্বে যোৱা যোৱা ২৮ জানুৱাৰীৰ পৰা ২৫ ফেব্ৰুৱাৰীলৈকে গহপুৰ নগৰত ধাৰাবাহিকভাবে সংঘটিত হৈছে কেইবাটাও চুৰিকাণ্ড। আনহে নালাগে গহপুৰ আৰক্ষী থানাৰ গাতে লাগি থকা মন্দিৰতো সংঘটিত হৈছে চুৰিকাণ্ড। গহপুৰ নগৰত এনেদৰে অব্যাহত থকা চুৰিকাণ্ড ৰোধ কৰাত গহপুৰ আৰক্ষী চূড়ান্ত ভাবে ব্যৰ্থ হোৱাত এতিয়া গভীৰ নিৰাপত্তাহীনতাত ভুগিছে গহপুৰ নগৰৰ প্ৰতিগৰাকী বাসিন্দা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ তথাকথিত স্মাৰ্ট আৰক্ষীৰ এনে সোপাটিলা কাৰ্য্যক এতিয়া কঠোৰ ভাষাৰে সমালোচনা কৰিবলৈ বাধ্য হৈছে গহপুৰ নগৰবাসী ৰাইজে।

# টেঙানীত বিহুনাচ আৰু ঢোল বাদন আখৰা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১ মাৰ্চ ঃ** চাওঁতে চাওঁতে অসমীয়াৰ বাপতিসাহোন হেঁপাহৰ ৰঙালী বিহুটিলৈ মাজত মাত্ৰ মাহদিন বাকি। ইতিমধ্যে অসমৰ প্ৰান্তে প্ৰান্তে অসমীয়া ৰাইজে ৰঙালী বিহুলৈ বুলি সাজু হৈছে। আনহাতে ঠায়ে-ঠায়ে বিহুৰ আখৰা আৰম্ভ হৈছে। ধনশিৰি মহকুমা ছাত্ৰ সন্থাইয়ো প্ৰতি বছৰে ৰঙালী বিহুৰ প্ৰাকমুহূৰ্তত বিহুৰ বিভিন্ন কাৰ্যসূচী হাতত লয়। এইবাৰো ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ মুকলি বিহুৰ লগত সঙ্গতি ৰাখি টেঙানী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ১০ দিনীয়াকৈ টেঙানী আঁহতগুৰি মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰৰ বাকৰিত বিহুনাচ আৰু ঢোলবাদন আখৰাৰ আয়োজন কৰিছে। উক্ত আখৰাত বিহুনাচৰ মুখ্য প্ৰশিক্ষক হিচাপে ডি ৰাই বিহুৰাণী, লতাশিল বিহুৰাণী তথা অসম বিহুৱতী হিচাপে খ্যাত অসমৰ জনপ্ৰিয় বিহুৱতী ৰাজশ্ৰী নাথ উপস্থিত থাকিব। লগতে আখৰা থলীত সহযোগী প্ৰশিক্ষক হিচাপে বৰবিহুৱতী মীনাক্ষী গগৈ, পেঁপুৱা ৰোহিত গগৈ, ঢুলীয়া খগেন বড়ো আৰু ঢুলীয়া মুকুল শইকীয়া উপস্থিত থাকিব। আগন্তুক ২৩ মাৰ্চ তাৰিখৰ পৰা ১ এপ্ৰিল তাৰিখলৈকে অনুষ্ঠিত হবলগীয়া এই আখৰাত প্ৰশিক্ষাৰ্থী সকলে মাত্ৰ ১০০টকা বৰঙনি মাচুল আগবঢ়ায়েই আখৰা গ্ৰহণ কৰিব পাৰিব। উল্লিখিত বিহুনাচ আৰু ঢোলবাদন আখৰা সম্পৰ্কত ইচ্ছুক প্ৰশিক্ষাৰ্থীসকলে যোগাযোগ কৰিব বিছাৰিলে ৯১০১৪৮৬৮৬৭, ৯১০১৩৪৪৪৬৪ আৰু ৬০০১২৫৫২১২ মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰিব। সদৌ অসম ছাত্ৰ সন্থাই অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ গ্ৰামাঞ্চলত বসবাস কৰা উঠি অহা প্ৰজন্মৰ যুৱক-যুৱতী সকলক ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতি সমূহৰ জৰিয়তে নিজৰ কৃষ্টি-সংস্কৃতি তথা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ইয়াৰ বাৰেৰহণীয়া পৰম্পৰা, ভাষা আৰু লোক-কলাসমূহ সংৰক্ষণ আৰু প্ৰসাৰৰ বাবে গ্ৰহণ কৰা ভূমিকাই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ উপকৃত কৰি আহিছে।

# অভয়াপুৰী সাহিত্য চ'ৰাৰ ১৭০ সংখ্যক বৈঠক সম্পন্ন

**অসম বাৰ্তা, অভয়াপুৰী, ১ মাৰ্চ ঃ** অভয়াপুৰী সাহিত্য চ'ৰাৰ ১৭০ সংখ্যক বৈঠকখনি "ৰেৱতীমোহন দত্তচৌধুৰী সোঁৱৰণী বৈঠক" হিচাপে চিলাৰায় ভৱনত কালি সীমান্ত কুমাৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। আৰম্ভণিতে এই পাঁচগৰাকী সদ্যপ্ৰয়াত বিশিষ্ট ব্যক্তিৰ প্ৰতি সন্মান জনাই শোকপ্ৰস্তাৱ লোৱাৰ লগতে এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়; প্ৰখ্যাত বয়োজ্যেষ্ঠ সাংবাদিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তী, প্ৰখ্যাত বাংলা লেখক মণিশংকৰ মুখোপাধ্যায় ওৰফে শংকৰ, প্ৰখ্যাত অসমীয়া কবি-নাট্যকাৰ ৰফিকুল হোছেইন, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তৰেণ বড়ো আৰু বিশিষ্ট ৰাজনীতিজ্ঞ হেমেন দাসৰ সহধৰ্মিনী গীতাৰাণী ওজা। বিগত বৈঠকৰ কাৰ্যবিৱৰণী পাঠ কৰে মুখ্য সম্পাদক অংকুৰ দাসে। শীলভদ্ৰৰ সাহিত্যকৃতি সম্পৰ্কে এটি মননশীল বক্তৃতা আগবঢ়ায় অভয়াপুৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক ড° জগত চন্দ্ৰ কলিতাই। ইক্ৰামুল ইছলামে 'শীলভদ্ৰ'ৰ লগত থকা তেওঁৰ ব্যক্তিগত মধুৰ সম্পৰ্কৰ কথা স্মৰণ কৰে। অনুকূল চন্দ্ৰ নাথেও তেওঁৰ চমু ভাষণত শীলভদ্ৰৰ পৰিয়ালৰ লগত থকা আন্তৰিক যোগাযোগৰ কথা উনুকিয়ায়। সাহিত্যপাঠ অনুষ্ঠানত ড° মীনাকুমাৰী মণ্ডল, কণিকা দাস, গৰিমা তালুকদাৰ, ৰজত কুমাৰ ঘোষ, অঞ্জনা ভূএঞা, পুলক দাস, ডাঃ নুৰুল ইছলাম, অনুপমা বৰুৱা, অলক চন্দ্ৰ ৰায়, মাণিক চন্দ্ৰ মেধি, অংকুৰ দাস আৰু সীমান্ত কুমাৰ কলিতাই স্বৰচিত কবিতা পাঠ কৰি সৃষ্টিশীল সাহিত্যৰ আৱেশ সৃষ্টি কৰে। জনাৰ্দন ৰায়ে দুটা সময়োপযোগী অণুগল্প পাঠ কৰে। প্ৰফুল্ল চৌধুৰীয়ে এটি ব্যক্তিগত অভিজ্ঞতা সম্বলিত নিবন্ধ পাঠ কৰে। আবৃত্তিকাৰ ইক্ৰামুল ইছলাম আৰু হৰিপ্ৰসাদ নাথে ক্ৰমে জীৱনানন্দ দাশৰ "কুৰি বছৰৰ পৰে" আৰু বিৰিঞ্চি কুমাৰ ভট্টাচাৰ্যৰ "ড° ভূপেন হাজৰিকা" শীৰ্ষক কবিতা স্বাভাৱিক লয়ত আবৃত্তি কৰি দৰ্শক-শ্ৰোতাক আপ্লুত কৰে। ব্ৰজ গোস্বামীয়ে দেৱকান্ত বৰুৱাৰ কবিতা "লাচিত ফুকন" সুন্দৰকৈ পাঠ কৰি শুনায়। বিশিষ্ট সমাজসেৱক শ্যামসুন্দৰ পাল, নৰকুমাৰ দাস আৰু জ্যোতিষ্ক কোঁৱৰো উপস্থিত থকা সভাখনিৰ শেষত শলাগৰ শৰাই যাঁচে অংকুৰ দাসে। অভয়াপুৰী সাহিত্য চ'ৰাৰ ১৭১ সংখ্যক বৈঠকৰ দিন ২৯ মাৰ্চ নিৰ্ধাৰণ কৰা হয়।

# ছয়গাঁৱত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

**অসম বাৰ্তা, ছয়গাঁও, ১ মাৰ্চ ঃ** অসম বিজ্ঞান সমিতিৰ ছয়গাঁও শাখাই কালি চম্পকনগৰ এম ই স্কুলৰ সহযোগত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস দিনটোজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ বিজ্ঞান মানসিকতা উৎকৰ্ষৰ কাৰণে কাৰ্য্যসূচী হিচাপে কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে নয়না দাস আৰু বিদিশা দাসৰ দলে আনহাতে বৰষা দাস আৰু ময়ূৰী কলিতাৰ দলে দ্বিতীয় স্থান অধিকাৰ কৰে। মুকলি সভাত তেওঁলোকক কিতাপেৰে পুৰস্কৃত কৰা হয়। মুকলি সভা শাখাৰ সভাপতি অম্বিকা প্ৰসাদ দেৱশৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক দীনেশ চন্দ্ৰ কলিতাই। উদ্দেশ্য ব্যাখ্যাত সম্পাদকে ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য আৰু এই বছৰৰ মূল বিষয় বিকশিত ভাৰতত মহিলা বিজ্ঞানীৰ ভূমিকা সম্পৰ্কত বক্তব্য ৰাখে। ছাত্ৰ ছাত্ৰী সকলে শিশু কালৰ পৰাই যাতে প্ৰশ্ন কৰিবলৈ সাহস কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আন এজন বক্তা ছয়গাঁও মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° নগেন কলিতাই ছাত্ৰ-ছাত্ৰী সকলক মহান বিজ্ঞানী চি ভি ৰমন আৰু আব্দুল কালামৰ জীৱন দৰ্শনৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। সভাত অসম বিজ্ঞান সমিতিৰ আজীৱন সদস্য বনমালী দাস আৰু প্ৰীতি ৰেখা বৰুৱাই ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি লক্ষ্য ৰাখি চমু বক্তব্য আগবঢ়ায়। সভাপতিৰ আসনৰ পৰা অম্বিকা প্ৰসাদ দেৱ শৰ্মাই ছাত্ৰ ছাত্ৰী সকলক সময়ৰ সদ্ব্যৱহাৰ বিশেষকৈ ছাত্ৰ কালৰ সময়খিনি যাতে অবাবত নাযায় তাৰ ওপৰত উপদেশমূলক বক্তৃতা আগবঢ়ায়। সদৌ শেষত সম্পাদকে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰমুখ্যে শিক্ষক শিক্ষয়িত্ৰী সকলৰ সহযোগিতা তথা বিজ্ঞান সমিতিৰ উপস্থিত সদস্য সকলৰ শলাগ লয়।

# চেলেংহাটত যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰকল্প উৎসাহৰ দ্বাদশ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ১ মাৰ্চ ঃ** ইতিমধ্যে যোৰহাট জিলা ছাত্ৰ সন্থা আৰু শ্যেলী ফাউণ্ডেচনৰ যৌথ উদ্যোগত "উৎসাহ" শীৰ্ষক এক বিশেষ প্ৰকল্প আৰম্ভ হৈছে। উল্লেখযোগ্য যে এই প্ৰকল্পৰ অধীনত প্ৰতিটো সপ্তাহত এখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সামগ্ৰী প্ৰদান কৰাৰ লগতে শৈক্ষিক বিষয় সম্পৰ্কে আলোচনা অনুষ্ঠিত হয়। এই প্ৰকল্পৰ দ্বাদশ কাৰ্যসূচী হিচাপে শনিবাৰে চেলেংহাট আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ উদ্যোগত চেলেংহাটৰ বৈছাহাবি বাগান প্ৰাথমিক বিদ্যালয়ত এই কাৰ্য্যসূচী অনুষ্ঠিত হয়। বিদ্যালয় সহ শিক্ষয়িত্ৰী পম্পি শইকীয়াই আঁত ধৰা জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰিতম জ্যোতি শইকীয়াই শইকীয়াই সভাপতিত্ব কৰা সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদিকা নিহাৰিকা শইকীয়া, শ্বেলী ফাউণ্ডেচৰ ন্যাসপাল জ্যোতিশ্ৰী মহন্ত, যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক প্ৰাঞ্জল দত্ত, বিত্ত সম্পাদক সুবিৰ ৰাজ নেওগ, আপকুৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জ্যোতিপ্ৰসাদ গগৈ, চেলেংহাট হেলেঠ ক্লাবৰ সঞ্চালক তুষাৰ পাল, চেলেংহাট প্ৰেছ ক্লাবৰ সভাপতি মদন মোহন পাগবন্ধা, সহঃ সম্পাদক দেৱবিকাশ দত্ত, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মিতালি গগৈকে ধৰি বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰী, অভিভাৱক অভিভাৱিকা আৰু বহু স্থানীয় ৰাইজ উপস্থিত থাকি জিলা ছাত্ৰ সন্থা আৰু শ্বেলী ফাউণ্ডেচনৰ এনে কৰ্মৰ ভূয়সী প্ৰশংসা কৰে। উল্লেখযোগ্য আজিৰ এই অনুষ্ঠানটোত বিদ্যালয়খনৰ ৭৭ গৰাকী ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সামগ্ৰী তথা স্কুল বেগ প্ৰদান কৰে। ছাত্ৰ ছাত্ৰীৰ লগতে বিদ্যালয়ৰ শিক্ষা গুৰু সকলকো এই অনুষ্ঠানত বিশেষ ভাবে উপহাৰ প্ৰদান কৰে।

## প্ৰায় আঢ়ৈ লাখ টকা মূল্যৰ ড্ৰাগছসহ এখন চুইফত বাহন জব্দ

# লেখাপানী আৰু জাগুন আৰক্ষীৰ অভিযানত এজন নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰী আটক

**অসম বাৰ্তা বিশেষ, জাগুন, ১ মাৰ্চ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত লেখাপানী আৰু জাগুন আৰক্ষীৰ নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযান তীব্ৰতৰ ভাৱে গঢ়ি তোলা দেখা গৈছে। ইয়াৰেই এক অংশ স্বৰূপে লেখাপানী আৰু জাগুন আৰক্ষীয়ে আজি নিষিদ্ধ ড্ৰাগছ বিৰোধী অভিযানত অন্য এক সফলতা লাভ কৰে। আজি দুপৰীয়াৰ ভাগত লেখাপানী আৰু জাগুন আৰক্ষীৰ যৌথ অভিযানত এজন ড্ৰাগছ সৰবৰাহকাৰী ৫৮ গ্ৰাম নিষিদ্ধ হেৰইনৰ সৈতে আটক হয়। আৰক্ষীয়ে এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত উদয়পুৰ ৫ মাইলৰ ৩১৫নং ৰাষ্ট্ৰীয় ঘাইপথত তালাচী চলাই জাগুন দিশৰ পৰা উদয়পুৰ অভিমুখে আহি থকা এ, এছ ২৩ এ, এফ ৫২২৬ নম্বৰৰ এখন মাৰুতি চুইফট বাহনৰ সৈতে আটক কৰে সৰবৰাহকাৰী জনক। আৰক্ষীয়ে বাহন খনৰ তালাচী চলাই ৫টাকৈ চাবোনৰ বাকচ ভৰ্তি ৫৮ গ্ৰাম হেৰইন জব্দ কৰাৰ লগতে সৰবৰাহকাৰী জনক আটক কৰে। জানিব পৰা অনুসৰি আটকাধীন ড্ৰাগছ সৰবৰাহকাৰীজন জাগুন ফুলবাৰীৰ বিশাল বৰগোঁহাই (২১) বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বেও সৰবাৰহকাৰী বিশাল বৰগোঁহাই অনুৰূপ ঘটনাৰ বাবে দুবাৰকৈ জেললৈ যোৱাৰ কথা সদৰী কৰে আৰক্ষীয়ে। ইতিমধ্যে আৰক্ষীয়ে জব্দকৃত হেৰইনৰ উপৰিও চুইফট বাহনখনো জব্দ কৰি সৰবৰাহকাৰী বিশাল বৰগোহাঁইক গোচৰ পঞ্জীয়ন কৰি জেল হাজোতলৈ প্ৰেৰণৰ ব্যৱস্থা কৰিছে। আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি জব্দকৃত হেৰইন খিনিৰ বজাৰ মুল্য প্ৰায় ২, ৫০, ০০০ টকা হ'ব।

## ■ মৰিগাঁৱত ২১৫৯ গৰাকী শিক্ষাৰ্থীৰ অংশগ্ৰহণ ■

# অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ মাৰ্চ ঃ** অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে আজি ৰাজ্যজুৰি অনুষ্ঠিত কৰে প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা, ২০২৬। চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত এই পৰীক্ষাত মৰিগাঁৱৰ মায়ং, কপিলী, লাহৰীঘাট আৰু ভূৰবন্ধা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্ভুক্ত বিভিন্ন বিদ্যালয়ৰ ২১৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে মায়ং আৰু মনহা পৰীক্ষাৰ কেন্দ্ৰত উপস্থিত হৈ পৰীক্ষা কেন্দ্ৰ পৰ্যৱেক্ষণ কৰাৰ লগতে অভিভাৱক সকলৰ সৈতে মত-বিনিময় কৰে। প্ৰধান সম্পাদক গৰাকীৰ পৰীক্ষা কেন্দ্ৰ পৰ্যৱেক্ষণৰ সময়ত মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি মিহিৰ হাজৰিকা, মায়ং খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি দীপক কুমাৰ মেধি প্ৰমুখ্যে কেইবাগৰাকীও জিলা সন্মিলনীৰ বিষয়ববীয়া উপস্থিত থাকে। আনহাতে মৰিগাঁও জিলাৰ দাতিয়ালবড়ী বালিকা প্ৰাথমিক বিদ্যালয়, বঘৰা মাধ্যমিক বিদ্যালয়, সোণাৰুগুৰি প্ৰাথমিক বিদ্যালয়, বৰঙাবাৰী বালিকা প্ৰাথমিক বিদ্যালয়, দীঘলবড়ী বালিকা মধ্য ইংৰাজী বিদ্যালয়, ভূৰবন্ধা মজলীয়া বিদ্যালয়, হাবিবৰঙাবাৰী আদৰ্শ মাধ্যমিক বিদ্যালয়, পূব জালুগুটি প্ৰাথমিক বিদ্যালয়, তেলাহী মজলীয়া বিদ্যালয়, ঘুনুচা প্ৰাথমিক বিদ্যালয়, স্বৰ্গীয় গণপতি তামোলী প্ৰাথমিক বিদ্যালয়, ১৪৪নং মায়ং প্ৰাথমিক বিদ্যালয়, মনহা আঞ্চলিক মাধ্যমিক বিদ্যালয় আৰু মৰিগাঁও কনকলতা বিদ্যালয়ত সুচাৰুৰূপে পৰীক্ষা অনুষ্ঠিত হয় বুলি মৰিগাঁও জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক মানস প্ৰতীম পাটৰে জানিবলৈ দিয়ে।

# জ্ঞানম কলা কৃষ্টি প্ৰশিক্ষণ কেন্দ্ৰৰ শুভাৰম্ভ

**অসম বাৰ্তা, দেৰগাঁও, ১ মাৰ্চ ঃ** সাংস্কৃতিকবান যুৱক ভাস্কৰ জ্যোতি শইকীয়াই যোৰহাটৰ চাৰিঙীয়া গাঁওস্থিত নিজ বাসগৃহৰ লগতে গাঁওখনৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশৰ লগতে নৃত্য, বাদ্যৰ প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে জ্ঞানম কলা কৃষ্টি নামৰ এটা প্ৰশিক্ষণ কেন্দ্ৰৰ জন্ম দিয়ে। আজি বিয়লি ভাগত মুকলি হোৱা প্ৰশিক্ষণ কেন্দ্ৰটি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক ৰমেন শইকীয়াই। ইয়াৰ লগতে যুৱ আবৃত্তিকাৰ, অভিনেতা দ্বীপেন দত্তই আঁতধৰা মুকলি অনুষ্ঠানটোত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী প্ৰদীপ চন্দ্ৰ দত্ত, ৰমেন দত্ত, নাৰায়ণ হাজৰিকা, জিতেন হাজৰিকা, সাংস্কৃতিক কৰ্মী সোমনাথ বৰা, দ্বীপেন বৰঠাকুৰ, ঈশ্বৰ বৰাৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি। উল্লেখ্য যে কলা কেন্দ্ৰটিত বিশেষভাৱে সত্ৰীয়া নৃত্য, আৰু খোল বাদ্যৰ লগতে ঢোলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা কৰিছে। শুভাৰম্ভণি অনুষ্ঠানত আদৰ্শবান মহিলা ননী ভৰালীয়ে বৰগীত পৰিৱেশন কৰা অনুষ্ঠানত ঢোল বাদ্যৰ প্ৰশিক্ষক ভাস্কৰ জ্যোতি শইকীয়া আৰু সত্ৰীয়া নৃত্য, খোল বাদ্যৰ প্ৰশিক্ষক পংকজ শইকীয়া বৰবায়নে কেন্দ্ৰ প্ৰতিষ্ঠাৰ আঁৰৰ কথা লক্ষ্য-উদ্দেশ্য প্ৰশিক্ষাৰ্থী, অভিভাৱক আৰু শুভাকাংক্ষীসকলৰ কৰণীয় সন্দৰ্ভত উল্লেখ কৰি পৰিচালনাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। আগ্ৰহীসকলক ফোন- ৯৩৬৫৬-৬১৬৮৮, ৮০১১০-৪১১৩২ত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। অনুষ্ঠানত উপস্থিত থকা ৰাইজে অধ্যক্ষ ভাস্কৰ জ্যোতি শইকীয়াক শুভেচ্ছা জনায়।

# ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিত তৃণমূল কংগ্ৰেছৰ জয়ী হোৱাটো নিশ্চিত বুলি দাবী দলীয় নেতৃত্বৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ১ মাৰ্চ ঃ** ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত চিথিলা কমিউনিটি হলত আজি তৃণমূল কংগ্ৰেছৰ চিথিলা প্ৰাইমাৰী কমিটি গঠন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত দলীয় কৰ্মী-সমৰ্থকসকলৰ উপস্থিতিত আগন্তুক অসম বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাইজৰ সৈতে মত-বিনিময় সভা অনুষ্ঠিত হয়। সভাত ভাষণ প্ৰদান কৰি ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰত্যাশি শ্ৰী উদাংশ্ৰী নাৰ্জাৰীয়ে কয় যে আগন্তুক নিৰ্বাচনত শক্তিশালী ভূমিকা গ্ৰহণ কৰাৰ লক্ষ্যৰে তৃণমূল স্তৰত সংগঠন মজবুত কৰাৰ প্ৰয়াস চলোৱা হৈছে। তাই লগতে দাবী কৰে যে ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিত তৃণমূল কংগ্ৰেছৰ জয় নিশ্চিত। সভাত উপস্থিত তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক উপ-সভাপতি লাইফাং গৌৰা নাৰ্জাৰীয়েও দলীয় সংগঠন সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ অঞ্চলটোৰ সামগ্ৰিক উন্নয়ন, যুৱ আৰু নাৰী সৱলীকৰণ, লগতে বিভিন্ন সামাজিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত দলে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে। উক্ত সভাত কোকৰাঝাৰ জিলা সভাপতি ছামচন নাৰ্জাৰী, তুলসীবিল ব্লক সভানেত্ৰী ৰসনাৰা বিবি, চিথিলা প্ৰাইমাৰী সভাপতি মকবুল আলী, বিশিষ্ট সমাজকৰ্মী জাকিৰ হুছেইন আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সভাৰ অন্তত উপস্থিত ৰাইজে আগন্তুক নিৰ্বাচনত দলটোক সমৰ্থন আগবঢ়াব বুলি জানিব পৰা গৈছে।

# সঙ্গীত যাত্ৰা কলা কেন্দ্ৰ ৰহা উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ১ মাৰ্চ ঃ** সঙ্গীত যাত্ৰা কেন্দ্ৰই সঙ্গীত শিক্ষা দিয়াৰ মানসেৰে আজি দেওবাৰে পুৱা ১১ বজাত ৰহা মহাবিদ্যালয়ৰ প্ৰাঙ্গনত সঙ্গীত যাত্ৰা কেন্দ্ৰৰ শুভ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠান টিৰ আত ধৰে ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতী। উক্ত অনুষ্ঠানৰ আৰম্ভণিত সংগীত যাত্ৰা কলা কেন্দ্ৰৰ শুভ উদ্বোধন কৰে শিল্পী গীতিকাৰ অনুবাদক তথা আন্তৰাষ্ট্ৰীয় বটা প্ৰাপক ৰঞ্জন বেজবৰুৱা। ইয়াৰ পিছত বন্তি প্ৰজ্বলন কৰে সংগীতৰ আদি গুৰু জয়মতী নাৰ্জাৰি য়ে। উক্ত অনুষ্ঠানত বৰগীত পৰিৱেশন কৰে ৰিতুমণি বৰা আৰু কল্পনা কলিতা বৰগীত টিৰ বাদ্যযন্ত্ৰত সহায় কৰে প্ৰশান্ত কুমাৰ খাউণ্ড মৰমী দেউৰজা আৰু নৱজ্যোতি ডেকাই। এই অনুষ্ঠানত মূল সভাখনৰ সভাপতিত্ব কৰে তিৱা ছাত্ৰসন্থাৰ উপদেষ্টা প্ৰহ্লাদ মচৰং আৰু সভাখনৰ উদেশ্য ব্যাখ্যা কৰে সংগীত যাত্ৰা কলা কেন্দ্ৰৰ শিক্ষয়ত্ৰী জ্যোতিকা পাটৰে। ইয়াৰ পিছত অতিথি সকলৰ আদৰণি অনুষ্ঠান অনুষ্ঠিত কৰি সুধাকণ্ঠ ভূপেন হাজৰীকাৰ কালজয়ী গীত মানুহে মানুহৰ বাবে আৰু হিয়াৰ আমঠু জুবিন গাৰ্গ মায়াবিনী গীত পৰিৱেশন কৰা হয়। কেইবাগৰাকীও আমন্ত্ৰিত অতিথি লগতে সংগীত প্ৰেমী বহুজন লোক উপস্থিত থাকি অনুষ্ঠান টি সাফল্যমণ্ডিত কৰি তোলে। উদোক্তা সকলৰ ফালৰ পৰা উল্লেখ কৰা অনুসৰি সঙ্গীত যাত্ৰাত সকলোৰে সহযোগিতা আৰু আৰ্শীবাদ অত্যন্ত কাম্য, এই কেন্দ্ৰৰ জৰিয়তে অসমৰ সঙ্গীত আৰু সাংস্কৃতিক প্ৰচাৰ কৰাৰ লগতে নতুন প্ৰজন্মক সঙ্গীতৰ প্ৰতি আকৃষ্ট কৰাৰ প্ৰয়াস কৰিব।

# বিহালীৰ কাউৰীপথাৰত বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত "Knockout Cricket Tournament" চূড়ান্ত ক্ৰিকেট খেল সম্পন্ন

**অসম বাৰ্তা, জিনজিয়া, ১ মাৰ্চ ঃ** বিহালী সমষ্টিৰ অন্তৰ্গত কাৰিবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাৰিবিল আঞ্চলিক সমিতিৰ সহযোগত অনুষ্ঠিত "knockout Cricket Tournament" চূড়ান্ত খেলখন Nilima Builders বনাম KK 11 মাজত অনুষ্ঠিত চূড়ান্ত খেলখনত KK 11 বিজয়ী সাব্যস্ত হয়। ১ ফেব্ৰুৱাৰী পৰা শুভাৰম্ভ হোৱা এই ক্ৰিকেটখেলখন বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত এই ক্ৰিকেট প্ৰতিযোগিতাখনত জিলাখনৰ বিভিন্ন প্ৰান্তৰৰ দলসমূহে অংশগ্ৰহণ কৰে। Nilima Builders আৰু KK 11 মাজত অনুষ্ঠিত চূড়ান্ত ক্ৰিকেট খেলখনত বিশিষ্ট সমাজকৰ্মী লক্ষ্মণ ৰয়, জ্যেষ্ঠ সাংবাদিক নগেন শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক বাসুদেৱ নেপাল, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঈন্দ্ৰ চেত্ৰী, যুৱ সাংবাদিক সুৰেশ বৰা, বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুনিল সোতাৰ, বিহালী আঞ্চলিক সমিতিৰ সভাপতি হেমন্ত ঘিমিৰে, কাৰিবিল আঞ্চলিক সমিতিৰ বিষয়ববীয়া, স্থানীয় সচেতন ব্যক্তিসকল, ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিত থকাৰ অনুষ্ঠানটো সাফল্যমণ্ডিত হয়।

# চামগুৰিত চাইকেল আৰু বাইকৰ সংঘৰ্ষত দুজন থিতাতে নিহত

**অসম বাৰ্তা, পুৰণিগুদাম, ১ মাৰ্চ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালিত যোৱা নিশা সংঘটিত হোৱা এক ভয়াবহ পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালিৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'বলৈ চেষ্টা কৰা এজন চাইকেল আৰোহী আৰু দুই মটৰচাইকেল আৰোহীৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। নিশা প্ৰায় ৭ মান বজাত কলিয়াবৰৰ পৰা নগাঁও অভিমুখে আহি থকা এ-এছ-০২-এ-কে-৫০৫৮-এ পঞ্জীয়ন নম্বৰৰ পালচাৰ মটৰচাইকেল আৰু এখন চাইকেলৰ মাজত সংঘটিত হোৱা উক্ত দুৰ্ঘটনাত সোণাৰীবালিৰ নিবাসী আব্দুল আৱাল (৬২) নামৰ চাইকেল আৰোহীজন আৰু মৰিকলং থানাৰ অন্তৰ্গত মৰঙ্গিয়ালৰ ছফিকুল ইছলাম থিতাতে নিহত হয়। আনহাতে, উক্ত দুৰ্ঘটনা সংঘটিত হোৱাৰ কিছু সময়ৰ পাছতে একেটা দিশৰ পৰা আহি থকা এ-এচ-০২-এ-পি-৫২২৪ পঞ্জীয়ন নম্বৰৰ এখন পালচাৰ মটৰচাইকেলে ইতিমধ্যে দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত হৈ ৰাস্তাত পৰি থকা মটৰচাইকেলখনত খুন্দা মৰাৰ ফলত দুই মটৰচাইকেল আৰোহী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত দুয়োকে চিকিৎসাৰ বাবে মাহঘুলিস্থিত নগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ অন্য দুজন ব্যক্তি ক্ৰমে সোণাৰীবালিৰ নিবাসী হালিম উদ্দিন (৫০) আৰু ছুলতান আহমেদ বুলি জানিব পৰা গৈছে।

# নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰা হ'ব ৰহাৰ ঐতিহাসিক জোঙালবলহু আধুনিক পৰ্যটন ক্ষেত্ৰ

**অসম বাৰ্তা, ৰহা, ২৮ ফেব্ৰুৱাৰী ঃ** নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰা হ'ব ৰহাৰ ঐতিহাসিক জোঙালবলহু আধুনিক পৰ্যটন ক্ষেত্ৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আহা ৪ মাৰ্চত শুভ উদ্বোধন কৰিব নৱনিৰ্মিত জোঙালবলহু পৰ্যটন ক্ষেত্ৰখন। এই কথা সদৰি কৰিছে ৰহাৰ বিধায়ক শশীকান্ত দাসে। উল্লেখ্য যে ইতিহাস প্ৰসিদ্ধ বীৰ ৰজা জোঙালবলহুৰ ৰাজধানী তথা ঐতিহ্যপূৰ্ণ জোঙালবলহু গড়ক আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে ৯০ কোটি টকা আবণ্টন দিছিল। ইতিমধ্যে পৰ্যটন ক্ষেত্ৰৰ কাম সম্পূৰ্ণ হৈ উঠিছে আৰু অহা ৪ মাৰ্চত মুখ্যমন্ত্ৰীয়ে পৰ্যটন কেন্দ্ৰটো ৰাইজৰ বাবে মুকলি কৰিব। উল্লেখ্য যে তিৱাসকলৰ পিতৃপুৰুষ বুলি গণ্য কৰা ৰজা জোঙালবলহুৰ সাত তৰপীয়া গড়ৰ এই ৰাজধানী ক্ষেত্ৰখন সংৰক্ষণ তথা পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় দিবলৈ তিৱা জাতীয় সংগঠনসমূহে চৰকাৰক দাবী জনাই আহিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিৱা সংগঠনসমূহৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ঐতিহ্যবহনকাৰী ক্ষেত্ৰখন আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৯০ কোটি টকা আবণ্টন দিছিল। তাৰে ফলশ্ৰুতিত আধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে জিলিকি উঠিছে ঐতিহাসিক জোঙালবলহু গড়। এই পৰ্যটন ক্ষেত্ৰত নিৰ্মাণ কৰা হৈছে তিৱাসকৰ ঐতিহ্যবহনকাৰী বিভিন্ন সম্পদ, কৃষ্টি-সংস্কৃত তথা ভাস্কৰ্য। পৰ্যটন ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে তিৱাসকলৰ ডেকাচাং, বৰঘৰ, টঙীঘৰ আদি। লগতে আছে মিউজিয়াম, পুথিভঁৰাল, সভাগৃহ, অতিথিশালা, তিৱা জনগোষ্ঠীয় ভোজনালয়। উল্লেখ্য যে ত্ৰয়োদশ শতিকাৰ বীৰ ৰজা জোঙালবলহুৱে নিজ ৰাজ্যৰ ৰাজধানী সুৰক্ষিত কৰিবলৈ সাত তৰপীয়া গড় মাৰিছিল। পিচত কছাৰী ৰজাৰ আক্ৰমণত জোঙালবলহুৰ মৃত্যু হয় যদিও থাকি গ'ল তেওঁৰ কৃতিত্বৰ চানেকি। দেশৰ স্বাধীনতাৰ পিচত ১৯৫৪ চনত অসম চৰকাৰে এই বিশাল পুখুৰীবোৰক চৰকাৰী মীনপাম হিচাপে গঢ়ি তোলে। কিন্তু সংৰক্ষণৰ অভাৱত জোঙালবলহুৰ কৃতিচিহ্ন গড়বোৰ ধ্বংসৰ গৰাহত পৰিছিল আৰু জোঙালবলহুৰ স্মৃতিও নৱ প্ৰজন্মৰ মাজৰ পৰা ক্ৰমে হেৰাই যাব ধৰিছিল। তেনে সময়তে ৰাজ্য চৰকাৰে ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ ঠাইখনক উজ্জীৱিত কৰাত বুৰঞ্জীপ্ৰসিদ্ধ বীৰ ৰজাগৰাকীৰ কৃতিত্বৰ চানেকিও জনমানসত পুনৰ সজীৱ হৈ উঠিব।

# ৰহা কপিলী ব্লক প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিত্ৰ ৰাজখোৱাক অৱসৰ কাগজ প্ৰদান কৰি সম্বৰ্ধনা আৰু বিদায় প্ৰদান

**অসম বাৰ্তা, ৰহা, ২৮ ফেব্ৰুৱাৰী ঃ** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মিত্ৰ ৰাজখোৱাক ৰহা কপিলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত আজি অৱসৰৰ কাগজ-পত্ৰ উপহাৰ দি বিদায় প্ৰদান কৰা হয়। আজি ৰহা কপিলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ তত্ত্বাৱধানত আৰু কপিলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ সহযোগত, আৰু ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি হেমকান্ত শইকীয়াৰ অধ্যক্ষতাত আৰু সম্পাদক লক্ষিপ্ৰসাদ ডেকাৰ নিৰ্দেশনাত অনুষ্ঠিত আনুষ্ঠানিক বৈঠকত ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা ভূপেন্দ্ৰ কুমাৰ দাস উপ-সভাপতি ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদ, নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ কাৰ্যবাহী সদস্য আৰু ৰহা চকী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মিত্ৰ ৰাজখোৱাক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ পৰা অৱসৰৰ নথি পত্ৰৰ লগতে ফুলাম গামোচা আৰু অভিনন্দন পত্ৰ প্ৰদান কৰি বিদায় দিয়া হয়। শিক্ষা বিষয়া মৃণ্ময় গোস্বামীয়ে অৱসৰৰ সময়ত অৱসৰপ্ৰাপ্ত শিক্ষকসকলক কৃতজ্ঞতা এপৰ জৰিয়তে অৱসৰৰ নথি-পত্ৰ প্ৰদানৰ পদক্ষেপৰ বাবে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰক প্ৰশংসা আৰু ধন্যবাদ জনাই কয় যে এজন শিক্ষকে বিদ্যালয়ৰ পৰা অৱসৰ লোৱাৰ পিছত তেওঁ সমাজৰ শিক্ষক হৈ পৰে। সভাত ৰহা কপিলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মৃণ্ময় গোস্বামী, ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা ভূপেন্দ্ৰ কুমাৰ দাস, সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰহ্লাদ কুমাৰ মছৰং, ৰহা সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মা, ৰহা আঞ্চলিক যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা হৰি প্ৰসাদ ৰাজখোৱা, নগাঁও জিলা যুটীয়া সম্পাদক নিলোৎপল হাজৰিকা, কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনৰ সভাপতি ৰঞ্জিত পাটৰ, বি আৰ পি আয়ুব আলী, চি আৰ চি চি জিতুমণি বৰদলৈ, হীৰেন ডেকা, শিক্ষক ভাস্কৰ পাটৰ, শিক্ষক জোনমণি ভূএগ, অনু প্ৰভা দেৱী, পল কুমাৰ নাথ, ৰূপ ৰেখা ডেকা, ৰঞ্জন কুমাৰ নাথ, জ্যেতি প্ৰসাদ নাথ অঞ্জলি হাজৰিকা, সাংবাদিক পলাশ হাজৰিকা, ছয়েল খেতান, নৱ জ্যোতি ভূএগ, লগতে ৰহা আঞ্চলিক কৰ্মচাৰী পৰিষদ, ৰহা কপিলী খণ্ড প্ৰাথমিক শিক্ষক সন্মিলন, ৰহা শাখা সাহিত্য সভা, ৰহা আঞ্চলিক যুৱ ছাত্ৰ পৰিষদৰ প্ৰতিনিধি, ৰহা আঞ্চলিক ছাত্ৰ সন্থা ৰহা কপিলী খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী, শিক্ষকসকল, আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# দোতমাত ইউপিপিএলৰ শক্তি প্ৰদৰ্শন

**অসম বাৰ্তা, দোতমা, ১ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ অধীন নৱগঠিত দোতমা জনজাতি বিধানসভা সমষ্টিৰ দোতমা হাৰিমু আফাদ পথাৰত আজি ইউপিপিএল দলৰ এক বিশাল প্ৰাক-নিৰ্বাচনী সভা আৰু পদযাত্ৰাৰ আয়োজন কৰে। আগন্তুক ২০২৬ ৰ অসম বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি আয়োজন কৰা এই কাৰ্যসূচীয়ে দোতমা অঞ্চলৰ ৰাজনৈতিক পৰিৱেশত খলকনি তোলে। এই বিশাল সভাত উপস্থিত থাকে ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়ো। তেওঁৰ সৈতে উপস্থিত থাকে অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমাতাৰী, বিধায়ক লৰেঞ্চ ইছলাৰী, জীৱন বসুমাতাৰী আদি বহুতো জ্যেষ্ঠ দলীয় নেতা-কৰ্মী। স্থানীয় ৰাইজৰ ব্যাপক সঁহাৰি পৰিলক্ষিত হয় আৰু পথাৰখন মানুহেৰে উপচি পৰে। সভাৰ পিছত আয়োজন কৰা পদযাত্ৰাত হাজাৰ হাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰে। দলীয় পতাকা আৰু শ্লোগানেৰে সমগ্ৰ দোতমা অঞ্চল মুখৰিত হৈ উঠে। পদযাত্ৰাৰ জৰিয়তে ইউপিপিএল দলে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত শান্তি, সমন্বয়ৰ পৰিৱেশ সৃষ্টি কৰিবৰ চেষ্টা কৰিছে। স্থানীয় যুৱক-যুৱতী, মহিলা আৰু জ্যেষ্ঠ নাগৰিকসকলেও সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। আজিৰ পদযাত্ৰাত উপস্থিত থাকি ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে কয় যে ইউপিপিএল এ অকলে নিৰ্বাচন খেলিবৰ কাৰণে ১৫টা সমষ্টিতো প্ৰস্তুতি চলি আছ। স্পষ্ট কথা এতিয়ালৈকে আমি এনডিএ ত আছো, কিন্তু আৰু কিমান দিন থাকিম ইয়াৰ সিদ্ধান্ত আমি লম। এতিয়াও সময় আছে কেইদিনমান পিছত জনোৱা হ'ব। ১৫টা সমষ্টিত আমি ধুনীয়া-ধুনীয়া প্ৰাৰ্থী বাছনি কৰি ৰাখিছো। যি প্ৰাৰ্থীসকলে ৰাইজৰ লগত ২৪ ঘণ্টা থাকিব, ৰাইজক নঠগি ৰাইজৰ লগত থাকিব। এই প্ৰাৰ্থীসকলৰ নাম লাহেকৈ আমি ঘোষণা কৰিম। অহা '২৬ৰ বিধানসভা নিৰ্বাচনত ইউপিপিএল দলে বিটিচিৰ ১৫খন আসনৰ ভিতৰত ১০ ৰ পৰা ১১ আসন দখল কৰি অসম চৰকাৰৰ অংশীদাৰ হ'ব। এই মন্তব্যই ৰাজনৈতিক মহলত বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। ইউপিপিএলৰ এই আয়োজনেই দেখুৱাই দিয়ে যে দলটো আগন্তুক নিৰ্বাচনৰ বাবে কিমান প্ৰস্তুত। বিশেষকৈ যুৱ সমাজৰ ব্যাপক অংশগ্ৰহণে এই সভাক অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে। দলীয় শীৰ্ষ নেতৃত্বৰ বক্তব্যৰ পৰা স্পষ্ট হয় যে ইউপিপিএল দলে আগন্তুক নিৰ্বাচনত শক্তিশালীভাৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ দৃঢ় সংকল্পবদ্ধ। উল্লেখযোগ্য যে দোতমা জনজাতি বিধানসভা সমষ্টি নৱগঠিত সমষ্টি হিচাপে আগন্তুক নিৰ্বাচনত প্ৰথমবাৰৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইউপিপিএলৰ এই বৃহৎ সমাবেশে দলটোৰ সংগঠনমূলক শক্তি আৰু জনসমৰ্থন স্পষ্টকৈ প্ৰদৰ্শন কৰে। সামগ্ৰিকভাৱে দোতমাত অনুষ্ঠিত ইউপিপিএলৰ এই প্ৰাক-নিৰ্বাচনী সভাই স্পষ্টকৈ দেখুৱাই দিলে যে দলটো আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে সম্পূৰ্ণ প্ৰস্তুত। ৰাইজৰ ব্যাপক অংশগ্ৰহণ আৰু সাংগঠনিক শক্তিৰ প্ৰদৰ্শনে ইউপিপিএলক এক শক্তিশালী প্ৰতিদ্বন্দ্বী হিচাপে প্ৰতিষ্ঠা কৰিছে। এতিয়া চকু থাকিব আগন্তুক দিনত দলটোৱে কি ধৰণৰ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰে আৰু নিৰ্বাচনী সমীকৰণ কেনেদৰে সলনি হয়।

# সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ ৭৫ সংখ্যক উদ্‌যাপন সমিতিৰ অস্থায়ী কাৰ্যালয় উদ্বোধন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ১ মাৰ্চ ঃ** সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ ৭৫ সংখ্যক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ আজি টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ সমুখত বিশিষ্ট সমাজ সেৱক বিকন চন্দ্ৰ ডেকাই অস্থায়ী কাৰ্যালয় উদ্বোধন কৰে। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক ধৰ্ম কান্ত ৰামচিয়াৰীয়ে আঁত ধৰা অনুষ্ঠানত উদ্‌যাপন সমিতিৰ সভাপতি দুলাল চন্দ্ৰ বৰুৱাই সভাপতিত্ব কৰে। সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ সভাপতি শ্যামল কুমাৰ দাস, উপদেষ্টা লোকেশ্বৰ ডেকা, মনোৰঞ্জন শৰ্মা, ঘনকান্ত ডেকা, প্ৰমোদ হাজৰিকা, মনমোহন দাস, ৰঞ্জনা শৰ্মা বৰুৱা, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, শিল্পী সমাজ টংলাৰ সভাপতি নিবেদিতা ডেকা বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তী, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, সাংবাদিক বাপন শৰ্মা, নাৰায়ণ ডেকা, টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক নন্দন ৰাভা, স্থায়ী আৰু উদযাপন সমিতিৰ বিষয়ববীয়া আৰু শুভাকাংক্ষী উপস্থিত থাকে। ইতিমধ্যে সদৌ টংলা ৰঙালী বিহু সন্মিলনীয়ে দুলাল কুমাৰ বৰুৱাক সভাপতি, খৰ্গেশ্বৰ বড়াক কাৰ্যকৰী সভাপতি, ধৰ্মকান্ত ৰামচিয়াৰীক সাধাৰণ সম্পাদক, ড° মিণ্টুপাঠকক বিত্তসম্পাদকৰ লগতে সাংস্কৃতিক, শোভাযাত্ৰা, খাদ্য, শব্দ পোহৰ, মুখপত্ৰ কেতেকী, ৰভা মঞ্চ, পতাকা, স্বেচ্ছাসেৱক, মুকলি বিহু আদি কেবাখনো উপশমিতি গঠন কৰি এখনি শক্তিশালী উদযাপন সমিতি গঠন কৰিছে। অহা ব'হাগ মাহৰ ১, ২ আৰু ৩ তাৰিখ অৰ্থাৎ ১৫, ১৬ আৰু ১৭ এপ্ৰিলত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজন কৰা ৭৫ সংখ্যক ৰঙালী বিহু উদযাপন সফল কৰি তুলিবলৈ উদ্যোক্তাই ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।



# যোৰহাট-নিমাতী পথত দুৰ্ঘটনাত এজন নিহত

**অসম বাৰ্তা, নিমাতীঘাট, ১ মাৰ্চ ঃ** যোৰহাট -নিমাতী পথৰ গোধাদলংৰ সমীপত সংঘটিত এক পথ দুৰ্ঘটনাক কেন্দ্ৰকৰি অঞ্চলটোত এক চেপা উত্তেজনা বিৰাজ কৰিছে। জানিব পৰা মতে বাহনা মহাবিদ্যালয়ৰ সমীপৰ হুকিমৰা গাঁৱৰ প্ৰয়াত টঙ্কেশ্বৰ বৰাৰ কনিষ্ঠ পুত্ৰ প্ৰিয়াঙ্কুশ প্ৰতীম বৰা আৰু তেওঁৰ বন্ধু বাস্তৱ বৰা ২৮ ফেব্ৰুৱাৰী সন্ধ্যা ৮-৩০ মান বজাত সান্ধ্য ভ্ৰমণৰ বাবে ঘৰৰ পৰা খোজকাঢ়ি নিমাতী ঘাটৰ দিশে আহিছিল। নিমাতী আৰক্ষী চকীৰ পৰা ১৫০ মিটাৰ আঁতৰত খোজকাঢ়ি অহা অৱস্থাত দুয়োকে তীব্ৰবেগী বহনে খুণ্ডিয়াই থৈ যায়। স্থানীয় আৰক্ষীৰ সহযোগত দুয়োকে ততালিকে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয় যদিও প্ৰিয়াঙ্কুশ প্ৰতীম বৰা (৩৫)ৰ মৃত্যু হয়। উল্লেখ্য যে বাহনা অঞ্চলত সকলোৰে মাজত জনপ্ৰিয় প্ৰিয়াঙ্কুশ কাজিৰঙা বিশ্ববিদ্যালয়ৰ মাইক্ৰ বায়লজি বিভাগৰ প্ৰবক্তা আছিল। আজি তেখেতৰ নশ্বৰ দেহ ঘৰ আহি পোৱাত কাজিৰঙা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শতাধিক গুনমুগ্ধই শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কি বাহনে কেনেদৰে এই দুৰ্ঘটনা সংঘটিত কৰিলে এই সন্দৰ্ভত আৰক্ষীৰ হাতত এতিয়ালৈকে কোনো তথ্য নাই বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ৰ ৰটাৰী ক্লাৱৰ উদ্যোগত, বিনামূলীয়া চিকিৎসা শিৱিৰ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১ মাৰ্চ ঃ** ডিব্ৰুগড় ৰটাৰী ক্লাৱৰ উদ্যোগত, ডিব্ৰুগড় জ্যেষ্ঠ নাগৰিক পৰিষদ আৰু ডাঃ ৰোহিনীকান্ত বৰুৱা আইন মহাবিদ্যালয়ৰ সহযোগত আজি ৰাতিপুৱা ১০ বজাৰ পৰা আবেলি ১ বজালৈকে ডিব্ৰুগড়ৰ ডাঃ ৰোহিনীকান্ত বৰুৱা আইন মহাবিদ্যালয়ৰ প্ৰাঙ্গণত বিনামূলীয়া চিকিৎসা শিৱিৰ সম্পন্ন হৈ যায়। এই বিনামূলীয়া চিকিৎসা শিৱিৰত ডিব্ৰুগড় উপকণ্ঠ অঞ্চলৰ প্ৰায় শতাধিক জ্যেষ্ঠ নাগৰিকে বিনামূলীয়া চিকিৎসা শিৱিৰলৈ আহি তেখেত সকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱাই। চিকিৎসা শিৱিৰত চকু বিশেষজ্ঞ ডাঃ ভাৰতী শৰ্মা পূজাৰী, নাক-কাণ-ডিঙিৰ বিশেষজ্ঞ ডাঃ ফৌজিয়া শ্বিৰিন হেকিম, চৰ্ম বিশেষজ্ঞ ডাঃ স্বপ্না দাস, মেডিচিন বিভাগৰ ডাঃ ৰেবিকা মাৰাক, ফিজিঅ'থেৰাপী বিভাগৰ ডাঃ অভিজিৎ পাল আৰু উদ্যোগতা কৰ্মচাৰী সকল উপস্থিত আছিল। আনহাতে এই চিকিৎসা শিৱিৰত উন্নত শ্ৰৱণ শক্তিৰ পৰীক্ষাও কৰা হয়। এই শিৱিৰ অনুষ্ঠিত হোৱাৰ ক্ষেত্ৰত এইচ এম চিকিৎসালয়, এজিলাচ্ লেবটৰী/ এচ আৰ এল তৰফৰ পৰা সহযোগিতা আগবঢ়ায়। বিনামূলীয়া চিকিৎসা শিৱিৰ সুকলমে সম্পন্ন হোৱাৰ ক্ষেত্ৰত যি সকল সদাশয় ব্যক্তিয়ে উপস্থিত থাকি সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকললৈ ডিব্ৰুগড় জ্যেষ্ঠ নাগৰিক পৰিষদৰ সভাপতি, সঞ্জীৱ বৰদলৈ, সম্পাদক বলীন্দ্ৰ নাথ বৰদলৈয়ে সকলোলৈকে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে।

# অইল ইণ্ডিয়াৰ কেন্দ্ৰীয় টেংক ফাৰ্মত সফলতাৰে লেভেল-III মক ড্ৰিল সম্পন্ন



**অসম বাৰ্তা, দুলীয়াজান, ১ মাৰ্চ ঃ** যিকোনো সম্ভাব্য দুৰ্যোগৰ মোকাবিলা কৰিবলৈ আৰু জৰুৰীকালীন প্ৰস্তুতিৰ মূল্যায়নৰ অংশ হিচাপে কালি (২৭ ফেব্ৰুৱাৰী) দুলীয়াজানস্থিত অইল ইণ্ডিয়া লিমিটেডৰ কেন্দ্ৰীয় টেংক ফাৰ্মত (CTF) এটা লেভেল-III মক ড্ৰিল সফলতাৰে সম্পন্ন কৰা হয়। পুৱা প্ৰায় ১০: ০৫ বজাত আৰম্ভ হোৱা এই অনুশীলনত জিলা প্ৰশাসন, ডিডিএমএ, এনডিআৰএফ, চিআইএছএফ, অসামৰিক প্ৰতিৰক্ষা আৰু বিভিন্ন মিউচুৱেল-এইড অংশীদাৰ প্ৰতিষ্ঠানসমূহে অংশগ্ৰহণ কৰে। মক ড্ৰিলটোৰ বাবে এটা কাল্পনিক পৰিস্থিতি সৃষ্টি কৰা হৈছিল। পৰিকল্পনা অনুসৰি, এটা অসামৰিক ড্ৰোন হঠাতে ৫ নম্বৰ টেংকত খহি পৰাৰ ফলত অগ্নিকাণ্ড সংঘটিত হয় আৰু প্ৰকল্পটোৰ ভিতৰত কৰ্মৰত একাংশ কৰ্মচাৰী আহত হয়। এনে জৰুৰীকালীন অৱস্থাত তৎক্ষণাত সঁহাৰি জনাই এনডিআৰএফৰ সহযোগত সমন্বিত অগ্নিনিৰ্বাপণ আৰু উদ্ধাৰ অভিযান চলোৱা হয়। পিএনজিআৰবি-ৰ নীতি-নিৰ্দেশনা অনুসৰি 'চাইত ইনচিডেণ্ট কণ্ট্ৰোলাৰে' ইমাৰ্জেন্সী শ্বাটডাউন ছুইচ সক্ৰিয় কৰি অগ্নিনিৰ্বাপক আৰু চিকিৎসা বিভাগক সক্ষম কৰি তোলে। অইলৰ অগ্নিনিৰ্বাপক বাহিনীৰ লগতে এইচঅ'ইচি, অ'এনজিচি, আইঅ'চিএল, এপিএল, বিচিপিএল আৰু এজিচিএলৰ দৰে মিউচুৱেল-এইড অংশীদাৰসকলে অগ্নিকাণ্ড নিৰ্বাপনত সহায় কৰে। আনহাতে এনডিআৰএফ, চিআইএছএফ আৰু অইলৰ চিকিৎসা দলে যৌথভাৱে উদ্ধাৰ অভিযান চলায়। পুৱা প্ৰায় ১১: ৩০ বজাত আৱাসিক মুখ্য বিষয়াৰ প্ৰতিনিধিৰ পৰা ক্লিয়াৰেন্স লাভ কৰাৰ পিছত ড্ৰিলটোৰ সামৰণি পৰে। জিএমএছৰ মুখ্য মহাপ্ৰবন্ধক সুমিত্ৰ গোস্বামীয়ে আৱাসিক মুখ্য বিষয়া তথা পিএছএছ মাইনৰ এজেণ্ট হিচাপে প্ৰতিনিধিত্ব কৰা এই মক ড্ৰিলৰ অন্তত এক আনুষ্ঠানিক ডি-ব্ৰিফিং অনুষ্ঠিত হয়। তাত অনুশীলনৰ সময়ত হোৱা পৰ্যবেক্ষণ আৰু ভৱিষ্যতে উন্নতি কৰিবলগীয়া দিশসমূহৰ ওপৰত আলোচনা কৰা হয়। সকলো পক্ষৰ এনে সক্ৰিয় অংশগ্ৰহণে বাস্তৱিক জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'বলৈ আত্মবিশ্বাস বৃদ্ধি কৰিব বুলি কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

## নৈপৰীয়া আৰু চৰ অঞ্চলৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন জিলা প্ৰশাসনৰ

# গোৱালপাৰাত নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ

**অসম বাৰ্তা, গোৱালপাৰা, ২৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে গোৱালপাৰা জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। জিলাখনত মুঠ ১০১০টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে, যাৰ ভিতৰত নৈপৰীয়া তথা চৰ অঞ্চলতো উল্লেখযোগ্য সংখ্যক কেন্দ্ৰ অন্তৰ্ভুক্ত আছে। এই সন্দৰ্ভত আজি গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ নেতৃত্বত এটা দলে গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত নৈপৰীয়া আৰু চৰ অঞ্চলৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত যাতায়ত ব্যৱস্থা, বিদ্যালয় গৃহৰ অৱস্থা, পানীৰ সুবিধা, অনাময় ব্যৱস্থা আদি বিষয়সমূহ খতিয়ান লোৱা হয়। জিলা আয়ুক্তৰ সৈতে এই পৰিদৰ্শনত উপস্থিত আছিল গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম আৰু নিৰ্বাচনী বিষয়া পল্লৱী বৰা। ভোটগ্ৰহণকাৰী দলসমূহে যাতে প্ৰয়োজনীয় সকলো সুবিধা সুচাৰুৰূপে লাভ কৰে আৰু ভোটগ্ৰহণ প্ৰক্ৰিয়া নীৰৱচ্ছিন্নভাৱে সম্পন্ন হয়, সেই উদ্দেশ্যে জিলা প্ৰশাসনে এনে ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণ অব্যাহত ৰাখিছে।

## উত্তেজিত ৰাইজে ভাঙি লণ্ড-ভণ্ড কৰিলে ডাম্পাৰ বাহন

# অবৈধ মাটি খননক কেন্দ্ৰ কৰি নিশা জনীয়াৰ ছনপুৰাত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, জনীয়া, ২৮ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ বৰপেটাৰোড আঞ্চলিক বন সংমণ্ডল তথা বাঘবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ছনপুৰাৰ বেঁকী নৈৰ বুকুত অবৈধ মাটি খননক কেন্দ্ৰ কৰি ২৭ ফেব্ৰুৱাৰী শুক্ৰবাৰে নিশা উত্তপ্ত পৰিস্থিতিৰ হয়। দীৰ্ঘদিনে দুষ্ট চক্ৰই বেঁকী নৈৰ বুকু খান্দি ডাম্পাৰেৰে বালি বিক্ৰী কৰি ৰমৰমীয়া বেহা চলাই আছিল। শুক্ৰবাৰে নিশা নৈৰ বুকুত জেচিবি লগাই খনন কাৰ্য চলাই থকা সময়তে খনন কাৰ্য্যত বাধা দিয়ে স্থানীয় ৰাইজে কিন্তু ওলোটাই ৰাইজক ভাবুকি প্ৰদান কৰাৰ অভিযোগ বালি মাফিয়াৰ বিৰুদ্ধে। বালি মাফিয়াই জেচিবেৰে বেঁকী নৈৰ বুকুত খনন চলাই থকাৰ মাজতেই ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উত্তেজিত ৰাইজে ভাঙি লণ্ড-ভণ্ড কৰে AS15AC1955 নম্বৰৰ বালি কঢ়িয়াই নিয়া ডাম্পাৰ বাহন। পৰৱৰ্তী সময়ত ৰাইজৰ ৰুদ্ৰমূৰ্তি দেখি জেচিবিলৈ পলাবলৈ বাধ্য হয় বালি মাফিয়াই। কাৰ আশীৰ্বাদত বেঁকী নৈৰ বুকু খান্দি লাখ লাখ টকা কৰ ফাকি দি নিশা ডাম্পাৰেৰে বালি বিক্ৰী কৰি ৰমৰমীয়া বেহা চলাই আছে বালি মাফিয়াই সেয়া এই মুহূৰ্তত এক ডাঙৰ প্ৰশ্ন।

# মাৰ্ঘেৰিটা সমজিলাৰ লেখাপানীত ৫৮ গ্ৰাম নিষিদ্ধ হেৰইন জব্দ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১ মাৰ্চ ঃ** মাৰ্ঘেৰিটা সমজিলাৰ লেখাপানী আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানত অন্য এক সফলতা অৰ্জন। আজি দিন দুপৰতে লেখাপানী আৰু জাগুন আৰক্ষীৰ যৌথ অভিযানত ৫৮ গ্ৰাম নিষিদ্ধ হেৰইন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এক গোপন সূত্ৰৰ ভিত্তিত জাগুন পৰা লিডু অভিমুখে আহি থকা AS23AF5226 নম্বৰৰ মাৰুতি চুইফটখন ৫ মাইলত আৰক্ষীৰ জালত পৰে। লগে লগেই বাহন খনৰ তালাচী চলোৱাত ৫ টাকৈ চফ কেচ ভৰ্ত্তি ৫৮ গ্ৰাম হেৰইন জব্দ কৰাৰ লগতে সৰবৰাহকাৰী বিশাল বৰগোঁহাই (২১) ক আটক কৰিবলৈ সক্ষম হয়। আটক বিশাল বৰগোঁহাই ঘৰ জাগুন আৰক্ষীৰ অন্তৰ্গত ফুলবাৰী গাৱঁত বুলি জানিব পৰা গৈছে। ইয়াৰ পুৰ্বেও সৰবাৰহকাৰী বিশাল বৰগোঁহাই অনুৰূপ ঘটনাৰ বাবে দুবাৰকৈ জেললৈ যোৱাৰ কথা জানিব পৰা গৈছে। জব্দকৃত হেৰইনখিনি বজাৰ মুল্য ২, ৫০০০০ টকা। লেখাপানী আৰক্ষীৰ এই সফলতাক সচেতন ৰাইজে যথেষ্ট প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।

# ৮ মাৰ্চত ডুমডুমাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ 'আকাশ' অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১ মাৰ্চ ঃ** আন্তৰ্জাৰ্তিক নাৰী দিৱস উপলক্ষে অহা ৮ মাৰ্চত অসম সাহিত্য সভাই অনুষ্ঠিত কৰিব মহিলাৰ অনুষ্ঠান 'আকাশ'। আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি তিনিচুকীয়া জিলা সাহিত্য সভাই ডুমডুমা শতদল শাখা সাহিত্য সভাৰ আতিথ্যত দিনজোৰা কাৰ্যসূচীৰে ইয়াৰ আজাদ ৰোডস্থিত শাখাৰ প্ৰাংগণত 'আকাশ' অনুষ্ঠানৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি, সেইদিনা পুৱা ৮-৪৫ বজাত পতাকা উত্তোলন কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। ৯ বজাত স্মৃতি তৰ্পণ কৰিব ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই। ১০ বজাত অনুষ্ঠিত হ'বলগীয়া আৰম্ভণি অনুষ্ঠানত সভাপতিত্ব কৰিব জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। বন্তি প্ৰজ্বলন কৰিব উপ-সভাপতি চন্দ্ৰ কুমাৰ বৰুৱাই। অনুষ্ঠানত ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই আদৰণি ভাষণ প্ৰদান কৰাৰ বিপৰীতে উদ্বোধনী ভাষণ প্ৰদান কৰিব তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন চন্দ্ৰ বৰুৱাই। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে বক্তব্য প্ৰদান কৰিব ৰূপাইস্থ ৰিফ্লেকচন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষয়িত্ৰী কিৰণময়ী বৰাই। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল কুমাৰ গুৰুং, অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ উপ-সভাপতি পুলক কুমাৰ গগৈ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সকলো প্ৰাক্তন সভাপতি, উপ-সভাপতি আৰু সম্পাদকৰ লগতে তিনিচুকীয়া জিলা প্ৰতিনিধি মোহন মৰাণ। দিনৰ ১১ বজাৰ পৰা আৰম্ভ হ'বলগীয়া 'আকাশ' অনুষ্ঠানত সকলোৰে উপস্থিতি কামনা কৰিছে তিনিচুকীয়া জিলা সাহিত্য সভাৰ আকাশ উপ-সমিতিৰ যুটীয়া আহ্বায়ক বৰ্ণালী ফুকন আৰু বুলবুলি বুঢ়াগোহাঁইৰ লগতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক অৰূপ কুমাৰ চাংমায়ে।

# বিশিষ্ট সাহিত্যিক পেঞ্চনাৰ বৰুণ বৰা লৈ "মাৰ্ঘেৰিটা মহীয়ান বঁটা -২০২৬" প্ৰদান

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১ মাৰ্চ ঃ** মাৰ্ঘেৰিটা সাংবাদিক সংস্থাৰ উদ্যোগত মাৰ্ঘেৰিটা মহোৎসৱ - ২০২৬ তথা ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি আজি ১ মাৰ্চ ২০২৬ তাৰিখে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মাৰ্ঘেৰিটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, গীতিকাৰ, সুৰকাৰ তথা সাহিত্যিক পেঞ্চনাৰ বৰুণ বৰা লৈ ৮৮ সংখ্যক ওপজা দিন উদ্‌যাপন কৰা হয়। মাৰ্ঘেৰিটা সম-জিলাৰ ভালে সংখ্যক বিশিষ্ট গণ্যমান্য ব্যক্তি আৰু বিভিন্ন দল-সংগঠনৰ পৰা আহি সমবেত হোৱা ৰাইজৰ উপস্থিতিত সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক তথা আদৰণি সমিতিৰ সম্পাদক ৰাণা জ্যোতি নেওগ আঁতধৰা অনুষ্ঠানটি আদৰণি সমিতিৰ সভাপতি নৰেশ্বৰ হাজৰিকাই এগছি বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে। বৰুণ বৰা লৈ ওপজা দিনৰ উপলক্ষে বিভিন্ন দল সংগঠনৰ পৰা শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ওপজা দিনৰ কেক্ কাটি তেখেতলৈ শুভেচ্ছা জ্ঞাপন কৰাৰ উপৰিও মাৰ্ঘেৰিটা সাংবাদিক সংস্থাই সন্মানীয় বৰুণ বৰা লৈ "মাৰ্ঘেৰিটা মহীয়ান বঁটা - ২০২৬" প্ৰদানেৰে সন্মানিত কৰে। বৰুণ বৰাৰ ওপজা দিন উপলক্ষে" অভিদৰ্শন" নামকৰণেৰে এখনি অভিনন্দন গ্ৰন্থও উন্মোচন কৰে। অনুষ্ঠানটোত উপস্থিত থাকে সাহিত্যিক কবি, সমাজ জীৱনৰ লগত জড়িত থকা গণ্য মান্য ব্যক্তি, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, সাংবাদিক আৰু সাংবাদিক সন্থাৰ সদস্য সকল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন